# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

NO. 8

**The 19th December, 1986**

Price—Rs. 26·40

## CONTENTS

WINTER SESSION

No.—8

Dated, the 19th December, 1986


| | | Page |
|---|---|---|
| 1. | Announcement from the Chair .... .... .... | 1 |
| 2. | Starred Questions & Answers .... .... ... | 2 |
| 3. | Short Notice Questions & Answers .... .... .... | 86 |
| 4. | Unstarred Questions & Answers .... .... .... | 96 |
| 5. | Discussion During Zero Hour ... ... ... | 97 |
| 6. | Announcement from the Chair ... ... ... | 113 |
| 7. | Statement by Minister ... ... ... | 122 |
| 8. | Adjournment ... ... ... | 127 |
| 9. | Annexures I—V ... ... | 128—139 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

**Friday, the 19th December, 1986**

**The House met at Nine of the Clock in the Assembly Chamber, Dispur, with Mr. Speaker in the Chair.**

## ANNOUNCEMENT FROM THE CHAIR :

Mr. Speaker : I would like to request the Honourable Members of the House not to raise more than one supplementary question today as today is the last day of the session and we should try to get replies to as many starred questions as possible during the question hour.

I would also like to inform the House that except previously fixed notices for zero hour no other member will be allowed to raise any matter as the items of agenda which have been fixed as per rule of the House shall have to be completed today. Two statements will be made today one by the Honourable Home Minister and the other by the Honourable Forest Minister. I hope all Honourable Members will kindly extend their kind co-operation.

## STARRED

## QUESTIONS & ANSWERS

( To which oral answers were given )

### বিষয়ঃ বৰছলা অঞ্চলত ডকাইতি

শ্ৰীপ্ৰফুল্ল গোস্বামীয়ে সুধিছে ঃ

* ১২১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা চলিত তিনি মাহত বৰছলা সমষ্টিত, বৰছলা অঞ্চলত কেইটা ডকাইতি হল জনাবনে ?

(খ) উক্ত সমষ্টিৰ চৰ অঞ্চলত বসবাস কৰা থলুৱা ৰাইজৰ নিৰাপত্তাৰ বাবে কিবা ব্যৱস্থা লোৱা হৈছেনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা তিনি মাহত বৰছলা অঞ্চলত ২ (দুটা) ডকাইতি হৈছে।

(খ) উক্ত সমষ্টিৰ চৰ অঞ্চলত বসবাস কৰা সমূহ ৰাইজৰ নিৰাপত্তাৰ বাবে আৰক্ষী বাহিনীৰ দ্বাৰা নিশা পহৰাৰ ব্যৱস্থা লোৱা হৈছে। সন্দেহযুক্ত সমাজ বিৰোধী লোকৰ ওপৰত চোকা নজৰ ৰখা হৈছে। সন্দেহজনক অপৰাধী বিলাকৰ ঘৰত বিভিন্ন গোচৰৰ সংক্ৰান্তত তালাচী কৰা হৈছে আৰু বৰ্ত্তমানেও হৈ আছে। চৰ অঞ্চলৰ থলুৱা ৰাইজৰ সন্ত্ৰাসৰ ভাব দুৰ কৰাৰ কাৰণে আৰক্ষী লোক সকলে সদায় সতৰ্কতা মুলক ব্যৱস্থা গ্ৰহণ কৰি আছে।

শ্ৰীপ্ৰফুল্ল গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, সঘনে ঘটি থকা এনে ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি শিঙৰি আৰু বৰছলাত ৰিভাৰ পুলিছ ষ্টেচন পতাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰে এতিয়া বিবেচনা কৰা নাই।

( **Starred Question Nos. 122, 123, 124, 125 And 126 were Not Called For** )

## বিষয়ঃ পশ্চিম কামৰূপ বন সংমণ্ডল কাৰ্য্যালয়

শ্ৰীকমলা কলিতাই সুধিছে :

* ১২৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) West Kamrup Divisional Forest Office ( পশ্চিম কামৰূপ বন সংমণ্ডল কাৰ্য্যালয়) ছয়গাওঁলৈ স্থানান্তৰ কৰাৰ নিৰ্দ্দেশ চৰকাৰে দিছে নেকি ?

(খ) যদি দিছে কিয় বৰ্ত্তমানলৈ স্থানান্তৰ হোৱা নাই ?

(গ) কেতিয়ালৈকে স্থানান্তৰ কৰা হব জনাবনে ?

শ্ৰীভৰত নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, দিছে।

(খ) এই কাৰ্য্যালয়টোৰ কাম আৰম্ভ কৰিবলৈ আৰু তাত কাম কৰা বিষয়া কৰ্মচাৰী সকলৰ থকা মেলা, ঘৰ-দুৱাৰ আদিৰ উপযুক্ত ব্যৱস্থা নথকাৰ কাৰণে বৰ্ত্তমান স্থানান্তৰ কৰিব পৰা হোৱা নাই।

(গ) স্থানান্তৰ কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা হলেহে কাৰ্য্যালয়টো স্থানান্তৰ কৰা হব।

( No Supplementary Questions )

## বিষয়ঃ পশুচিকিৎসা মহাবিদ্যালয় স্থাপন

শ্ৰীশ্বহীদুল ইছলামে সুধিছে :

*১২৮। মাননীয় পশুচিকিৎসা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত নতুনকৈ পশুচিকিৎসা মহাবিদ্যালয় স্থাপনৰ আঁচনি চৰকাৰে লৈছেনে আৰু যদি লৈছে, কোন ঠাইত স্থাপন কৰা হব ?

(খ) ধিং বিধান সভা সমষ্টিত শতকৰা নবৈব জন খেতিয়কৰ প্ৰত্যেকৰে

ঘৰত গৰু, ম'হ ছাগলী আছে, কিন্তু তাত পশুচিকিৎসাৰ সুব্যৱস্থা নথকাৰ কথা চৰকাৰে জানেনে ?

(গ যদি জানে, মৈবাবাৰী, বৰালীমাৰলী, লোচনবড়ী আৰু বেছামাৰী আদি ঠাইত পশুচিকিৎসালয় স্থাপনৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) দ্বিতীয় পশুচিকিৎসা মহাবিদ্যালয় স্থাপনৰ আঁচনি হাতত লোৱা হৈছে। কোন ঠাইত স্থাপন হব এতিয়াও ঠিক হোৱা নাই।

(খ) ধিং অঞ্চলত কেবাটাও পশুপালন বিভাগৰ অনুষ্ঠান আছে। অৱশ্যে যিমান দৰকাৰ সেই অনুপাতে অনুষ্ঠান কৰিব পৰা হোৱা নাই।

(গ) মৈৰাবাৰীত এখন পশুচিকিৎসালয় আৰু এটা কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰ (মুখ্য গাওঁ উন্নয়ন কেন্দ্ৰ) আছে। ধিংত এখন পশুচিকিৎসালয় আৰু কৃত্ৰিম প্ৰজনন উপকেন্দ্ৰ এটা আছে। আন ঠাইবোৰত পৰ্য্যায়ক্ৰমে ঠাইবিশেষ পশুচিকিৎসালয় স্থাপনৰ বাবে ব্যৱস্থা লোৱা হব।

শ্ৰীশ্বহীতুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে, আমাৰ যি পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় স্থাপনৰ কথা আছে সেইখন অসমৰ মাত্ৰ নগাওঁ জিলাত পাতিব বুলি আজি সদনক আশ্বাস দিবনে ? মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে ধিং বিধান সভা সমষ্টিত যিখন পশুচিকিৎসালয় পতাৰ কথা আৰু লগতে দুই-তিনিখন ঠাইত পতাৰ কথা, যেনে বৰালী-মাবলী আদি ঠাইত পশুচিকিৎসালয় পতাৰ ব্যৱস্থা লবনে আৰু লগতে তাৰ কাৰণে যদি প্ৰয়োজনীয় 'ফাণ্ড' অভাৱ হয়, দৰকাৰ হলে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই সম্পৰ্কত টকা-পইচা অনাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমত দ্বিতীয় পশুচিকিৎসা মহাবিদ্যালয় জনজাতীয় অধ্যুষিত হব লাগিব। এই সম্পৰ্কত ঠাইৰ কাৰণে আমি বিবেচনা কৰি আছো। দ্বিতীয় প্ৰশ্নৰ উত্তৰত কওঁ পশুচিকিৎসালয় স্থাপনৰ সংক্ৰান্তত আমাৰ তৰফৰ পৰা বিভিন্ন ধৰণৰ ব্যৱস্থা লৈ থকা হৈছে। লগতে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি কিছুমান আঁচনি কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে কৰিবলৈ চেষ্টা কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা 'ফাণ্ড' পালেই অতি সোণকালে সকলোখিনি কাম কৰিব পৰা যাব।

**Re : Inclusion of Koch Rajbanshi as S.T.**

Shri Amritlal Basumatari asked :

* 129. Will the Minister, W. P. T. & B.C be pleased to to state :

(a) Whether Government have received any representation demanding the inclusion of Koch-Rajbongshis into the list of Scheduled Tribes ?

(b) If so, the steps taken for the inclusion of the Koch Rajbongshis as the Scheduled Tribes ?

Shri Bharat Chandra Narah (Minister, W.P.T. & B.C.) replied :

(a) Yes.

(b) The Government has not decided anything so far on the matter.

শ্ৰীঅমৃত লাল বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, আজি সমাজত চিডিউল ট্ৰাইব' বুলি এনলিষ্ট কৰিবৰ কাৰণে কি কি গুনাৱলী লাগে তাৰ পিচত শৰনীয়া কছাৰি আৰু ছুতীয়া কছাৰী সমাজক এতিয়ালৈকে 'চিডিউল ট্ৰাইব' বুলি গন্য কৰা হোৱা নাই কিয়, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সকলো বিলাক বিষয়ৰ ওপৰতে চৰকাৰে বৰ্তমান পৰীক্ষা-নিৰীক্ষা চলাই আছে ।

**Re : Use of red light**

Shr. Shio Sambhu Ojah asked :

* 130. Will the Minister, Transport be pleased to state

(a) Who are eligible to use redlight fitted cars ?

(b) Are the Honourable members of Legislative Assemblies also eligible ?

(c) If not, how some members of the ruling party are continuously enjoying the use of State Government red-light fitted Pool cars ?

(d) The total expenditure incurred from January, 1986 to September, 1986 towards providing pool cars to the ruling party member of the House ?

(e) If the Pool cars are provided on payment, has Government received the payment fully upto-to-date ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পুলৰ সকলো গাড়ীত ৰঙাবাতি লগোৱা থাকে। কিন্তু তলত উল্লেখ কৰা ব্যক্তি সকলেহে ৰঙাবাতি ব্যৱহাৰ কৰিব পাৰে।

(১) ৰাষ্ট্ৰপতি (২) উপৰাষ্ট্ৰপতি (৩) ৰাজ্যপাল। উপ-ৰাজ্যপাল (৪) বাহিৰলৈ যোৱা ভাৰতীয় দ্ৰুতৰ মুখ্যনায়ক (৫) প্ৰধান মন্ত্ৰী আৰু অন্যান্য মন্ত্ৰী সভাৰ সতীৰ্থবৰ্গ আৰু মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰী সভাৰ সতীৰ্থবৰ্গ। (৬) লোক সভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ (৭) ৰাজ্যিক বিধান সভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষ (৮) ৰাজ্য সভাৰ উপাধ্যক্ষ (৯) উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ (১০) অসমৰ মুখ্য সচিব (১১) সঞ্চালক প্ৰধান আৰক্ষী বিভাগ (১২) ওপৰত উল্লেখ কৰা বিশেষ ব্যক্তি সকলৰ লগত দিয়া পথ প্ৰদৰ্শক গাড়ী। (১৩) অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী (১৪) এম্বুলেঞ্চ গাড়ী।

(খ) নহয়।

(গ) ৰঙাবাতি যুক্ত সকলোবোৰ পুলৰ গাড়ী বিশেষ জৰুৰী ব্যক্তি, ৰাজ্যিক আলহী, মন্ত্ৰী সকলৰ বাবেহে বিশেষ ভাবে ব্যৱহৃত হয়। যেতিয়া পুলৰ গাড়ী লোকসভা আৰু ৰাজ্যৰ বিধান সভাৰ সদস্য সকলৰ ব্যৱহাৰৰ বাবে দিয়া হয় তেতিয়া ৰঙাবাতি ব্যৱহাৰ নকৰিবলৈ চালক সকলক কঢ়া ভাবে সকিয়াই দিয়া হয় আৰু ৰঙাবাতি ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ একোখনকৈ ঢাকনি লগাবলৈ দিয়া হয়।

(ঘ) ১৯৮৩ চনৰ জানুৱাৰীৰ পৰা চেপ্তেম্বৰ মাহলৈকে ৪১ খন পুলৰ গাড়ীৰ আপদালৰ বাবে ২০৯৬ হাজাৰ টকা খৰচ কৰা হৈছে। এই গাড়ী বিলাক বিধান সভাৰ শাসকীয় দলৰ কোনো সদস্যকে স্থায়ী ভাবে দিয়া নহয়। এই গাড়ী বিলাক মন্ত্ৰী, ৰাজ্যিক আলহী আৰু বিশিষ্ট ব্যক্তিৰ বাবেও ব্যৱহাৰ কৰা হৈছে।

(ঙ) বিধান সভাৰ সদস্য সকলে আংশিক ভাবে ইতিমধ্যে টকা আদায় দিছে আৰু বাকী থকাখিনি আদায়ৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীমকবুল হুছেইন: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক মন্ত্ৰীয়ে ৰেড লাইট ব্যৱহাৰ কৰিব পাৰেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ব্যৱহাৰ কৰিব পাৰে।

## বিষয়: ৰাজধানী প্ৰাথমিক বিদ্যালয়

শ্ৰীদুৰ্গাদাস বড়োৱে সুধিছে:

*১৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দিছপুৰস্থ ৰাজধানী প্ৰাথমিক বিদ্যালয়ৰ বৰ্ত্তমান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা কিমান জনাবনে ?

(খ) ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী অনুপাতে শ্ৰেণী কোঠা নথকাতো সঁচানে ?

(গ) যদি সঁচা ইয়াৰ সমাধানাৰ্থে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ছাত্ৰ-ছাত্ৰী ৮৪৩ জন, শিক্ষক শিক্ষয়িত্ৰী—১০ জন।

(খ) সঁচা।

(গ) এই স্কুলখনত ঠাইৰ অভাৱ, চৰকাৰী কাৰ্য্যালয়ৰ লগত আৰু কাষতে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ থকা বাবে পঢ়া-শুনাৰ পৰিবেশ নথকাত ওচৰৰে অন্য ঠাইলৈ নিব পাৰি নেকি এই বিষয়ে চিন্তা কৰা হৈছে।

শ্ৰীদেব কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, দিশপুৰৰ সচিবালয়ৰ ভিতৰত এখন স্কুল আছে নেকি ? এই স্কুলখন কোনে প্ৰতিষ্ঠা কৰিছে ? সেই স্কুলখন তাত থাকিব লাগে নে নালাগে মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীযতীন মালী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সচিবালয়ৰ ভিতৰত স্কুল থকাটো সত্য। কিন্তু কোনে প্ৰতিষ্ঠা কৰিছিল তাক পিচত জানিব পাৰিম। এই স্কুলখন যে থাকিব নেলাগে তাক অনুভব কৰি থকা হৈছে। শিক্ষা বিভাগৰ পৰা ইয়াৰ ব্যৱস্থা লোৱা হব।

মাননীয় অধ্যক্ষ : এতিয়া স্থগিত থকা ১২৪ নং প্ৰশ্নটো মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

শ্রীদেব কুমাৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, দলং নির্মাণ কৰোতে পৰিকল্পনা লোৱা হৈছে আৰু তাৰ লগতে আঁচনি কৰোতে পলম হৈছে। এই কথাটোৰ আমি উত্তৰ পাইছো। মই পাঠশালা স্কুলত পঢ়ি থকাৰ পৰাই এই দলং খনৰ নির্মাণৰ কাম কৰি থকা হৈছে। এতিয়ালৈকে দলং নির্মাণৰ কাম আমি দেখা নাই। কি কাৰণত দলং নির্মাণৰ কাম বন্ধ হৈ আছে? তাত এটা কেকুৰি আছে। সেই কেকুৰিটোত দৈনিক ট্ৰাক, বাছ বিলাক লুটি খাই পৰে। গতিকে যানবাহন চলাচল কৰাত অসুবিধা হৈছে। আজি ৩৭ বছৰে এই দলং নির্মান নহল আৰু ভৱিষ্যতেও এই দলঙৰ কথাটো চিন্তা কৰিব নোৱাৰি। উজনি অসম আৰু নামনি অসমৰ সংযোগ কৰা এই খনেই একমাত্ৰ দলং। এই দলংখনৰ ব্যৱস্থা লব নে?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী): অধ্যক্ষ মহোদয় আগৰ চৰকাৰৰ দিনত নহব পাৰে। সেই বুলি আমি দোষী নহয়। কাৰণ এইখন এ, জি, পি, চৰকাৰহে। এতিয়ালৈ যদি আৰম্ভ হোৱা নাই তাক চোৱা হব। কিন্তু এই দলঙখন নির্মাণৰ কাৰনে যেতিয়া ঠিকাদাৰক নক্সা দিয়া হৈছিল তেতিয়া কৈছিল যে প্ৰায় ৮ লাখ টকা বেছি পৰিব। এতিয়া যিখন নক্সা দিয়া হৈছে সেই মতেই আৰম্ভ কৰা হব।

মাননীয় অধ্যক্ষ: এতিয়া ১৩২ নং প্ৰশ্নৰ গৃহ মন্ত্ৰীয়ে উত্তৰ দিব—

**Re : New Police Stations**

Shri Silvious Condpan asked :

*132. Will the **Minister, Home,** be pleased to state :

(a) The Number New Police Stations, Police, Out Posts sanctioned by the Government?

(b) The basis of sanctioning of Police Station or Police Out Post in a Particular area?

(c) Whether Government is going to meet the shortage of Police Personnels in different Police Stations/Police Out Posts?

(d) What kind of incentive is given to Police personnel for their gallantry services.

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬ চনৰ বিত্তীয় বছৰটোত এতিয়ালৈকে মুঠ ৫ খন নতুন আৰক্ষী থানা, ২ খন নতুন আৰক্ষী চকীৰ মঞ্জুৰী দিয়া হৈছে।

(খ) কোনো এখন নির্দিষ্ট ঠাইত আৰক্ষী থানা বা চকী মঞ্জুৰী দিবৰ বাবে পুঁজি সাপেক্ষে তলত উল্লেখ কৰা বিষয় সমূহক ভিত্তি হিচাবে ধৰা হয়।

১। এলেকাৰ পৰিমাণ,

২। জনসংখ্যা

৩। ধর্ত্তব্য অভিযোগ পঞ্জীয়নৰ সংখ্যা

৪। ধর্ত্তব্য অভিযোগ অনুসন্ধানৰ সংখ্যা

৫। অস্বাভাৱিক মৃত্যুৰ সংখ্যা,

৬। ফৌজদাৰী কাৰ্য্যবিধি আইনৰ ১০৭, ১০৯, ১১০ আৰু ১৫১ ধাৰাত পঞ্জীভুক্ত অভিযোগৰ সংখ্যা,

৭। পৰ্য্যবেক্ষণত থকা অসৎ চৰিত্ৰৰ লোকৰ সংখ্যা ইত্যাদি।

(গ) সেই বিষয়ে যত্ন কৰা হৈছে।

(ঘ) সাহসীকতাৰ কাৰ্য্যৰ বাবে তলত দিয়া ধৰণে আৰক্ষী লোক সকলক অনুপ্ৰেৰণা দিয়া হয় :

১। ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক। এই পদকৰ বাবে মাহে ৯০ টকা দিয়া হয় আৰু পদকৰ লগত "বাৰ" (বাৰ) থাকিলে তাৰ বাবে প্ৰতিমাহে ৬০ টকাকৈ দিয়া হয়।

২। সাহসীকতাৰ আৰক্ষী পদক আৰু সাহসীকতাৰ অগ্নি সেৱা পদক দিয়া হয়। ( এই পদকৰ বাবে প্ৰতিমাহে ৬০ টকাকৈ দিয়া হয় আৰু এই পদকৰ লগত "বাৰ" (বাৰ) থাকিলে প্ৰতিমাহে ৩০ টকাকৈ দিয়া হয়। )

( No Supplementary Question )

**Re : Death of Parikshit Barman**

Shri Altaf Hussain Mazumdar asked :

*133. Will the Minister, Home be pleased to state :

(a) Is it a fact that Parikshit Barman died at Nalbari due to police firing ?

(b) If so, at which place and under what circumstances police fired and killed him ?

(c) What were the allegations against him ?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্ৰী )য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) আৰু (গ) চৰকাৰে পৰিক্ষীত বৰ্মণৰ মৃত্যুৰ সম্পৰ্কে এক উচ্চ পৰ্য্যায়ৰ তদন্তৰ নিৰ্দেশ দিছে। তদন্তৰ প্ৰতিবেদন পালেহে মৃত্যু আৰু পুলিচৰ গুলি বৰ্ষণৰ কাৰণ সম্পৰ্কে জানিব পৰা হব।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, the result of the Enquiry will be given by the Investigation Committee but according to the police under what Circumstances he was fired ? Because he must have been fired —under what Circumstances he was fired according to the Police ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আগৰ প্ৰশ্নৰ উত্তৰত মই কৈছোৱেই যে গোটেই বিষয়টো উচ্চ পৰ্য্যায়ত তদন্ত চলাই থকা হৈছে। তদন্তৰ পিচতহে বিতং তথ্য ডাঙি ধৰিব পৰা যাব।

**Re : Number of Staff Nurse**

Shri Ardhendu Kumar Dey asked :

*134. Will the Minister, Health be pleased to State :

The Total Number of Staff Nurse and ANMs in the State ?

Shri Chandra Mohan Patowary (Minister Health) replied :

Staff Nurse—720

ANMs—2058.

Dr. Ardhendu Kumar Dey: Sir, will the Minister State whether the ANM are meant for the Sub-Centres and whether the number of ANMs are proportionate to the number of Sub-Centres already sanctioned or will be sanctioned very shortly and if not, whether the Sub-Centres which are running without ANM will be managed by Lady?

Shri Chandra Mohan Patowary (Minister): Honourable Speaker, Sir, every Sub-Centre must have one ANM and this is the general rule. But due to shortage of Staff Nurses and ANMs some Sub Centres and some Hospitals are lacking in this respect. Government has taken necessary action and all possible steps to fulfil the demands, so far as this point is concerned.

Mr. Speaker: Next Question.

**Re: Erosion by river Daipam**

Shri Abdul Jabbar asked:

*135. Will the Minister, Flood Control be pleased to state:

(a) Whether the Government is aware of the fact that the river Daipam is likely to wash away many villages?

(b) If so, the measures taken to avert erosion?

শ্ৰীছামচিং হাঞ্চে (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

(ক) হয়, গৰাখহনীয়াৰ দ্বাৰা আক্ৰান্ত হৈ কিছু অংশ বিধ্বস্ত হোৱাৰ সম্ভাৱনা আছে।

(খ) বিত্তীয় পৰিস্থিতি সুচল হলেই প্ৰতিৰোধৰ আঁচনি লোৱাৰ ব্যৱস্থা কৰা হব।

Shri Abbul Jabbar : Mr Speaker, Sir, the river Daipam is passing through three Constituencies, viz., Udalguri, Majbat and Dalgaon and erosion is taking place in all the Constituencies. So, if the Government does not take appropriate action in proper time many villages will be washed away. Sir, may I know from the Minister when the action will be taken ? If it is not taken urgently, as I have already said, many villages will be washed away.

শ্ৰীছামচিং হাংঞ্চ ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চৰকাৰ ভাল ধৰণেই জ্ঞাত আৰু এই বিষয়ে '(খ)' প্ৰশ্নৰ উত্তৰত কৈছোৱেই যে বিত্তিয় অৱস্থা সুচল হলেই ব্যৱস্থা লোৱা হব।

Mr, Speaker : Next Question.

**Re : Arrest of Ehon Daimary**

Shri Binai Khungur Basumatari asked :

*136. Will the Minister, Home be pleased to state :

(a) Whether, it is true that one Shri Ehon (Youhen) Daimary was arrested by Rowta Police Out post from his village Daiphangkhuti, under Udalguri P. S. in Darrang District on 29th September, 1986 ?

(b) If so, is it true that he was a dacoit ?

(c) If so, is it also true that he died in the police lock-up at Rowta Police Out post after his arrest ?

(d) If not, where is he ?

(e) If Shri Ehon (Youhen) died, then under what circumstances did he died ?

(f) Whether the Government intend to conduct a judicial enquiry into this case ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সচা নহয়।

(খ) হয়।

(গ) মঙ্গলদৈ চিভিল হস্পিতালত তেওঁৰ মৃত্যু হয়। ৰৌতা আৰক্ষী চকীত নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) ডকাইতি কৰা বাবে ইহন দৈমাৰী ৰাইজৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পিচত পুলিচে তেওঁক মঙ্গলদৈ চিভিল হস্পিতাললৈ আনে আৰু তাত ২৮-৯-৮৬ তাৰিখে ৰাতি ৭ বজাত তেওঁৰ মৃত্যু হয়।

(চ) চৰকাৰৰ এনেকুৱা কোনো প্ৰস্তাৱ নাই।

( No Supplementary question )

Mr. Speaker : Question No. 137

**Re : Allocation of amount for Social Forestry**

Shri Abdul Rob Laskar asked :

*137. Will the Minister, Forests be pleased to state :

(a) The amount allotted in the Cachar District in 1984-85 and 1986-87 for the purpose of Social Forestry ?

(b) The amount allotted to each Block in the Cachar District in those years ?

Shri Bharat Chandra Narah ( Minister, Forests) replied :

(a) The amount allotted during 1984-85 is Rs. 58,72,650/- and during 1986-87 is Rs. 61, 91, 924/-under Social Forestry Schemes in Cachar District

(b) Blockwise schemes were not prepared under Social Forestry hence there was no blockwise allocation.

Shri Abdul Rob Laskar : Mr. Speaker, Sir, may I know

from the Honourable Minister whether the money allotted for these two years have been spent ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই চিনাক্তকৰণ আঁচনিৰ কাৰণে যিখিনি পইচা দিয়া হৈছে সেইখিনি খৰচ কৰা হৈছে।

Mr. Speaker : Next question

বিষয়ঃ দৈয়াং নদীৰ দলং

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে:

*১৩৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) দৈয়াং নদীৰ ওপৰত প্ৰস্তাৱিত পকা দলং (আৰ. চি, চি, ব্ৰাজ) ৰ অনুমোদন চৰকাৰে কৰিছে নেকি?

(খ) যদি কৰিছে, ইয়াৰ বাবে কিমান টকা ধৰিছে আৰু ইয়াৰ কাম কোন বছৰৰ পৰা আৰম্ভ হ'ব?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) হয়, উক্ত দলঙৰ নিৰ্মাণৰ প্ৰস্তাৱ বিভাগীয় কমিটিয়ে অনুমোদন জনাইছে।

(খ) উক্ত দলঙৰ অনুমানিক ব্যয় বাবদ প্ৰায় ১৪৪ লাখ টকা ধৰা হৈছে। অহা বিত্তীয় বছৰৰ পৰা এই কামৰ প্ৰয়োজনীয় ব্যৱস্থা হাতত লব পৰা হব বুলি আশা কৰা হৈছে।

(No Supplementary Question)

Mr. Speaker : Next Question

**Re : Budget Estimate for 1986-87**

Shri A. F. Golam Osmani asked :

*139. Will the Chief Minister be pleased to state :

(a) The total budget estimate under the head of plan for the year 1986-87 ?

(b) The total expenditure from the budget outlay for implementation in the 1st and 2nd quarter i. e. from 1st April, 1986 to 30th June, 1986 and from 1st July, 1986 to 30th September, 1936 ? (please give the figure separately for each quarter)

Shri Prafulla Kumar Mahanta (Chief Minister) replied ;

(a) Approved State Plan outay for the year 1986-87 is Rs. 500 crores.

(b) Expenditure from the State Plan outlay during the 1st quarter i. e. from 1st April, 1986 to 30th June, 1986 is Rs. 6090.08 lakhs.

Expenditure from the State Plan outlay during the 2nd quarter i. e. from 1st July, 1936 to 30th September, 1986 is Rs. 8830.72 lakhs.

(No Supplementary Question)

Mr. Speaker : Next Question

বিষয়ঃ পুলৰ গাড়ী

শ্ৰীগোলক ৰাজবংশীয়ে সুধিছে :

*১৪০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান পুলত কিমান গাড়ী আছে ?

(খ) যোৱা জানুৱাৰীৰ পৰা নবেম্বৰ মাহলৈকে এই পুল গাড়ী বিলাক কাক ব্যৱহাৰ কৰিব দিছে সেই বিষয়ে এখন লিষ্ট সদনৰ মজিয়াত দাখিল কৰিবনে ?

(গ) এই পুল গাড়ীবিলাক ব্যৱহাৰ কৰাৰ কাৰণে কোনো ভাড়া জমা হৈছে নেকি, যদি হৈছে কি পৰিমাণৰ টকা জমা হৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বৰ্তমান অসম চৰকাৰৰ পুল পৰিবহন বিভাগৰ মুঠ ৫৩ খন পুলকাৰ

আছে। ইয়াৰ ভিতৰত ১২ খন অচলাবস্থাত আছে। বাকী ৪১ খন গাড়ী চলা অৱস্থাত আছে।

(খ) হয়, ইয়াৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

(গ) হয়, ইয়াৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

শ্ৰীগোলক ৰাজবংশী: মাননীয় অধ্যক্ষ মহোদয়, মই তালিকাখন পাইছো। এই তালিকাত টকা পইচা দিয়াৰ হিচাব নাই। ৪১ খন গাড়ী ৪১ জন মানুহক দিয়া হৈছে। এই গাড়ীবোৰ গোটেই বছৰৰ কাৰণে দিছে নে বেলেগ বেলেগ সময়ৰ কাৰণে দিয়া হৈছে। এতিয়ালৈকে কোনে কোনে টকা আদায় দিছে আৰু কোনে কোনে টকা আদায় দিয়া নাই মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই গাড়ী কেইখন স্থায়ীভাৱে দিয়া হোৱা নাই। কেতিয়াবা আৱশ্যক হলে আমাৰ মাননীয় সদস্যসকলক ব্যৱহাৰ কৰিবলৈ দিয়া হয় আৰু সেই বাবে অনুমতিও লোৱা হয়। লগতে যিসকলে পুলৰ গাড়ী ব্যৱহাৰ কৰিছে তেখেতসকলে নিজৰ দায়িত্বত চাব লাগে। কিছুমানে টকা পইচা দিছে আৰু যিসকলে দিয়া নাই দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

Mr. Speaker: Next Question

## বিষয়: দুলিয়াজানত দুস্কৃতিমুলক কাম

শ্ৰীমতী অমিয়া গগৈয়ে সুধিছে:

*১৪১। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) দুলিয়াজান তৈল নগৰীত অইল ইণ্ডিয়া লিমিটেডৰ চাকৰিৰ সাক্ষাৎকাৰৰ বাবে অহা ভাৰতীয় নাগৰিক সকলৰ ওপৰত স্থানীয় বাসিন্দা নোহোৱাৰ অভিযোগত অপমান ও মাৰধৰ কৰি থকা হৈছে, ও তৈল কোম্পানীৰ বজাৰত অনা অসমীয়া লোকৰ দোকান বলপুৰ্বক কাঢ়ি লৈ বেদখল কৰা হৈছে এই বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে, তেন্তে চৰকাৰে ভাৰতীয় নাগৰিক সুৰক্ষাৰ বাবে কি ব্যৱস্থা লৈছে?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) দুলিয়াজান তৈল নগৰীত চাকৰীৰ কাৰণে পৰীক্ষা দিবলৈ অহা এজন

লোকক তুস্কৃতিকাৰীয়ে মাৰপিট কৰা বুলি এটা গোচৰৰ সন্দৰ্ভত তুলিয়াজান থানাৰ পৰা তদন্ত চলাই থকা হৈছে।

তুলিয়াজান তৈল বজাৰত অনা-অসমীয়া মানুহৰ তিনিখন দোকান তৈল কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে তিনিজন অসমীয়া লৰাই লৈছে। বলপূৰ্বক কাঢ়ি লোৱাৰ কোনো অভিযোগ চৰকাৰে পোৱা নাই।

(খ) আইন শৃংখলা ৰক্ষা কৰাৰ ব্যৱস্থা লোৱা হৈছে।

Shri Altaf Hussain Mazumdar : Mr. Speaker, Sir, this is not the only incident. These things are taking place all over the State and people are harassed at the time of interviews. Will the Government see that in future people are not harassed at the time of interviews ?

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা কোনো অভিযোগ আমি বৰ্তমানেও পোৱা নাই আৰু যদি তেনেকুৱা নিৰ্দিষ্ট অভিযোগ উত্থাপন কৰে তেনেহলে নিশ্চয় ব্যৱস্থা লোৱা হব।

## বিষয় : মাহতলি বজাৰৰ বৈদ্যুতিকৰণ

শ্ৰীগোপীনাথ দাসে সুধিছে :

*১৪২। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ চনত চৰকাৰে বকো সমষ্টিৰ অন্তৰ্গত মাহতলি বজাৰ বৈদ্যুতি-কৰণ কৰাৰ প্ৰস্তাৱ হাতত লৈছেনে ?

(খ) যদি প্ৰস্তাৱ লোৱা হোৱা নাই, তেন্তে উক্ত প্ৰস্তাৱটো গ্ৰহণ কৰিব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নাই লোৱা।

(খ) বৰ্তমানে এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ আঁচনি নাই।

(No Supplementary Question)

**Re : Irrigation Projects**

Shri Digendra Purkayastha asked :

*143. Will the Minister, Irrigation be pleased to state :

(a) When the work of the Irrigation Projects under Dholai Constituency (in Silchar Sub-Division) will be started ?

(b) The name of the Projects and the amounts earmarked for each project ?

Shri Pabin Chandra Deka (Minister, Irrigation) replied :

(a) The work of Ram Manikpur Irrigation Scheme in Dholai Constituency already started. The work of six other Schemes will be started after receipt of technical sanction.

(b) Name of Projects :

| | |
|---|---|
| (1) L. I. S. from river Rukni in Dholai G. P. (Gojalghat area) Ph—I : | Rs. 5·88 lakhs. |
| (2) L. I. S. from river Rukni in Dholai G. P. (Gojalghat area) Ph—II : | Rs. 1.00 lakhs. |
| (3) L. I. S. from river Rukni in Dholai G. P. (Gojalghat area) Ph—III : | Rs. 1.00 lakhs. |
| (4) M. I. S. in Ram-Manikpur area in Silchar Civil Sub-Division : | Rs. 5.89 lakhs. |
| (5) M. I. S. in Chakarcham area in Silchar Civil Sub-Division : | Rs. 5.00 lakhs. |
| (6) Kulicherra Irrigation Scheme (Flow) S. C. Ph—I : | Rs. 2.23 lakhs. |

(7) Providing Irrigation facilities by insallation of Dharmikhal D.T.W. in Dhami Palanghat area under Silchar Civil Sub-Division. : Rs. 4·00 lakhs.

( No Supplementary Question )

বিষয় : মন্ত্ৰীৰ ভ্ৰমণ বানচ

শ্ৰীৰত্নেশ্বৰ চৰকাৰে সুধিছে :

*১৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
অসমত অসম গণপৰিষদ চৰকাৰ গঠন হোৱাৰ পিছৰ পৰা কোন কোন মন্ত্ৰীয়ে কিমান ভ্ৰমণ বানচ ললে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :
গণপৰিষদ মন্ত্ৰী সভা গঠন হোৱা দিনৰ পৰা ৩০।১১।৮৬ ইং লৈ প্ৰতিজন মন্ত্ৰীৰ ভ্ৰমণ বানচৰ হিচাবৰ তালিকা সদনৰ মেজত ৰখা হল।

( No Supplementary Question )

বিষয় : মুগা সুতাৰ উৎপাদন

শ্ৰীপ্ৰদীপ হাজৰীকাই সুধিছে :

*১৪৫। মাননীয় ৰেছম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা বছৰ কেইটাত অসমত মুগাসুতাৰ উৎপাদন ক্ৰমে হ্ৰাস পাই অহাটো চৰকাৰে জানেনে ?

(খ) যদি জানে মুগা উৎপাদনৰ এই নিম্নমুখী গতিৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ?

(গ) যদি লৈছে এই ব্যৱস্থা সমূহৰ বিশদ বিৱৰণ দিব নে ?

(ঘ) মুগাৰ লেটা সংগ্ৰহৰ বাবে বৰ্ত্তমানে ৰাজ্যখনত কেনে ধৰণৰ ব্যৱস্থা প্ৰচলিত আছে আৰু কোন কেইটা ব্যক্তিগত ৰাজহুৱা খণ্ডৰ সংস্থা ইয়াৰ লগত জৰিত ?

(ঙ) বছৰি যথেষ্ঠ সংখ্যক মুগা-লেটা ৰাজ্যখনৰ বাহিৰলৈ গৈ থকা সচানে ?

শ্ৰীনগেন শৰ্মা, (ৰেচম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা বছৰ কেইটাত অসমত মুগা-সূতাৰ উৎপাদন ক্ৰমে হ্ৰাস পাই অহা বুলি কব নোৱাৰি যদিও উৎপাদন আশানুৰূপ বৃদ্ধি নহৈ উঠা-নমা কৰাহে পৰিলক্ষিত হৈছে।

(খ) মুগা উৎপাদন বৃদ্ধি কৰিবলৈ ৰাজ্য চৰকাৰে কেতবোৰ জৰুৰী ব্যৱস্থা হাতত লৈছে।

(গ) এই ব্যৱস্থা সমূহ হ'ল—

(১) মুগা-পলুৰ খাদ্য গছ, চোম আৰু সোৱালু গছৰ সম্প্ৰসাৰণ ঘটোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ ৰেচম সঞ্চালকালয়ে গোপ্‌চাৰ আৰু আন চৰকাৰী মাটিত চোম, সোৱালু গছবোৰৰ আঁচনি প্ৰস্তুত কৰি তাক কাৰ্য্যকৰী কৰিছে।

(২) ৰাজ্যৰ বনানিকৰণ বিভাগৰ জৰিয়তে চৰকাৰী খাচ্‌ মাটি, গোপচাৰ আৰু অন্যান্য মুকলি মাটিত চোম আৰু সোৱালু গছ ৰোৱাৰ আঁচনি হাতত লৈছে আৰু বিনামূলীয়াকৈ গছপুলিৰ যোগান ধৰিছে।

(৩) মুগা-পলুপালকে নিজাকৈ ৰুবৰ বাবেও চৰকাৰে বিনামূলীয়াকৈ গছপুলি আৰু অন্যান্য সা-সুবিধা আগবঢ়াইছে।

(৪) যথাসময়ত চাহিদা অনুপাতে উন্নতমানৰ সঁচুৱা মুগা-পাটৰ যোগান সুনিশ্চিত কৰিবলৈ ৰাজ্যৰ মুগা সঁচ উৎপাদন পাম সমূহত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(৫) ৰাজ্য চৰকাৰৰ উদ্যোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চলৰ কাৰণে মুগাসঁচ উন্নয়ণ প্ৰকল্প কাৰ্য্যকৰী কৰা হৈছে। এই প্ৰকল্পৰ অন্তৰ্গত ৰাজ্যৰ চাৰিখন মুগা-সঁচপাম আৰু দুখন মুগা-সঁচ উৎপাদন কেন্দ্ৰক মুগা পি—২ পামলৈ উন্নীত কৰা হৈছে।

(৬) সঁচুৱা মুগা উৎপাদনকাৰী মুগা পালকক উৎসাহিত কৰিবলৈ আৰ্থিক অনুদানৰ ব্যৱস্থা কৰা হৈছে।

(৭) ৰাজ্য চৰকাৰে নিজাকৈ আৰু কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ জৰিয়তেও মুগা পালকক উন্নত পদ্ধতিত মুগা পালনৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(৮) মুগাপালকে যাতে উৎপাদন উচিত মূল্য লাভ কৰি উৎপাদন বৃদ্ধি কৰিবলৈ উৎসাহ পায় তাৰ কাৰণে ৰাজ্য চৰকাৰে মুগাৰ বজাৰ স্থাপনৰ আঁচনি প্ৰস্তুত কৰিছে আৰু অহা বিত্তীয় বছৰৰ পৰা কাৰ্য্যকৰী কৰাৰ আশা ৰাখিছে। সদ্যহতে পৰীক্ষামূলক ভাৱে মুগা পালকৰ পৰা পোণে পোণে মুগাপাট কিনি সূতাকটাৰ কাম আৰম্ভ কৰা হৈছে।

(৯) মুগা পালকৰ স্বাৰ্থৰক্ষা কৰিবলৈ এখন ৰেচম আইন প্ৰৱৰ্ত্তন কৰাৰ প্ৰস্তুতি হাতত লোৱা হৈছে।

(১০) মুগা শিল্পৰ ক্ষেত্ৰত উচ্চ শিক্ষাৰ ব্যৱস্থা বৰ্ত্তমান দেশৰ ভিতৰতে কতো নাই। ৰাজ্য চৰকাৰে স্থাপন কৰিবলৈ প্ৰস্তুতি চলোৱা ৰেচম মহাবিদ্যালয়ত মুগা শিল্প বিষয়ত উচ্চ শিক্ষা তথা গৱেষণাৰ ব্যৱস্থা ৰখা হৈছে।

(১১) তেল আৰু প্ৰাকৃতিক গেচ আয়োগৰ তেল খাদ, নামৰূপৰ সাৰ কাৰখানা আদিৰ পৰা নিৰ্গত হোৱা গেচ আৰু অন্যান্য দূষিত পদাৰ্থৰ দ্বাৰা মুগা খেতিৰ ক্ষতি সাধন হোৱা বুলি ধাৰণা কৰা হৈছে আৰু এই বিষয়ে যথোচিত সাৱধানতা অৱলম্বনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে।

(১২) অসম তথা উত্তৰ-পূৰ্বাঞ্চলত মুগা উৎপাদন বৃদ্ধিৰ কাৰণে মুগা শিল্পৰ সকলো দিশ সামৰি প্ৰায় ১৩ (তেৰ) কোটি টকা ব্যয় নিৰ্দ্ধাৰণত এটি "মুগা-শিল্প উন্নয়ণৰ প্ৰকল্প" স্থাপনৰ কাম কেন্দ্ৰীয় ৰেচম বোৰ্ডে ৰাজ্য চৰকাৰৰ সহযোগত প্ৰস্তুত কৰিছে।

(ঘ) মুগা-লাট সংগ্ৰহৰ কাৰণে কেন্দ্ৰীয় ৰেচম বোৰ্ডে শিৱসাগৰ জিলাৰ সদৰত এটি মুগাবেংক স্থাপন কৰি কিছু পৰিমাণে সংগ্ৰহৰ কাম কৰি আছে। অসম ৰাজ্যিক বেচা-কিনা নিগমেও মুগা পালকৰ পৰা কিছু পৰিমাণে মুগা লাট কিনে। কিন্তু উৎপাদনৰ সৰহখিনিয়েই ব্যক্তিগত ব্যৱসায়ীয়ে সংগ্ৰহ কৰে আৰু এই মুগা শোৱালকুচিত কটা হয়। ৰাজ্য চৰকাৰৰ ৰেচম বিভাগে মুগা কিনাৰ ব্যৱস্থা আগতে লোৱা নাছিল। চলিত বছৰৰ পৰা পৰীক্ষামূলক ভাৱে কিছু পৰিমাণে মুগা কিনি বিভাগীয় ভাৱে সূতাকটাৰ ব্যৱস্থা কৰা হৈছে। অহা বছেৰেকীয়া পৰিকল্পনাত মুগাৰ বজাৰ স্থাপনৰ আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে যাতে মুগা পালকসকলে উৎপাদনৰ উচিত মূল্য হাতে হাতে পাব পাৰে।

(ঙ) মুগাৰ লেটা ৰাজ্যৰ বাহিৰলৈ গৈ থকাৰ প্ৰমাণ বৰ্ত্তমানলৈকে চৰকাৰৰ হাতত নাই।

( No Supplementary Question )

Mr. Speaker : Replies given are elaborate and I think no further Supplementary is not necessary. Next Question please.

বিষয়: সমবায় উপদেষ্টা পৰিষদ গঠন

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

*১৪৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ৰাষ্ট্ৰীয় সমবায় নীতিৰ ভিত্তিত অসমৰ সমবায় আন্দোলন জনমুখী আৰু অধিক শক্তিশালী কৰি গঢ়ি তোলাৰ উদ্দেশ্যে এখন ৰাজ্যিক সমবায় উপদেষ্টা পৰিষদ গঠন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) সমবায় দৰ্শন, নীতি আৰু আদৰ্শৰ প্ৰতি আস্থাবান আৰু কাৰ্য ক্ষেত্ৰত জ্ঞান আৰু অভিজ্ঞতাৰে পৰিপুষ্ট ব্যক্তি আৰু সংশ্লিষ্ট বিভাগ, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিক লৈ এখন ৰাজ্যিক সমবায় উপদেষ্টা পৰিষদ গঠন কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (সমবায় বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) এনে সমবায় উপদেষ্টা পৰিষদ গঠন কৰাৰ প্ৰস্তাৱ বৰ্তমানে চৰকাৰৰ হাতত নাই।

(খ) এই সম্পৰ্কে চৰকাৰে বিবেচনা কৰিব।

শ্ৰীদীনবন্ধু চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে অহা মাৰ্চ মাহৰ ভিতৰত উপদেষ্টা পৰিষদ গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমাৰ কালৰ পৰা যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম।

## বিষয়ঃ স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ

শ্ৰীদিলিপ কুমাৰ শইকীয়াই সুধিছে :

*১৪৭। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিয়া বন্ধ কৰি দিয়াৰ বাবে ৰাইজৰ যথেষ্ট অসুবিধা হোৱাৰ কথা চৰকাৰে জানেনে ?

(খ) কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান-প্ৰতিষ্ঠানত ( শিক্ষা অনুষ্ঠানকে ধৰি ) ভৰ্ত্তি হবৰ বাবে স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰৰ প্ৰয়োজন হয় বুলি চৰকাৰ অবগতনে ?

(গ) কিয় মাটিৰ পট্টা আৰু স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিয়াৰ ভিত্তি হিচাবে লোৱা হোৱা নাই জনাবনে ?

(ঘ) স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিয়া বন্ধ কৰি দিয়াত নিয়োগ বিনিময় কেন্দ্ৰ সমূহত বিদেশী নাগৰিকৰ নাম পঞ্জীভুক্ত হোৱাত বাধা দিবলৈ চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে ?

(ঙ) স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিয়াৰ বিধি নিয়ম সমূহৰ আমুল পৰিবৰ্তন কৰি চৰকাৰে এটা সুপ্ৰমানিত ব্যৱস্থা কৰিবলৈ আয়োজন কৰিছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কোনো নিৰ্দিষ্ট অভিযোগ চৰকাৰৰ ওচৰত উত্থাপন কৰা হোৱা নাই।

(খ) কোনো কোনো ক্ষেত্ৰত আৱশ্যক বুলি জনা হয়।

(গ), (ঘ) আৰু (ঙ) —এই গোটেই বিষয়টো সংবিধান আৰু আইনগত দিশৰ পৰা বিবেচনাধীন হৈ আছে।

শ্ৰীদিলিপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ? থলুৱা বাসিন্দাৰ পৰা প্ৰমান পত্ৰ লোৱাৰ ব্যৱস্থা কৰিবনে ? দলে, শইকীয়া, বৰা, হাজৰীকা তেনে লোকৰ পৰা স্থায়ী প্ৰমান পত্ৰ লোৱাৰ ব্যৱস্থা কৰা হব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : অধ্যক্ষ মহোদয়, গোটেই প্ৰশ্নটো বিবেচনাধীন হৈ আছে।

## বিষয় ঃ অসম আৰু অৰুণাচলৰ সীমা সমস্যা

শ্ৰীদিলিপ কুমাৰ শইকীয়াই সুধিছে ঃ

*১৪৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম অৰুণাচলৰ আন্তঃপ্ৰাদেশিক সীমাৰ সমস্যাটো কি পৰ্য্যায়ত আছে জনাবনে ?

(খ) এই ক্ষেত্ৰত শীঘ্ৰে ব্যৱস্থা কৰিব পৰা কথাটো চৰকাৰে ভাবিছে নেকি ?

(গ) যদি ভাবিছে, কেতিয়াৰ পৰা কাৰ্যকৰী কৰা হব জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম আৰু অৰুনাচলৰ চিহ্নিত নকৰা অংশটো শীঘ্ৰে চিহ্নিত কৰিবলৈ দুয়োখন ৰাজ্যৰ মাজত আলোচনাৰ কাম চলি আছে।

(খ) বিষয়টো শীঘ্ৰে সমাধা কৰাৰ বাবে অসম চৰকাৰ ইচ্ছুক।

(গ) যিহেতু বিষয়টো দুয়োখন ৰাজ্যৰ সম্মতি সাপেক্ষেহে কাৰ্য্যকৰি কৰা হব, গতিকে এক পক্ষীয় ভাবে নিৰ্দিষ্ট তাৰিখ এটা কব পৰা নগৱ।

শ্ৰীদিলিপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আমি জানিব বিচাৰো যে যোৱা ২১ নবেম্বৰ তাৰিখে হৈ যোৱা উলুং ৰিজাৰ্ভ ফৰেষ্টত অসম অৰুণাচলৰ আন্তঃপ্ৰাদেশিক সীমাৰ বিষয়ে চৰকাৰে কি বিহিত ব্যৱস্থা লৈছে।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো আমাৰ চৰকাৰে অৰুণাচল চৰকাৰৰ পৰা বহুলভাৱে পোৱা হৈছে।

## বিষয় ঃ বৰগাং নদীৰ গৰাখহনীয়া

শ্ৰীস্বৰূপ উপধ্যায়ে সুধিছে ঃ

*১৪৯। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৮৪-৮৫, বা ১৯৮৫-৮৬ চনত বৰগাং নদীৰ বৰজাৰণী গৰাখহনীয়া প্ৰতিৰোধৰ কিবা আঁচনি লোৱা হৈছিল নে ?

(খ) যদি হৈছিল উক্ত আঁচনিত মুঠ ধাৰ্য্য ধনৰ পৰিমাণ কিমান আৰু উক্ত আঁচনিৰ কাম কিমানদূৰ আগবাঢ়িছে।

শ্ৰীভৰত চন্দ্ৰ নৰহ (ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৪-৮৫ চনত বৰগাং নদীৰ বৰজাৰনী গড়াখহনীয়া প্ৰতিৰোধৰ বাবে নদী প্ৰশিক্ষণ আঁচনি লোৱা হৈছিল।

(খ) বৰগাং নদীৰ বৰজাৰনী গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ১৯৮৪-৮৫ চনত মুঠ ৪ (চাৰি লাখ) টকা মঞ্জুৰ কৰা হৈছিল। উক্ত আচনিৰ কাম সম্পূৰ্ণ কৰা হৈছে।

(No Supplementary Question)

## বিষয় : প্ৰাকৃতিক দুৰ্যোগৰ পিছত জলসিঞ্চনৰ ব্যৱস্থা

শ্ৰীদুৰ্গা দাস বড়োৱে সুধিছে :

*১৫০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) হৈ যোৱা, খৰাং বতৰৰ দৰে ভবিষ্যতত হব পৰা প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হ'ব পৰাকৈ জলসিঞ্চনৰ কি ব্যৱস্থা চৰকাৰে হাতত লৈছে ?

(খ) খেতিৰ বাবে পানী যোগানৰ সুবিধা ক্ৰমে ক্ৰমে হ্ৰাস পাই অহা অঞ্চল সমূহত যুদ্ধ কালীন গতিৰে জলসিঞ্চনৰ সুবিধা আগবঢ়াই কৃষক সকলৰ সহায় কৰাৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীপ্ৰবীন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমৰ জলসিঞ্চনৰ সামৰ্থ্য ক্ৰমান্বয়ে বঢ়াই অহা শতিকাৰ প্ৰাৰম্ভতে জলসিঞ্চন কৰিব পৰা সকলো মাটি সামৰি লবৰ বাবে পৰিকল্পনা কৰা হৈছে আৰু বাৰ্ষিক পৰিকল্পনাৰ বৰাদ্দ (Plan allocation) সাপক্ষে আঁচনি সমূহ পৰ্যায়ক্ৰমে গ্ৰহণ কৰা হৈছে।

(খ) জলসিঞ্চন উন্নয়ন পৰিকল্পনাৰ অধীনত ভূপৃষ্ঠৰ উপৰি ভাগৰ পানীৰ উৎসৰ ওপৰত নিৰ্ভৰশীল নতুন নতুন জলসিঞ্চন আঁচনি লোৱাৰ ফলত তেনে উৎসৰ পৰা খেতিৰ বাবে পানী যোগানৰ সুবিধা ক্ৰমে ক্ৰমে হ্ৰাস পাই অহা অঞ্চল সমূহত নলী নাদৰ সহায়ত ভজল (Ground Water) ব্যৱস্থা কৰি সম্ভৱপৰ জলসিঞ্চনৰ সুবিধা আগবঢ়োৱা হ'ব। কৃষিৰ বাবে অসমৰ ভজল সম্পদ (Ground Water resource) ৰ ব্যৱস্থাৰ

ক্ষিপ্রতৰ কৰিবলৈ বাৰ্ষিক পৰিকল্পনাত ক্ৰমান্বয়ে অধিক নলীনাদ আঁচনি গ্ৰহণ কৰা হৈছে।

চৰকাৰী নলীনাদৰ আঁচনিৰ উপৰিও অসম ৰাজ্যিক ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগমৰ দ্বাৰা অনুস্থানীয় বিত্তিয় কৃষকৰ সাহায্য ( ইন্দাষ্ট্ৰিয়েল ফাইনেন্স)ৰ জৰিয়তে কৃষকৰ নিজা অগভীৰ নলীনাদ আঁচনিৰ ক্ষিপ্ৰ প্ৰসাৰ ঘটোৱা হৈছে ।

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় অধ্যক্ষ মহোদয়, প্ৰয়োজন থকা স্বত্বেও সেই অঞ্চলত পানী যোগানৰ ব্যৱস্থা লৈছে নে ? প্ৰয়োজন থকা অঞ্চলত ৰাজনৈতিক হেচাতহে পানী যোগানৰ ব্যৱস্থা লৈছে ?

শ্ৰীপ্ৰবীন ডেকা (মন্ত্ৰী) : অধক্ষ মহোদয়, পানী যোগানৰ আঁচনি লওতে ৰাজনীতিক প্ৰাধান্য দিয়া নহয় । খেতিয়কক সুবিধা আৰু মাটিৰ গুণাগুণ পৰীক্ষা কৰিহে আঁচনি সমূহ লোৱা হয় ।

## Re : Sonabarihat Health Centre

Shri Muktar Hussain asked :

*151 Will the Minister, Health be pleased to state :

(a) Whether it is a fact that six beds were sanctioned to be opened to the Subsidiary Health Centre, Sonabarighat, Cachar ?

(b) If so, whether it is a fact that beds have not yet been opened in the hospital and if not, why ?

(c) Whether it is a fact that there is complain against the incharge doctor of the hospital ?

Shri Chandra Mohan Patowary (Minister, Health) replied :

(a) No.

(b) Does not arise.

(c) Government have no information about the complain against the in-charge of the hospital.

( No Supplementary Questions )

Mr. Speaker : Now next Question.

## বিষয় : বশিষ্ঠাশ্ৰমৰ পাৰিপাৰ্শ্বিকতা

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

* ১৫২ মাননীয় পাৰিপাৰ্শ্বিকতা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটীত অৱস্থিত বশিষ্ঠ আশ্ৰমৰ পৌৰাণিক ঐতিহ্য সংৰক্ষণৰ বাবে এই আশ্ৰমৰ পাৰিপাৰ্শ্বিক স্বকীয় পৰিবেশ ধ্বংস কৰা বেদখলকাৰী সকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'বনে ?

(খ) বশিষ্ঠাশ্ৰমৰ ঐতিহাসিক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশ অটুত ৰাখিবৰ বাবে চৰকাৰে চিন্তা কৰিছে নে ?

(গ) যদি কৰিছে, তেনেহলে আঁচনিখনৰ সবিশেষ জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী ( পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ;

(ক) গুৱাহাটীত অৱস্থিত বশিষ্ঠ আশ্ৰমৰ মাটি কোনো শিল্পোদ্যোগে বেদখল কৰা নাই 'আৰু শিল্প উদ্যোগৰ পৰা বশিষ্ঠ আশ্ৰমৰ পাৰি-পাৰ্শ্বিক স্বকীয় পৰিবেশ ধ্বংস হোৱা নাই ।

(খ) শিল্প উদ্যোগৰ পৰা বশিষ্ঠাশ্ৰমৰ পৰিবেশ দূষিত নোহোৱাৰ বাবে অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদে বৰ্তমানে এই বিষয়ে চিন্তা কৰা নাই ।

(গ) অসম পানী আৰু বায়ু প্ৰদূষণ নিবাৰণ আৰু নিয়ন্ত্ৰণ পৰিষদৰ বৰ্তমানে কোনো আঁচনি নাই ।

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, দৰ্শনাৰ্থী সকলে এনে-বিলাক কাৰণতে আৰু অন্যান্য কিছুমান কাৰণত তালৈ যাব নোৱাৰা কথাটো সঁচানে ?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ফালৰ পৰা ইয়াত যিটো প্ৰশ্ন কৰিছে সেই ক্ষেত্ৰত দেখা যায় পাৰিপাৰ্শ্বিক আৰু পৰিবেশ ধ্বংস হোৱা নাই ।

## বিষয় ঃ পৰিবহন নিগম আস্থান নিৰ্মাণ

শ্ৰীচিলবিউজ কন্দপানে সুধিছে ঃ

১৫৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ৰৌতা চাৰিআলি, ওৰাং আৰু মাজবাটত ৰাজ্যিক পৰিবহন নিগমে আস্থান নিৰ্মাণ কৰাৰ আঁচনি লৈছেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

আঁচনি লোৱা নাই ।

শ্ৰীচিলবিউচ কন্দপান ঃ আঁচনি যদি লোৱা হোৱা নাই, ৰাজহুৱা স্বাৰ্থৰ খাতিৰত আঁচনি লোৱা কথাটো বিবেচনা কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী)ঃ এতিয়ালৈকে বিবেচনা কৰা হোৱা নাই, তথাপিতো মই চেষ্টাৰ ক্ৰুটি নকৰো ।

**Re : Panchayati Raj Bill**

Shri Abdul Muqtadir Choudhury asked :

*154. Will the Minister, Panchayat be pleased to state :

(a) Whether the Panchayati Raj Bill, 1986 passed by the House, received the assent of the President of India ?

(b) If so, when ?

(c) Whether the delimitation Gaon Panchayat has been notified ?

Shri Chandra Arandhara (Minister, Panchayat) replied :

(a) Yes, the Government in the Judicial Department has received information that the Honourable President of India has assented the Bill on 23rd November 1986.

(b) Received the informations very recently.

(c) The notifications on delimitation of the Gaon Panchayats have not been issued so far.

Shri Abdul Muqtadir Choudhury : Sir, is it a fact that delimitation process has been completed by the District Administration long back but this is lying in the department without any action.

Shri Chandra Arandhara ( Minister Panchayat ) : Sir, probably the Honourable member knows that before receiving the assent of the President of India although the delimitation work has been completed, we cannot make any publication.

Mr. Speaker : Now, next question No. 155

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

*১৫৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

দৰ্শনাৰ্থীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতৰ ভিতৰতে প্ৰসিদ্ধ তীৰ্থ স্থান কামাখ্যা দেৱী মন্দিৰৰ পৰিচালনাৰ ভাৰ অসম চৰকাৰে নিজৰ হাতলৈ আনি দাক্ষিনাত্যৰ তিৰুপতি মন্দিৰৰ আৰ্হিৰে কামাখ্যা মন্দিৰৰ ৰক্ষণাবেক্ষণৰ ভাৰো চৰকাৰে গ্ৰহণ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

তেনে ধৰণৰ কোনো প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই।

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় সদস্য দিলীপ কুমাৰ শইকীয়াৰ প্ৰশ্নটো এবাৰ আহি গৈছে ১বাৰ আকৌ কেনেকৈ এই প্ৰশ্নটো আহিল এইটো জনাব লাগে কিয়নো আমাৰ বহুতো প্ৰশ্ন আহিবলৈ বাকী থাকিল অথচ এটা প্ৰশ্ন দুবাৰ আহিছে ।

মাননীয় অধ্যক্ষ : এইটো মই অনুসন্ধান কৰি চাম ।

## বিষয় : বিনামূলীয়া ভ্ৰমণ

শ্ৰীচিলবিউচ কন্দপানে সুধিছে :

*১৫৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যৰ ভিতৰত ৰাজহুৱা কামত পৰিবহন নিগমৰ বাছত বিধায়ক সকলক বিনা ভাড়াত ভ্ৰমণ কৰাৰ কথা চৰকাৰে ভাবিছেনে ?

(খ) পৰিবহন নিগমৰ বাছবোৰ নিয়মীয়াকৈ চলাচল নকৰাৰ বাবে আৰু বাছবোৰ জৰাজীৰ্ণ অৱস্থাত থকাত জনসাধাৰণে পৰিবহন নিগমৰ সেৱাৰ প্ৰতি মোহ হেৰুৱাটো চৰকাৰে জানেনে ?

(গ) যদি জানে কি ব্যৱস্থা লৈছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈ ভবা নাই । আৰু বিনামূলীয়া ভ্ৰমণৰ বিষয়ে ব্যৱস্থা কৰা নাই ।

(খ) জানে ।

(গ) পুৰণা বাছৰ সমান পাৰ্য্যমানে নতুন বাছদি সেৱাবোৰ অধিক নিয়মীয়া কৰিবলৈ চেষ্টা কৰি থকা হৈছে ।

( No Supplementary Question )

Mr. Speaker : Now Next Question Honourable Member, Shri Debeswar Bora.

## বিষয় : B. Pharma ৰ ছাত্ৰ-ছাত্ৰীৰ অসুবিধা

শ্ৰীদেৱেশ্বৰ বৰাই সুধিছে :

*৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ B. Pharma ৰ ছাত্ৰ-ছাত্ৰী সকলৰ অসুবিধাৰ বিষয়ে চৰকাৰে জনাবনে ?

(খ) যদি হয়, এই অসুবিধাবোৰ দূৰ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ "বি, ফাৰ্ম" ৰ ছাত্ৰ ছাত্ৰীৰ অসুবিধাৰ বিষয়ে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা চৰকাৰে জানিব পাৰিছে যে গৃহ নিৰ্মাণ, শিক্ষক নিযুক্তি, লেবৰিটৰি ফিটিং ছাত্ৰ বাসৰ ব্যৱস্থা ইত্যাদি বিষয়লৈ ছাত্ৰসকলে অভিযোগ দিছিল ।

(খ) এই অভিযোগ সমূহ দূৰ কৰিবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জনাইছে ।

( No Supplementary Question )

Mr. Speaker : Now Next Question.

**Re : Provincialisation of Schools**

Shri Digendra Purkayastha asked :

*158 Will the Minister, Education be pleased to state :

(a) Whether the Schools recognised by SEBA during the year 1983-84 and 1985-86 will be provincialised within this financial year ?

(b) If so, the total number of such Schools in Cachar District Circle ?

শ্ৰীবৃন্দাবন গোস্বামী 'শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৩ চনত মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত মুঠ ৬১ খন হাইস্কুল ইতিমধ্যে প্ৰাদেশিকীকৰণ কৰা হৈছে। ১৯৮৪, ১৯৮৫ আৰু ১৯৮৬ চনত স্বীকৃতিপ্ৰাপ্ত হাইস্কুল সমূহ প্ৰাদেশিকৰণ কৰিবলৈ বৰ্ত্তমান কোনো প্ৰস্তাৱ নাই।

(খ) কাছাৰ জিলাত ১৯৮৪ চনত স্বীকৃতিপ্ৰাপ্ত মুঠ ৬ খন বিদ্যালয় আছে। বৰ্ত্তমান পুঁজিৰ অভাৱত ১৯৮৪ চনৰ কোনো বিদ্যালয় প্ৰাদেশিকীকৰণৰ প্ৰস্তাৱ লোৱা হোৱা নাই।

( No Supplementary Question)

Mr. Speaker : Any Supplementary ? Now next Question.

**Re : Realisation of Tolls**

Shri Maziruddin Ahmed asked :

* 159. Will the Minister, Transport be pleased to state :

(a) Is it a fact that the lessee of Pancharatna Jogighopa Ghat has been realising Tolls for crossing of Trucks

at more than the schedule rate i. e. Rs. 90 on place of Rs. 67.50 for loaded Trucks and 66% in place of Rs. 31.50 ?

(b) If so, whether the Government has taken steps to stop the same ?

Shri Lalit Chandra Rajkhowa (Minister Transport) replied :

(ক) নহয়।

(খ) প্ৰশ্ন নুঠে।

শ্ৰীমাজিৰুদ্দীন আহমেদ : মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ে এটা তদন্ত কৰিবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : মই এই ক্ষেত্ৰত এটা বিবেচনা কৰিম।

Mr. Speaker : Next Question.

### বিষয় : বাজেট সঞ্চালকৰ পদ

শ্ৰীদীনবন্ধু চৌধুৰীয়ে সুধিছে :

*১৬০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যিক বিত্তবিভাগৰ অধীনত এটা বাজেট সঞ্চালকৰ পদ থকাটো সচাঁনে ?

(খ) যদি সচাঁ, উক্ত পদটো কেতিয়া সৃষ্টি কৰা হৈছিল আৰু উক্ত পদত থকা ব্যক্তি সকলৰ নাম কি ?

(গ) উক্ত পদটো কি পদ্ধতিৰে পূৰণ কৰা হৈছিল ?

(ঘ) ১৯৮৫ চনৰ ১ জুলাইৰ পৰা ১৯৮৬ চনৰ ৩০ জুনলৈ উক্ত পদত নিযুক্তি ব্যক্তিজন এগৰাকী অৱসৰপ্ৰাপ্ত চৰকাৰী বিষয়া নেকি ?

(ঙ) উক্ত ব্যক্তিজনৰ কাৰ্য্যকাল ১৯৮৬ চনৰ ৩০ জুনৰ পৰা আকৌ বঢ়াই দিয়া হৈছে নেকি ?

(চ) যদি হৈছে, কেতিয়ালৈ আৰু কি বিশেষ বিবেচনাৰে বঢ়াই দিয়া হৈছে ?

(ছ) ওপৰৰ (ঘ) প্ৰশ্নত উল্লেখ কৰা বিষয়া গৰাকীক জয়পুৰলৈ কোনো প্ৰশিক্ষণৰ বাবে চৰকাৰে পঠোৱা সচাঁনে ?

(জ) যদি সচা, কেতিয়া কিমান দিনৰ বাবে কি প্ৰশিক্ষণৰ বাবে আৰু কি বিবেচনাৰে প্ৰশিক্ষণলৈ পঠোৱা হৈছিল জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সচঁা।

(খ) এই সঞ্চালকৰ পদটো ১৯৮৫ চনৰ জুন মাহত সৃষ্টি কৰা হয় আৰু পদাধিকাৰী শ্ৰীগোপব্ৰত দাসগুপ্ত।

(গ অসম লোকসেৱা আয়োগৰ বিনিয়ম ৩ (চ) ৰ মতে পুৰণ কৰা হৈছে।

(ঘ) হয়।

(ঙ) ১৯৮৬ চনৰ পহিলা জুলাইৰ পৰা এবছৰৰ বাবে কাৰ্য্যকাল বঢ়াই দিয়া হৈছে।

(চ) ১৯৮৭ চনৰ ৩০ জুনলৈ। বাজেট বিভাগৰ কাম কাজ জটিল আৰু শ্ৰম সাপেক্ষ। বিষয়টোৰ ওপৰত সম্যক জ্ঞান নেথাকিলে বাজেট প্ৰস্তুত কৰা অসুবিধা হৈ পৰে। সেইবাবে বিষয়া আৰু কৰ্মচাৰী সকলৰ বাজেট সম্পৰ্কীয় কামৰ তত্বাবধান আৰু নিৰ্দ্দেশনৰ অত্যন্ত আৱশ্যক। তাৰোপৰি ভাৰত চৰকাৰে ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা বাজেটৰ শীৰ্ষ শিতান, ক্ষুদ্ৰ শিতান আদিৰ ব্যাপক সালসলনি কৰিছে। অহা বিত্তীয় বছৰৰ বাজেটখন এই নতুন শীৰ্ষ শিতান আৰু ক্ষুদ্ৰ শিতানেৰে প্ৰস্তুত কৰিব লাগিব। এই জটিল আৰু বৃহত কামটো সুচাৰুৰূপে কৰিবলৈ বাজেট বিভাগত সুদক্ষ বিষয়াৰ প্ৰয়োজন এনে পৰিস্থিতিতে শ্ৰীদাসগুপ্তৰ পুন : নিয়োগৰ কাৰ্য্যকাল বঢ়াই দিয়া হৈছে।

(ছ) আৰু (জ) বিষয়াজনক জয়পুৰলৈ কোনো প্ৰশিক্ষণৰ বাবে পঠোৱা হোৱা নাছিল। অসম চৰকাৰৰ ৰাজপত্ৰিত বিষয়াৰ বেতন আৰু কৰ্মচাৰী সকলৰ ভৱিষ্যনিধি, পেঞ্চন আদি চৰকাৰে পোনপটিয়াকৈ দিয়া আৰু তাৰ হিচাপ সংৰক্ষণ কৰা বিষয়টো ৰাজস্থান চৰকাৰে উক্ত বিষয়ত গ্ৰহণ কৰা ব্যৱস্থা পাতিৰ বিষয়ে অধ্যয়ন আৰু এনে ব্যৱস্থা অসম ৰাজ্যত প্ৰয়োগ কৰা আদিৰ সম্যক জ্ঞান আহৰণ কৰিবলৈ অসমৰ গণনা অধিকৰ্ত্তাৰ লগতহে তেখেতক জয়পুৰলৈ পঠিওৱা হৈছিল।

( No Supplementary Question )

Mr, Speaker : Next Question.

**Re : Fire Brigade Station at Tinsukia**

Shri Siho Sambhu Ojah asked

*161. Will the Minister, Home be pleased to state :

(a) Whether Government is were of the present condition of functioning of the State Fire Brigade situated at Tinsukia ?

(b) If so why despite the assurance of the Minister there has been no improvement is the functioning of the State Fire Brigade, Tinsukia ?

শ্ৰীভৃগুকুমাৰ ফুকন (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰে জানে। তিনিচুকীয়াত অৱস্থিত অগ্নি নিৰ্বাপক বাহিনীৰ কেন্দ্ৰটো আচলতে এটা উপকেন্দ্ৰ। এটা উপকেন্দ্ৰত থাকিব লগা সা-সজুলি এই উপকেন্দ্ৰটোত আছে। এই উপকেন্দ্ৰটোত পৌৰ প্ৰসাশনৰ এটা ভাড়া ঘৰত অস্থায়ীভাৱে ৰখা হৈছে।

(খ) চেষ্টা কৰি থকা হৈছে। প্ৰয়োজনীয় মাটিৰ অভাৱত তিনিচুকীয়াত অগ্নি নিৰ্ব্বাপক বাহিনীৰ বাবে নিজা ঘৰ সাজিব পৰা নাই। মাটিৰ বাবে ডিব্ৰুগড় জিলাৰ উপায়ুক্তক কোৱা হৈছে, প্ৰয়োজনীয় মাটিৰ ব্যৱস্থা হলেই অগ্নি নিৰ্ব্বাপক বাহিনীৰ নিজা ঘৰ সাজি উপকেন্দ্ৰটোক উন্নীত কৰি এটা পূৰ্ণ পৰ্য্যায়ৰ কেন্দ্ৰ কৰা হব।

( No Supplementary Question )

**বিষয় : বানপানী নষ্ট হোৱা জলসিঞ্চন প্ৰকল্প**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*১৬২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোলাঘাট মহকুমাত হৈ যোৱা প্ৰবল বানে কিমান জলসিঞ্চন প্ৰকল্প অনিষ্ট সাধন কৰিলে তাৰ সম্পূৰ্ণ তথ্য দাঙি ধৰিবনে ?

(খ) অনিষ্ট হোৱা প্ৰকল্পৰ টকাৰ পৰিমান কিমান হব ?

(গ) ইয়াৰ মেৰামতিৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গোলাঘাট মহকুমাত হৈ যোৱা প্ৰবল বানে ২০টা জলসিঞ্চন প্ৰকল্প অনিষ্ট সাধন কৰিলে।

(খ) অনিষ্ট হোৱা প্ৰকল্পৰ অনুমানিক টকাৰ পৰিমান ৯১.৮৩ লাখ টকা।

(গ) ইয়াৰ মেৰামতিৰ বাবে বিতং প্ৰাক্কলন কৰা হৈছে। নিবিদা আহ্বান কৰি মেৰামতিৰ কাম হাতত লোৱাৰ ব্যৱস্থা লৈছে।

( No Supplementary question )

## বিষয় : খণ্ড উন্নয়ণৰ পুনৰ গঠন

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

*১৬৩ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰে অসমৰ খণ্ড উন্নয়ণবোৰ পুনৰ গঠণৰ বাবে যোৱা সিদ্ধান্ত কিমান দূৰ কাৰ্য্যকৰী হৈছে ?

(খ) গোলাঘাট সমষ্টিত খণ্ড উন্নয়ণ দুটা গঠন কৰা হ'লনে ?

(গ) যদি হোৱা নাই, কিয় হোৱা নাই ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) উন্নয়ণ খণ্ড সমূহৰ পুণৰ গঠনৰ বিষয়টো বৰ্ত্তমানে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) আৰু (গ) এই সিদ্ধান্তৰ পাচত গোলাঘাটকে ধৰি সকলো সমষ্টিতে উন্নয়ণ খণ্ড গঠণৰ ব্যৱস্থা কৰা হব।

( No Supplementary Question )

## বিষয় : পঞ্চায়ত কৰ্মচাৰীৰ চাকৰি

শ্ৰীআব্দুল জলিলে সুধিছে :

*১৬৪ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) পঞ্চায়ত কৰ্মচাৰী সকলৰ চাকৰী চৰকাৰীকৰণ কৰা আৰু তেওঁলোকৰ দৰমহাৰ টকা দিবলৈ চৰকাৰে কৰা ঘোষণা কাৰ্য্যকৰী কৰা হ'লনে ?

(খ) যদি হৈছে, কিমান জন মুঠ কৰ্মচাৰীৰ চাকৰী চৰকাৰীকৰণ কৰা হ'ল আৰু কিমান টকা দৰমহাৰ বাবে দিয়া হ'ল ?

(গ) যদি হোৱা নাই, কেতিয়া তেওঁলোকৰ দাবী চৰকাৰে মানিব ?

(ঘ) তেওঁলোকক চৰকাৰে আশ্বাস দিও, সেই কাম নকৰাৰ বাবে তেওঁলোকে প্ৰতিক অনশন ধৰ্মঘট কৰিব বিচৰাটো সচাঁনে ?

(ঙ) যদি সচাঁ হয়, তেওঁলোকক দিয়া প্ৰতিশ্ৰুতি চৰকাৰে সহানুভূতিৰে বিবেচনা কৰি কাৰ্য্যকৰী কৰিবনে ?

(চ) যদি কৰে কেতিয়া কৰিব ?

(ছ) যদি নকৰে কিয় ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( পঞ্চায়ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬ চনৰ অসম পঞ্চায়তী ৰাজ আইন অনুসৰি গাঁও পঞ্চায়তৰ সম্পাদক জনক চৰকাৰে নিযুক্তি দিয়াৰ ব্যৱস্থা আছে ।

(খ) ১৯৮৬ চনৰ পঞ্চায়তী ৰাজ আইন খনত ৰাষ্ট্ৰপতিয়ে কেইদিনমান আগতে সম্মতি প্ৰদান কৰিছে, যথা সময়ত এই আইন অনুসৰি কাৰ্য্য ব্যৱস্থা লোৱা হব ।

(গ) এই প্ৰশ্নৰ উত্তৰ (ক) আৰু (খ) ত দিয়া হৈছে ।

(ঘ) সদৌ অসম পঞ্চায়ত কৰ্মচাৰী সকলক দিয়া আশ্বাস অনুসৰি চৰকাৰে কাৰ্য্য ব্যৱস্থা লৈ আছে । সদৌ অসম পঞ্চায়ত কৰ্মচাৰী সন্থাৰ ফালৰ পৰা প্ৰতিক অনশন ধৰ্মঘট কৰিবলৈ বিছাৰিছিল, যদিও চৰকাৰে লোৱা কাৰ্য্য ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে প্ৰস্তাৱিত অনশন ধৰ্মঘট সাময়িক ভাবে স্থগিত ৰখাৰ সিদ্ধান্ত লয় ।

(ঙ) পঞ্চায়ত কৰ্মচাৰী সকলক বিভিন্ন দাবীৰ সন্দৰ্ভত চৰকাৰে বিবেচনা কৰি আছে ।

(চ) এই প্ৰশ্নৰ উত্তৰ ওপৰৰ (ঙ) ত দিয়া হৈছে ।

(ছ) প্ৰশ্ন নুঠে ।

শ্ৰীআব্দুল জলিল : মাননীয় অধ্যক্ষ মহোদয় মোৰ (খ) প্ৰশ্নৰ উত্তৰ মাননীয় মন্ত্ৰীজনে নিদিলে । তাৰ উত্তৰ মাননীয় মন্ত্ৰীজনে দিবনে ।

শ্ৰীচন্দ্ৰ আৰান্ধৰা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ উত্তৰ প্ৰশ্নোত্তৰত দিয়াই হৈছে ।

(Starred Questions No 165 ; 166 and 167 were not called for.)

## বিষয় ঃ ধাত্ৰী প্ৰশিক্ষন কেন্দ্ৰ

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

*১৬৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনা নে :

(ক) অসম চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী ধাত্ৰী প্ৰশিক্ষণ কেন্দ্ৰত কিমান গৰাকী ছোৱালীক প্ৰশিক্ষণ দিবৰ বাবে চৰকাৰে ব্যৱস্থা কৰিছে, জনাবনে ?

(খ) ১৯৮৬ চনত কিমান গৰাকী ছোৱালীক প্ৰশিক্ষণৰ বাবে বাচঁনি কৰিছে আৰু কিমান গৰাকীক প্ৰশিক্ষণ কেন্দ্ৰত ভৰ্তি কৰা হৈছে ?

(গ) এইটো সঁচানেকি যে যোৱা বছৰ ভাৰত চৰকাৰে উক্ত প্ৰশিক্ষণ কেন্দ্ৰত চিটৰ সংখ্যা এশলৈকে বঢ়াবলৈ অনুমতি দিছিল ?

(ঘ) যদি দিছিল, বৰ্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৬০ (ষাঠি) গৰাকী।

(খ) ৬০ (ষাঠি) গৰাকী।

(গ) সঁচা নহয়।

(ঘ) প্ৰশ্ন নুঠে।

শ্ৰীজয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, যিসকল ধাত্ৰী দিয়াৰ ব্যৱস্থা কৰা হৈছে সেইসকল ধাত্ৰীৰ বাহিৰেও আমাৰ গাওঁ অঞ্চল বিলাকত যি সকল বুঢ়ী বা বৃদ্ধা মহিলা আছে সেই সকলকো বিভিন্ন 'হস্পিটাল' বিলাকত যুক্ত ৰখাৰ কিবা আঁচনি চৰকাৰৰ আছেনেকি ?

শ্ৰীচন্দ্ৰ মাহন পাটোৱাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা কোনো 'স্পেচিফিক' আঁচনি চৰকাৰৰ নাই।

## বিষয় : এন আৰ ই পি আঁচনি

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

*১৬৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্তমান প্ৰত্যেক খণ্ড উন্নয়নত এন আৰ ই পি আঁচনিৰ মতে গছ পুলি ৰোৱাৰ কথা-টো চৰকাৰে জনাবনে ?

(খ) গছ পুলি ৰোৱা ডোখৰ বাহঁৰ জেওৰ বেৰ দিব লগাতো জানেনে ?

(গ) যদি জানে এই জেওৰাবোৰ স্থায়ী হবনে ?

(ঘ) যদি নহয়, এই আঁচনি সলনি কৰি কমকৈ হলেও কঁটা তাঁৰ বা স্থায়ী বেৰ দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীচন্দ্ৰ আৰান্ধৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) জানো আৰু কাৰ্য্যকৰী ব্যৱস্থাৰ বাবে যথা-যোগ্য পৰামৰ্শও দিয়া হৈছে।

(গ) বাঁহৰ জেওৰা স্থায়ী নহয় যদিও ৰক্ষনাবেক্ষনৰ তত্ববধানত দুই-তিনি বছৰলৈ এই বেৰ থাকিব পাৰে।

(ঘ) এই সম্পৰ্কে চৰকাৰে নিৰ্দেশ দিব পাৰে কিন্তু তাৰ বেৰৰ খৰচৰ পৰিমান যিটো হব সেইটোৰে সামগ্ৰীও বানচৰ নিৰ্দ্ধাৰিত অনুপাত ৫০:৫০ ৰ ভিতৰত নাথাকে। সামগ্ৰীৰ পৰিমান বহু পৰিমানে বেচি হয় গতিকে দিব পৰা নাযায়।

( No Supplementary Question )

## বিষয় : পুলকাৰ

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

*১৭০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম চৰকাৰৰ কিমানখন 'পুলকাৰ' আছে ?

(খ) উক্ত পুলকাৰ বিলাক কোন কোন বিধায়কে ব্যৱহাৰ কৰি আছে ?

(গ) উক্ত 'পুলকাৰ' ব্যৱহাৰ কৰা বাবদ ভাড়া চৰকাৰক পৰিশোধ কৰিছেনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পুল পৰিবহন বিভাগত বৰ্ত্তমান মুঠ ৫৩ খন গাড়ী আছে। তাৰে ৪১ খন কাৰ্য্যক্ষম।

(খ) বিধায়কে ব্যৱহাৰ কৰি থকা গাড়ীবোৰৰ এখন তালিকা সদনৰ মেজত ৰখা হল।

(গ) পুলৰ গাড়ী ব্যৱহাৰ কৰা বিধায়কৰ কিছু সংখ্যকে ভাড়া দিবলৈ বাকী আছে।

( No Supplementary Question )

## বিষয়ঃ ধনশ্ৰী জলসিঞ্চন আঁচনি

শ্ৰীআব্দুল জলিলে সুধিছে :

*১৭১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) দৰং জিলাৰ ধনশ্ৰী বৃহত্ত জলসিঞ্চন আঁচনিৰ নিৰ্মাণ কাৰ্য্য কেতিয়াৰ পৰা আৰম্ভ হৈছে ?

(খ) এই আঁচনিত কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু এতিয়া পৈ কিমান টকা ব্যয় কৰা হৈছে ?

(গ) এই আঁচনিৰ প্ৰধান বান্ধটোত (হড্ ওৱাৰ্কচ) ডাঙৰ ডাঙৰ ফাট মেলি অকামিলা হোৱাটো সঁচা নেকি ?

(ঘ) যদি সঁচা হয় কিয় আৰু কেনেকৈ এই ফাট মেলিবলৈ পালে ?

(ঙ) এই আঁচনিৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱাত কিয় পলম হৈছে ?

(চ) এই আঁচনি সোনকালে কাৰ্য্যকৰী কৰিবলৈ কি কি ব্যৱস্থা হাতত লোৱা হৈছে ?

শ্ৰীপ্ৰবিন ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ধনশ্ৰী বৃহত্ত জলসিঞ্চন আঁচনিৰ নিৰ্মাণ কাৰ্য্য ১৯৭৬ চনৰ পৰা আৰম্ভ কৰা হৈছে।

(খ) এই আঁচনিত প্ৰথমে ১৫.৮৩ কোটি টকা ধাৰ্য্য কৰা হৈছিল। সংশোধিত প্ৰাক্কলনত মুঠ ৭৫.৮১ কোটি টকাৰ বিপৰীতে। ১৯৮৬ চনৰ অক্টোবৰ মাহলৈ এই আঁচনিত মুঠ ৪৩.৬৭১ কোটি টকা ব্যয় কৰা হৈছে।

(গ) সঁচা নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ছ) বিস্তৃত জৰিপ আৰু বিস্তৃত প্ৰাক্কলন অনুসৰি যুগোতোৱা সংশোধিত প্ৰকল্পৰ প্ৰতিবেদন অনুপাতে বাৰ্ষিক অনুদান নোপোৱা আঁচনিৰ প্ৰধান বান্ধটোৰ ৰূপাংকন নক্সা আদি সময়মতে কেন্দ্ৰীয় জল আয়োগৰ পৰা নোপোৱা, ভূটান আৰু অৰুণাচল চৰকাৰৰ পৰা বান্ধৰ কাম আৰম্ভ কৰাৰ বাবে অনুমতি পোৱাত দেৰি হোৱা আদি কাৰণত পলম হয়।

(চ) বাকী থকা কামখিনি সোনকালে কাৰ্য্যকৰী কৰিবলৈ নিৰ্দ্ধাৰিত কৰ্মসূচী প্ৰস্তুত কৰি সেইমতে কামত অগ্ৰসৰ হোৱা হৈছে।

( No Supplementary Question )

Mr. Speaker : Now the time for Starred question is over. Now, Short Notice question.

## UNDISPOSED STARRED QUESTION

(To which oral answers were not called for want of time. However, written answers deemed to have been laid on the Table as follows :)

### বিষয় : ভৰলী নদীৰ দলং

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে :

*১৭২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) শোণিতপুৰ জিলাৰ ভৰলী নদীৰ ওপৰত দ্বিতীয়খন দলঙৰ প্ৰস্তাৱ লোৱাটো সঁচানে ?

(খ) যদি হয়, এই দলংখন কোন ঠাইত হব জনাবনে ?

(গ) এই দলঙৰ কাম কেতিয়া আৰম্ভ কৰিব আৰু আনুমানিক ব্যয় কিমান হব পাৰে জনাবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ভৰলী নদীৰ ওপৰত দ্বিতীয়খন দলঙৰ কোনো প্ৰস্তাৱ নাই। অৱশ্যে জীয়া ভৰলীৰ চকীঘাটত প্ৰস্তাৱিত দলঙৰ বাবে প্ৰাৰম্ভিক জৰিপৰ কাম চলি আছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিষয়: বাৰ্ষিক পৰিকল্পনাৰ টকা

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

১৭৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৬-৮৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ টকা বৰ্তমান (ডিচেম্বৰলৈ) কিমান শতাংশ খৰচ হৈছে?

(খ) বাৰ্ষিক পৰিকল্পনাৰ টকা ঘুৰি যোৱাৰ বিষয়ে বাতৰি কাকতত যি প্ৰকাশ পাইছে এই বিষয়ে চৰকাৰ জ্ঞাত নে?

(গ) যদি ঘুৰি যোৱাৰ উপক্ৰম হৈছে চৰকাৰে আগতীয়াকৈ কি ব্যৱস্থা লৈছে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৯৮৬-৮৭ চনৰ বাৰ্ষিক পৰিকল্পনাৰ ডিচেম্বৰলৈ হোৱা খৰচৰ হিচাপ অহা জানুৱাৰী মাহত পোৱা যাব।

(খ) হয়।

(গ) চৰকাৰে ইতিমধ্যে বাৰ্ষিক পৰিকল্পনাৰ মঞ্জুৰী ধন সম্পূৰ্ণৰূপে খৰচ কৰাৰ কাৰণে বিভাগীয় মূৰব্বী সকলক বিশেষভাৱে নিৰ্দেশ দিছে আৰু সময়ে সময়ে পৰিকল্পনাৰ ধন সম্পূৰ্ণকৈ খৰচ কৰাৰ ওপৰত গুৰুত্ব দি আছে যাতে পৰিকল্পনাৰ কোনো মঞ্জুৰী ধন ঘূৰি নাযায়।

## বিষয়: বন্দুকৰ লাইচেঞ্চ

শ্ৰীআব্দুল জলিলে সুধিছে:

*১৭৪। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা ১ নবেম্বৰলৈকে চৰকাৰে কোন জিলাত কিমান বন্দুকৰ লাইচেঞ্চ দিছে?

(খ) মৰিগাওঁ মহকুমাত কিমান বন্দুকৰ লাইচেঞ্চ দিয়া হৈছে?

শ্ৰীভৃগু কুমাৰ ফুকন ( গৃহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমানলৈকে চৰকাৰৰ হাতত পৰা তথ্য অনুযায়ী মুঠ ২৪৯৯ খন আগ্নেয়াস্ত্ৰৰ অনুজ্ঞা পত্ৰ বিভিন্ন উপায়ুক্ত আৰু মহকুমাধিপতিয়ে প্ৰদান কৰিছে। বিস্তৃত তালিকা এখন সদনৰ মেজত ৰখা হ'ল। যিসকল উপায়ুক্ত আৰু মহকুমাধিপতিৰ পৰা তথ্য এতিয়াও পোৱা নাই তেখেত সকলৰ লগত যোগাযোগ কৰি থকা হৈছে।

(খ) মহকুমাধিপতিৰ পৰা পোৱা তথ্য অনুযায়ী ২৩০ ( দুশ ত্ৰিশ ) খন আগ্নেয়াস্ত্ৰৰ অনুজ্ঞা পত্ৰ এই সময় চোৰাত দিয়া হৈছে।

## বিষয় ঃ খণ্ড উন্নয়ন বিষয়া নিযুক্তি

শ্ৰীপদ্মনাথ কৈৰীয়ে সুধিছে ঃ

* ১৭৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰায় খণ্ড উন্নয়ন কেন্দ্ৰবোৰত খণ্ড উন্নয়ন বিষয়া থকা স্বত্বেও অলপতে কিছু সংখ্যক জেষ্ঠ খণ্ড উন্নয়ন বিষয়া নিযুক্তি দিয়া হ'ল কিয়, জনাবনে ?

(খ) কনিষ্ঠ খণ্ড উন্নয়ন বিষয়াসকলৰ পদবী আৰু কাম কি হ'ব ?

(গ) খণ্ড উন্নয়ন কেন্দ্ৰবোৰত খৰতকীয়া কাম হোৱাৰ্লৈ চাই চৰকাৰী যান-বাহন একোখনৰ ব্যৱস্থা কৰিব পাৰিবনে ?

শ্ৰীচন্দ্ৰ আবন্ধৰা ( পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) গাওঁ উন্নয়ন আচনিবিলাক ৰূপায়নত নানা ধৰণৰ অসুবিধাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উন্নয়ন খণ্ডবিলাকত জেষ্ঠ উ:খ: বিষয়া নিযুক্তিৰ প্ৰস্তাৱ দিছিল। এই সম্পৰ্কে ভাৰত চৰকাৰৰ লগত বিতং আলোচনা হৈছিল। ইয়াৰ ফল স্বৰূপে ভাৰত চৰকাৰে জেষ্ঠ খণ্ড উন্নয়ন বিভাগ নিযুক্তি অনুমোদন কৰিছিল আৰু ইয়াৰ ৫০: ব্যয় বহন কৰিবলৈ ৰাজি হৈছিল। বিভিন্ন গ্ৰাম্যোন্নয়ন আঁচনিৰ খৰতকীয়া ৰূপায়ণৰ কাৰণে এই জেষ্ঠ উ: খঃ বিষয়া সকলক নিযুক্তি দিয়া হৈছে।

(খ) গ্ৰাম্য উন্নয়ন আঁচনি সমূহৰ ব্যতিৰেকে পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ অন্যান্য কাম সমূহ খণ্ড উন্নয়ন বিষয়া সকলে তদাৰক কৰিব।

(গ) বৰ্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় ঃ গনেশগুৰী বজাৰ

শ্ৰীদিলিপ কুমাৰ শইকীয়াই সুধিছে ঃ

*১৭৬। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গণেশগুৰী চাৰি আলিত ৰাস্তাৰ কাষত থকা বজাৰখন চৰকাৰৰ দৃষ্টি গোচৰ হৈছে নে ?

(খ) যদি দৃষ্টি গোচৰ হৈছে তেন্তে বজাৰ খনৰ উন্নতিৰ সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীচহিদুল আলম চৌধুৰী, (পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হৈছে ।

(খ) চৰকাৰৰ পৰা পোৱা মঞ্জুৰীৰে গুৱাহাটী পৌৰ নিগমে ষাঠিখন ষ্টল সাজি উলিয়াইছে আৰু ষাঠিখন ষ্টল নিৰ্মাণ পৰিকল্পনা পৌৰ নিগম চৰকাৰী মঞ্জুৰী সাপেক্ষে কৰিছে । সাজি উলিওৱা ষ্টল বিলাকৰ আবণ্টন ইতিমধ্যে হৈ গৈছে আৰু অলপতে দখল চমযাই দিয়া হব ।

## বিষয় ঃ চিলচৰ অনাতাঁৰ কেন্দ্ৰ

শ্ৰীপদ্ম নাথ কৈৱীয়ে সুধিছে :

*১৭৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিলচৰ অনাতাঁৰ কেন্দ্ৰত অনাতাঁৰ কাৰ্য্যসূচী কি কি ভাষাত প্ৰচাৰ কৰা হয় জনাবনে ?

(খ) উক্ত কেন্দ্ৰত অসমীয়া বাতৰি প্ৰচাৰ কৰেনে ?

(গ) যদি নকৰে ইয়াৰে প্ৰচাৰৰ ব্যৱস্থা কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) বঙালী, মনিপুৰী, আৰু ডিমাচা (ট্ৰাইবেল) ভাষাত প্ৰচাৰ কৰা হয় ।

(খ) বৰ্ত্তমানলৈকে অসমীয়া ভাষাত প্ৰচাৰ কৰা হোৱা নাই ।

(গ) এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি চোৱা হব ।

## বিষয় : গুৱাহাটী আৰু ডিব্রুগড় অনাতাঁৰ কেন্দ্র

শ্রীপদ্ম নাথ কৈৰীয়ে সুধিছে :

*১৭৮। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) বৰ্ত্তমান গুৱাহাটী আৰু ডিব্রুগড় অনাতাঁৰ কেন্দ্রত চাহ মজদুৰ জন-গোষ্ঠীৰ গীত মাত মাত্র সপ্তাহৰ ছুদিন, সিও আধা ঘণ্টাকৈহে প্রচাৰ কৰে এই কথা চৰকাৰে জানেনে ?

(খ) যদি জানে ইয়াৰ বৰ্দ্ধিত চাহিদালৈ চাই সপ্তাহৰ আটাই কেইদিন অন্ততঃ এঘণ্টাকৈ প্রচাৰৰ ব্যৱস্থা কৰাৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিবনে ?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত, (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) হয়, কৰা হব।

## Re: Inclusion in Master Plan

Shri Abdul Muqtadir Choudhuri asked:

*179. Will the Minister, Town and Country Planning be pleased be state:

(a) When the decision for inclusion of:

(i) Karimganj

(ii) Jagiroad

(iii) Sibsagar under master plan have been taken by the Government ?

(b) Whether the master Plan for Karimganj has been notified ?

Shri Atul Bora ( Minister, Town & Country Planning ) replied :

(a) The decision for inclusion of :

(i) Karimganj in November, 1970

(ii) Jagiroad in February, 1979.

(iii) Sibsagar in November, 1970

(b) No.

**Re : Inclusion of Person to S. C. Board**

Shri Abdul Muqtadir Choudhury asked :

*180. Will the Minister, W.P.T. & B.C. be pleased to State :

(a) Whether it is a fact that South Karimganj constituency within Karimganj District having second highest Concentration of Schedule Caste people within the District ?

(b) Number of persons included in the Scheduled Caste Board of Karimganj from South Karimgaj Constituency ?

Shri Bharat Chandra Narah ( Minister, W. P. T. & B. C. ) replied :

(a) Yes

(b) Two persons are included in the Karimganj Scheduled Caste Development Board from South Karimganj Constituency. List of persons who are members at the presence Scheduled Caste Board Karimganj is placed at the table of the House,

**Re : Pool Cars**

Sri Ramendra De asked :

*181. Will the Minister, Transport be pleased to state :

(a) The number of Pool Cars for the use of the Honourable Members ?

(b) The officer-in-charge of Pool Cars ?

(c) The procedure Government has followed to allot these carse ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, ( পৰিবহণ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) মুঠ ৫৩ খন পুলৰ পৰিবহণৰ ১২ খন অকামিলা আৰু বাকী পৰিবহণৰ ১৭ খন বিধান সভাৰ সদস্যৰ সৈতে আৰু ৪ খন মন্ত্ৰীৰ তত্বাৱধানত আছে ।

(খ) পুল পৰিবহণ বিষয়াই ইয়াৰ দায়িত্বত আছে ।

(গ) আবণ্টন সমূহ চৰকাৰী নিয়ম অনুযায়ী কৰা হয় ।

**Re : Sonai R. C. C. Bridge**

Sri Abdul Rob Laskar asked :

*182. Will the Minister, PWD. be pleased to state :

(a) Whether the Government is aware that the quotation for reparing of Sonai RCC Bridge under Silchar Sub—Division was called ?

(b) How many times the quotation was exetended ?

(c) When the work will be started ?

Shri Atul Bora, Minister PWD. replied :

(ক) হয়, নিবিদা আহ্বান কাৰ হৈছিল।

(খ) নিবিদাৰ সময় ৫ (পাঁচ) বাৰ বঢ়াই দিয়া হৈছিল।

(গ) নিবিদা সমূহ পৰীক্ষা কৰি এটা সিদ্ধান্ত লোৱাৰ পাছতহে কামটো আৰম্ভ কৰিবলৈ নিৰ্দ্দেশ দিব পৰা হব।

### বিষয়ঃ মীন মহল

শ্ৰীৰমেন্দ্ৰ দে জিজ্ঞাসা কৰিতেসেন :

*১৮৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আসাম ৰাজ্যে কতটা মীন মহল আছে ? ও তাদেৰ বাতসৰিক আয় কত ?

(খ) কাছাৰ কৰিমগঞ্জে জিলায় কতটা মীন মহল আছে তাদেৰ বাতসৰিক আয় কত ?

শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমত মুঠ ৯০৬ টা মীন মহল আছে আৰু এই মীন মহলবোৰৰ পৰা বছৰি হোৱা আয়ৰ পৰিমাণ গড়ে ৭৪ লাখ টকা।

(খ) কাছাৰ আৰু কৰিমগঞ্জ জিলাত ১৭৭ টা মীন মহল আছে আৰু এই মীনমহলবোৰৰ পৰা বছৰি হোৱা আয়ৰ পৰিমাণ গড়ে ২,৪১ লাখ টকা।

### Re : Facilities for Tourists

Shri Dilip Kumar Saikia, asked :

*184. Will the Minister, Tourism be pleased to state :

(a) Whether it is a fact that the Government have not made any efforts to provide adequate facilities to the tourist coming to the State ?

(b) If so, the reason thereof ?

(c) Is it also fact that in Gauhati the tourist lodge can accommodate only a very limited number ( i. e. 15 ) of Guests ?

(d) If so, whether the Government has taken steps to increase the accommodation ?

শ্ৰীভৃগু কুমাৰ ফুকন ( পৰ্য্যাটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সচাঁ নহয়।

(খ) প্ৰশ্ন নুঠে।

(গ) সচাঁ, কেৱল দহজনৰ থকাৰ ব্যৱস্থা আছে।

(ঘ) থকা মেলাৰ, সুবিধা বঢ়োৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৫৪ খন বিছনাযুক্ত পাচ মহলা পৰ্য্যটক নিবাস এটা নিৰ্মাণৰ কাম দ্ৰুত গতিত চলি আছে।

## বিষয় : পৰ্য্যটন উন্নয়ন নিগম

শ্ৰীদিলীপ কুমাৰ শইকিয়াই সুধিছে :

*১৮৫। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম পৰ্য্যটক সকলৰ সুবিধাৰ বাবে অসম চৰকাৰে পৰ্য্যটন উন্নয়ন নিগম খোলাৰ বিবেচনা কৰিছেনেকি ?

(খ) যদি অসম চৰকাৰে পৰ্য্যটন উন্নয়ন নিগম খোলাৰ ব্যৱস্থা গ্ৰহণ কৰিছে তেন্তে কেতিয়া খোলাৰ ব্যৱস্থা কৰিছে ?

(গ) যদি অসম চৰকাৰে পৰ্য্যটন উন্নয়ন নিগম খোলাৰ ব্যৱস্থা গ্ৰহণ কৰা নাই তেন্তে পৰ্য্যটক সকলৰ সুবিধাৰ বাবে অন্য কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীভৃগু কুমাৰ ফুকন (পৰ্য্যটক বিভাগৰ মন্ত্ৰীয়ে) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) চলিত বছৰত নিগম খোলাৰ প্ৰাৰম্ভিক কাম আৰম্ভ হৈছে।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ খাদ্য সামগ্ৰীৰ দুৰ্নীতি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*১৮৬। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বছৰৰ ডিচেম্বৰ মাহতেই নগাঁও জিলাত খাদ্য নিগমৰ খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত দুৰ্নীতিত লিপ্ত হোৱা অভিযোগত কেইবাজনো বিষয়াক চাকৰিৰ পৰা নিলম্বিত কৰা সচানে ?

(খ) যদি সচা হয় কিমানজন বিষয়াক কি কি অভিযোগত নিলম্বিত কৰা হৈছিল ?

(গ) তেওঁলোকৰ বিৰুদ্ধে পুলিচৰ ওচৰত গোচৰ দিয়া হৈছিল, সচানে ?

(ঘ) যদি সচা হয়, আজি প্ৰায় এবছৰেও বিচাৰৰ বাবে আদালতত অভিযোগ নামা দাখিল কৰা নাই কিয় ?

(ঙ) উক্ত কেলেংকাৰিৰ লগত জড়িত বুলি অভিযোগ থকা বাকী বিষয়া কৰ্মচাৰী সকলৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে ?

(চ) এইটো কথা সচা নেকি প্ৰমাণৰ অভাবত উক্ত অভিযুক্ত বিষয়া সকলৰ বিৰুদ্ধে আদালতত গোচৰৰ অভিযোগ নামা দাখিল কৰিব পৰা নাই ?

(ছ) যদি নহয় অনতিপলমে এই ক্ষেত্ৰত চৰকাৰে বিহিত ব্যৱস্থা লব নে ?

শ্ৰীদিৰাজ কুমাৰ শৰ্মা ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সচা নহয়।

(খ) এই বছৰৰ জুন-জুলাই মাহতহে ৮ জন যোগান আৰু সমবায় বিভাগৰ বিষয়াক অত্যাৱশ্যকীয় সামগ্ৰী আত্মসাৎ কৰাৰ অভিযোগত নিলম্বিত কৰা হৈছে।

(গ) সচা।

(ঘ) তৎকালীন ভাবে ৯ টা গোচৰ পঞ্জীভুক্ত কৰি তদন্ত ক্ৰমে অভিযোগত সংলিষ্ট বিষয়া কৰ্মচাৰীসকলক কৰায়ত্ব কৰা হয়। তাৰে ৬ টা গোচৰত

অভিযুক্ত সকলো নমুনা স্বাক্ষৰ সংগ্ৰহ কৰি সত্যাসত্য প্ৰমাণৰ্থে ফৰেনচিক লেবাৰেটৰীলৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে। বাকী ৩ টা গোচৰৰ সংলিষ্ট অভিযুক্ত বিষয়া কৰ্মচাৰীৰ নমুনা স্বাক্ষৰ সংগ্ৰহৰ কাম শেষ কৰি সত্যাসত্য প্ৰমাণৰ কাৰণে ফৰেণচিক লেবৰটৰীলৈ পঠোৱাৰ ব্যৱস্থা কৰা হৈছে। ফৰেনচিক লেবাৰেটৰীৰ পৰা প্ৰতিবেদন পালেই আদালতত অভিযোগ নামা দাখিল কৰাৰ ব্যৱস্থা লোৱা হব।

(ঙ) অভিযোগ থকা সকলো বিষয়া কৰ্মচাৰীৰ ওপৰত (ঘ) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰাব দৰে ব্যৱস্থা লোৱা হৈছে।

(চ) সচা নহয়। ওপৰত (ঘ) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা মতে প্ৰাৰম্ভিক ভাৱে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ কাম শেষ হলে অভিযোগ নামা দাখিল কৰিব পৰা যাব।

(ছ) ইতিমধ্যে ৮ জন অভিযুক্ত বিভাগীয় বিষয়াক নিলম্বিত কৰা হৈছে আৰু তদন্ত সম্পূৰ্ণ কৰা হলেই আদালতত অভিযোগ নামা দাখিল হব। ইতিমধ্যে বিভাগীয় ভাবে অনুশাসনমূলক ব্যৱস্থাও দোষী বিষয়া সকলৰ ওপৰত লোৱা হৈছে।

## বিষয়ঃ নিলম্বিত কৰণ

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

*১৮৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাঁও মহকুমাৰ যোগান বিভাগৰ পৰিদৰ্শক শ্ৰীৰতি দাসক কৰ্মৰত অৱস্থাত নিলম্বিত কৰা হৈছে বুলি চৰকাৰে জানানে ?

(খ) যদি জানে, তেন্তে কিয় নিলম্বিত কৰা হল ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) জানে।

(খ) মৰিগাঁওৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক শ্ৰীৰতিদাস যোৱা ৮-১০-৮৬ তাৰিখৰ পৰা ১৪-১০-৮৬ তাৰিখৰ দিনৰ ১১ বজালৈকে কৰ্তৃপক্ষৰ বিনা অনুমতিত মৰিগাঁও মহকুমাৰ প্ৰলয়ংকৰী বান পানীৰ সময়ত মুখ্য কাৰ্য্যস্থানত অনুপস্থিত থাকে। ফলত বান পীড়িত

জনসাধাৰণৰ মাজত সাহায্য বিতৰণৰ কাৰ্য্যত অসুবিধাৰ সৃষ্টি হয়। এই বিষযটো তৎকালীন ভাবে চৰকাৰৰ দৃষ্টি গোচৰ হোৱাত উক্ত বিষয়া জনক নিজৰ কৰ্ত্তব্যৰ প্ৰতি অৱহেলা আৰু কতৃত্বহীন অনুপস্থিতৰ বাবে তৎকালীন ভাবে চাকৰিৰ পৰা নিলম্বিত কৰা হয়।

## বিষয়ঃ খোৱা বস্তুৰ যোগান

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ

*১৮৮। মাননীয় খাদ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বানপানীত যিবিলাক লোকৰ ভৰালৰ ধান আৰু খেতি সমূলঞ্চে নষ্ট হল তেওঁলোকক খোৱা বস্তু যোগান ধৰি থকাৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি এনে ব্যৱস্থা কৰিছে, কোন কোন অঞ্চলত এই ব্যৱস্থা লৈছে জনাবনে ?

শ্ৰীবিৰাজ কুমাৰ শৰ্মা (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বান বিধস্ত অঞ্চলত উপায়ুক্ত আৰু মহকুমাধিপতি সকলে বিচৰামতে অতিৰিক্ত চাউলৰ যোগান ধৰা হৈছে। বান পানীত ভৰালত ধান আৰু খেতি নষ্ট হোৱা লোকৰ উপৰিও অন্যান্য সকলে বান পীৰিত লোকক ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ যোগেদি সুলভ মূল্যত অতিৰিক্ত পৰিমানত চাউল দি থকা হৈছে।

(খ) কৰিমগঞ্জ, কাছাৰ, নগাওঁ, মৰিগাঁও, গোলাঘাট, কামৰূপ, কাৰ্বিআংলং আৰু গোৱালপাৰা অঞ্চলত এই ব্যৱস্থা লোৱা হৈছে।

## Re : A. S. T. C Bus Service

Shri Remendra Dey asked :

*189. Will the Minister Transport be pleased to state :

(a) When the A.S.T.C bus services were introduced for plying from Silchar to Haflong ?

(b) Whether Corporation has any plan to introduce night service from Badarpur to Guwahati via Shillong and from Badarpur to Agartala (Tripura) ?

(c) Whether any step has been taken regarding the improvement of State Transport Office and its compound of Badarpur. ?

(d) If yes, the amount and when the work will be started ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) শিলচৰ-হাফলং আৰু হাফলং-শিলচৰ পথত যোৱা ৩-১১-৮৬ তাৰিখৰ পৰা নিগমৰ বাছৰ চলাচল আৰম্ভ হৈছে।

(খ) নাই।

(গ) হয়।

(ঘ) এই কামৰ বাবে ১৫০,৪৪৪.০০ টকা ধাৰ্য্য কৰা হৈছে। আষ্ঠানৰ দালানা, শৌচাগাৰ মুত্ৰাগাৰ আদিৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। বাকীথকা কাম বিভাগীয় নিয়ম নীতি সম্পূৰ্ণ হোৱাৰ লগে লগে আৰম্ভ কৰাৰ আশা আছে।

## বিষয় : ৫২ নং ৰাষ্ট্ৰীয় পথ

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

*১৯০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

উত্তৰ লক্ষীমপুৰৰ পৰা জোৰাইনা জোনাই পৰ্য্যন্ত থকা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথটো দ্বিগুণ বটিয়া (Double Lane) নকৰাৰ কাৰণ কি ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯৮০-১৯৮১ চনৰ অগষ্ট মাহত গঠিত উচ্চ ক্ষমতাসম্পন্ন কাৰীকৰি কমিটিৰ প্ৰতিবেদন মতে উত্তৰ লক্ষীমপুৰৰ পৰা জোনাইলৈ পথৰ বাবে থকা অধিগ্ৰহন কৰা মাটিৰ হিচাব তৎকালীন ভাবে নোপোৱাৰ বাবে এই পথটো দ্বিগুণ বটীয়া কৰিব পৰা নহল।

তাৰোপৰি সেই সময়ত এই পথচোৱাত দৈনিক চলাচল কৰা যানবাহনৰ সংখ্যা ২০০ৰ পৰা ৩০০ খনৰ ভিতৰত থকা বাবে ইয়াক দ্বিগুণ বটিয়া কৰাৰ গুৰুত্ব বোধ নকৰিলে ।

**Re : Plan alteration**

Shri Altaf Hussain Mazumdar asked :

* 191. Will the Chief Minister be pleased to state :

(a) The total plan allocation for the State for different department to the year 1986-87 ?

(b) The total amount spent department-wise upto the end of the September, 1986 i.e. during the first half of the financial year 1986-87 ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Rs. 500 crores.

(b) Sector/Department-wise utilisation of Plan fund upto the end of the month of September, i.e. during the first half of the financial year 1986—87 is placed on the Table on the House.

**Re : Proposal for new Vehicle.**

Shri Binai Khungur Basumatari asked :

* 192. Will the Chief Minister be pleased to state :

(a) Whether the Deputy Commissioner, Darrang at Mangaldoi requested sanction for 6 (Six) new vehicles vide his No DPN: 117/84/10618-21, dated 10th August, 1984 ?

(b) If so, whether the Government has accepted to this proposal ?

(c) If not, why ?

Shri Prafulla Kumar Mahanta (Chief Minister,) replied :

(a) The proposal as mentioned has not been received from the Deputy Commissioner, Darrang Mangaldoi by the General Administration Department.

(b)
(c) } Does not arise

**Re : Baraigram Subsidiary Dispensary**

Shri Abdul Muqtadir Choudhury asked :

* 193. Will the Minister, Health be pleased to state :

(a) Whether Baraigram subsidiary Dispensary building under Karimganj District have been Constructed ?

(b) If so, whether Doctor has been posted to cater the need of the vast area of population ?

Shri Chandra Mohan Patowary (Minister, Health) replied :

(a) Yes.

(b) Not yet.

**Re : Sanction of amount for Irrigation Department**

Shri Ramendra De asked :

* 194. Will the Minister, Irrigation be pleased to state :

(a) The total amount sanctioned to the Irrigation Department for the year 1984-85 and 1985-86 ?

(b) The total amount incurred in the District of Karimganj and Hailakandi Division ?

(c) Whether Karimganj Division has submitted any Scheme for Anair haur under Badarpur Police Station and Bakri haur under Algapur Police Station ?

Shri Pabinbra Chandra Deka (Minister, Irrigation) replied:

(a) For 1981 - 85 = Rs. 64,11,71,000
For 1985—86 = Rs. 65,06,79,000

| (b) Year | Karimganj Division | Hailakandi Division |
|---|---|---|
| 1984-85 | 72,70,686 | 69,57,038 |
| 1985-86 | 42,52,090 | 71,12,268 |

(c) Yes.

**Re : Requirement of farmacist**

Shri Abdul Muqtadir Choudhury asked :

* 195. Will the Minister, Health be pleased to state :

(a) The present requirement of Pharmacist in Assam including back log ?

(b) The annual requirement of Pharmacist in Assam and the intake capacity of the training centre ?

(c) Whether Government proposes to set up two more Pharmacist Training Centre, one at Gauhati Medical College and another at Silchar Medical College ?

Shri Chandra Mohan Patowary, (Minister Health) replied :

(a) 1006

(b) The annual requirement of Pharmacists in Assam approximately is 85 Nos. and the intake capacity of Pharmacy Institution attached to the Assam Medical College, Dibrugarh as 100 only.

(c) Yes.

**Re : Fifteen Point Programme**

Shri Altaf Hussain Mazumdar asked :

*196. Will the Chief MInister be pleased to state :

(a) The concrete steps and schemes has taken up after the last Budget Session to implement Prime Ministere's fifteen point programme ?

(b) Did the Prime Minister impressed upon the State in the last N. I. C. meeting to sincerely and effectively implement 15-Point Programme ?

Shri prafulla Kumar Mahanta (Chief Minister) replied :

(a) The State Government has been giving instructions to all Administrative Departments, All Deputy Commissioners, All Sub-Divisional Officers with guidelines for proper implementation of P. M.s 15-point programme. The programme are being implemented. the Assam Minorities Development Board which has since been reconstituted on 9-9-86 to suggest to the Government steps implementing the P- M.s 15-point directives and to formulate different developmental schemes for Welfare of Minorities. The Board was inaugurated on 25-11-86 by Chief Minister

Government have been closely monitoring the implementation, and monthly reports of progress are collected.

(b) Yes.

**Re : Qualification for the Post of Director Historical and Antiquasian Studies**

Shri Digendra Purkayastha asked :

* 197. Will the Minister Education be pleased to state :

(a) The Qualification of the Director of Historical and Antiquasion studies, Assam ?

(b) Who is the present Director of Department ?

(c) Whether the present Director has the requisite qualification ?

(d) Whether he was selected by the A.P.S.C. ?

(e) The number of posts the present Director is holding at a time at present ?

(f) Where is his Head Quarter ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অৰ্হতাৰ বিষয়ত কোনো ধৰাবন্ধা নীতি নাই যদিও সাধাৰণ শিক্ষাৰ উপৰিও অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিষয়ত অধ্যয়ন তথা উল্লেখ যোগ্য অৱদান আৰু গৱেষণা কৰা ব্যক্তিকে উক্ত বিভাগৰ সঞ্চালক পতা হয়।

(খ) ড: লীলা গগৈ, এম, এ, পি, এইছ, ডি।

(গ) আছে।

(ঘ) অবৈতনিক সঞ্চালক হিচাবে নিয়োগ হোৱা হেতুকে অসম লোক সেৱা আয়োগৰ ওচৰ চপা নাই।

(ঙ) ডঃ লীলা গগৈ, ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিষয়ত ৰিদাৰ হিচাবে কাম কৰাৰ উপৰিও বুৰঞ্জী আৰু পূৰাতত্ব বিভাগত অবৈতনিক সঞ্চালক নিযুক্ত হৈছে।

(চ) এই বিষয়ত সিদ্ধান্ত সোনকালে লোৱা হব।

## বিষয় ঃ জাগী ভকতগাওঁ পথৰ দলং

শ্ৰীমতি দাসে সুধিছে :

* ১৯৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) জাগীৰোড ভকতগাওঁ পথটোৰ ওপৰত থকা কাঠৰ দলং কেইখন পকা দলং কৰাৰ ব্যৱস্থা কৰিবনে ?

(খ) যদি কৰে তেন্তে দলং নিৰ্মাণৰ সময়ছোৱাত যাতায়ত অব্যাহত ৰাখিবলৈ নখোলা পথটি উন্নত কৰা হবনে ?

(গ) জাগীৰোড ভকতগাওঁ পথটো যথেষ্ট ঠেক হোৱা হেতু প্ৰায়েই গাড়ী মটৰ খালত পৰা দেখা যায়, গতিকে উক্ত পথ বহল কৰাৰ ব্যৱস্থা কৰিবনে ?

(ঘ) যদি কৰা হয়, তেন্তে শীতকালৰ ভিতৰতে কৰিবনে ?

শ্ৰীঅতুল বৰা (গড়কাপ্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমানলৈকে চৰকাৰৰ তেনে কোনো আঁচনি নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) পুঁজিৰ অভাৱত বৰ্ত্তমানলৈকে পথটো বহল কৰাৰ কোনো আঁচনি লোৱা হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ কৰ্মনিয়োগ কমিটি

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে :

* ১৯৯। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গোৱালপাৰা জিলা কৰ্ম নিয়োগ কমিটিৰ দ্বাৰা এতিয়ালৈকে কিমান শিক্ষিত নিবনুৱাক চাকৰি দিয়া হল অনুগ্ৰহ কৰি জনাবনে ?

(খ) উক্ত চাকৰি পোৱা ব্যক্তি সকলৰ ভিতৰত কিমানজন ধৰ্মীয় সংখ্যালঘু, কিমানজন ভাষিক সংখ্যালঘু আৰু কিমানজন অনুসূচীত জাতিৰ মানুহ অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গোৱালপাৰা জিলা কৰ্ম নিয়োগ কমিটিৰ দ্বাৰা এতিয়ালৈকে ২৬৪ জন শিক্ষিত নিবনুৱাক চাকৰি দিয়া হৈছে ।

(খ) উক্ত চাকৰি পোৱা ব্যক্তি সকলৰ ভিতৰত :

১। ৪৫ জন ধৰ্মীয় সংখ্যালঘু ।

২। ১০ জন ভাষিক সংখ্যালঘু ।

৩। ৩৭ জন অনুসূচীত জাতিৰ ।

৪। ১৭২ জন অন্যান্য ।

**Re : Government Policy Employment**

Shri Ramendra De asked :

* 200 Will the Minister, Labour be pleased to State :

(a) Whether Government has any policy or programme "to provide job to a jobless family" of the whole State ?

(b) If so, what will be the norms ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেংগা (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নিয়োগ বিভাগে জনামতে পৰিয়ালত কোনো চাকৰিয়াল নথকা চাকৰি প্ৰাৰ্থীলৈ চাকৰি দিয়াৰ কোনো নীতি নাই ।

(খ) ওপৰৰ প্ৰশ্নোত্তৰৰ মতে এই ক্ষেত্ৰত কোনো প্ৰশ্ন উঠিব নোৱাৰে ।

**Re : Post of Dental Surgeon**

Shri Maziruddin Ahmed asked :

* 201. Will the Minister, Health be pleased to state :

(a) Whether the post of dental Surgeon is lying vacant at Goalpara Civil Hospital since a long time ?

(b) If so, will the Government appoint one dentist immediately to remove the difficulties of public ?

Shri Chandra Mohan Patowary (Minister Health) replied :

(a) Yes.

(b) The appointment of a dental Surgeon at Goalpara Civil Hospital is under active consideration of the Government.

## Re : P.H.E. Division

শ্ৰীৰামেন্দ্ৰ দেই জিজ্ঞাসা কৰিতেসেন :

*২০২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰিয়া জানাইবেনকি :

(ক) অসম ৰাজ্যে কতটা পি-এইচ-ই ডিভিজন আছে ?

(খ) নতুন কোন ডিভিজন স্থাপন হবে কি ?

(গ) বদৰপুৰে একটা পি-এইচ-ই ডিভিজন স্থাপনের কথাছিল তা কিবে পৰ্য্যন্ত কাৰ্য্যকৰী হবে ?

শ্ৰীদিগেন চন্দ্ৰ বৰা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিবেন ।

(ক) ৩৪ টা পি- এইচ-ই ডিভিজন আছে ।

(খ) বৰ্ত্তমান নতুন ১০ টা ডিভিজনৰ অনুমোদন দিয়া হৈছে ।

(গ) বৰ্ত্তমান বদৰপুৰত সংমণ্ডল স্থাপন কৰাৰ কোনো সিদ্ধান্ত লোৱা নাই ।

## Re : Posting of Doctors

Shri Maziruddin Ahmed asked :

* 203. Will the Minister, Health be pleased to state :

(a) Whether there was a proposal from the Goalpara District Medical & Health Officer Goalpara for posting doctors for Ear-Nose-eye and General Surgery ?

(b) If so, whether the Government will appoint such officers soon at Goalpara ?

Shri Chandra Mohan Patowary (Minister Health) replied :

(a) No

(b) Does not arise.

বিষয় : মদ প্ৰচলন

শ্ৰীপদ্ম নাথ কৈৰীয়ে সুধিছে :

*২০৪। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমত 'মদ' প্ৰচলন বন্ধ কৰাৰ ফলত চৰকাৰৰ ৰাজহ বছৰি কিমান ক্ষতি হয় জনাবনে ?

(খ) মদ প্ৰচলন বন্ধ হোৱাৰ পিছতো চুলাই মদৰ প্ৰচলন বৃদ্ধি হোৱা কথা চৰকাৰে জানেনে ?

(গ) যদি জানে, ইয়াক সম্পূৰ্ণ নিৰ্ম্মুল কৰাৰ কাৰণে চৰকাৰে কিবা স্থায়ী ব্যৱস্থা লবনে ?

শ্ৰীভৃগু কুমাৰ ফুকন (আবকাৰী মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) অসমত 'মদ' প্ৰচলন বন্ধ কৰাৰ ফলত চৰকাৰৰ বছৰি অনুমানিক ৭৬৩৩,৩৮৯ টকাৰ ৰাজহ লোকচান হৈছে।

(খ) মদ প্ৰচলন বন্ধ হোৱাৰ পিচতো চুলাই মদৰ প্ৰচলন চলি থকা কথা চৰকাৰে জানে।

(গ) চুলাই মদৰ প্ৰচলন বন্ধ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা উপযুক্ত ব্যৱস্থা লৈ থকা হৈছে। ভৱিষ্যতেও তেনে ব্যৱস্থা লৈ থকা হব। ইয়াৰোপৰি চৰকাৰে মদ প্ৰচলন বন্ধ কৰাৰ কাৰণে 'অসম মদ নিবাৰণী পৰিষদ' নামে এটা বে-চৰকাৰী অনুষ্ঠান ১৯৭৪ চনতেই স্থাপন কৰিছে।

## Re : Infiltration of Foreign Nationals

Shri Abdul Muhib Mazumdar asked :

• 205. Will the Chief Minister Home be pleased to state :

(a) Whether infiltration of foreign nationals from across the border has been totally checked and if not, the number or delinquent officials in charge of the border to check infiltrations dismissed or placed under suspension ?

(b) The steps taken to prevent infiltration form across the border.

(c) The number of illegal infiltrant caught sneaking across the border since 23rd December 1985.

(d) Whether the present Government has been able to infiltration from beyond the border ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) ( b ) & (c) Checking of infiltraion at the border is responsibility of the Government of India and now being entrusted to Border Security Force. State Government have been in touch with the Government of India to strengthen the measures for checking in the context of various reports continuing infiltration. The details of measures taken are no available with the State Government.

(d) In view of replies of (a) (b) and (c) does not arise. However Government have geared up machinery for detection of foreigners inside the State and have requested Government of India for strengthening the detection machinery in terms of the Assam Accord.

**Re : Memorandum of AASU**

Shri Maziruddin Ahmed asked :

* 206 Will the Chief Minister be pleased to State :

(a) Whether the Government agree to the proposition submited by AASU in their memorandum to the Prime Minister and published in the newspaper 'Telegraph of 23rd November 1986 that till to day 500 Bangladeshi are entering Assam Daily ?

(b) If so, how much are detected daily ?

(c) Total number of Bangladeshis detected so far within the last 10 months

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(ক) আৰু (খ) সীমান্তৰ সুৰক্ষাৰ দায়িত্ব ভাৰত চৰকাৰৰ আৰু এই দায়িত্ব অৰ্পণ কৰা হৈছে সীমান্ত ৰক্ষী বাহিনী আদিৰ ওপৰত। এই ক্ষেত্ৰত দিনে কিমানকৈ বিদেশীয়ে সীমান্ত অতিক্ৰম কৰিব চেষ্টা কৰোতে ধৰা পেলোৱা হৈছে তাৰ বিতং হিচাপ আমাৰ হাতত নাই। সেই কাৰণে সদৌ অসম ছাত্ৰ সন্থাই কোৱা বুলি উল্লেখ কৰা বাতৰিৰ প্ৰতিবেদনৰ ওপৰত আমাৰ ফালৰ পৰা মন্তব্য কৰিব লগা নাই।

(গ) যোৱা জানুৱাৰী মাহৰ পৰা এতিয়ালৈকে ১৩৪১ জন নতুনকৈ সোমোৱা আৰু আগতে বহিস্কাৰ কৰা পুনৰ সোমোৱা বাংলাদেশী লোকক ধৰা পেলোৱা হৈছে। আৰু বহিস্কাৰ কৰা হৈছে।

**Re : Disposal of Cases by Tribunals**

Shri Maziruddin Ahmed asked :

* 207. Will the Chief Minister be pleased to state :

(a) Number of cases tried and disposed of so far by the Tribunal at Goalpara regarding persons who

entered India from Bangladesh from 1966 to 24th March, 1971 (on the basis of Assam Accord) ?

(b) How many of these tried, were found to have entered India within the above period ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a) Total 153 cases have been tried and disposed of by the Foreigners Tribunal, Goalpara up to November 1986, in respect of persons who entered India from Bangladesh between 1966—71.

(b) 123 number of persons were found to have entered India in the above period.

**Re : Shifting of Bus Station**

Shri Maziruddin Ahmed asked :

* 208 Will the Minister, Transport be pleased to state :

(a) Whether the Government proposed to shift the public bus station from Bazar area to Hasbila Bed area on the western side of 36 N.H. Way at Goalpara ?

(b) If so, the amount sanctioned for the work ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বজাৰ এলেকাৰ পৰা গোৱালপাৰাৰ হাজবিলাৰ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ কাষলৈ আস্থান পৰিবৰ্ত্তন কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ নাই ।

(খ) প্ৰশ্ন নুঠে ।

## Re : Registration of Vehicles.

Shri Abdul Muqtadir Choudhury asked :

* 209 Will the Minister, Transport be pleased to state :

(a) The number of vehicles registered out side the State of Assam but plyed in Assam under National permit scheme bilateral agreement, Zonal agreement and East Zone permit scheme in 1983-84, 1984—85 and 1985—86 ?

(b) Amount of Composite fee realised during the aforesaid years ? (Mention may be made year-wise). ?

শ্রীললিত চন্দ্র ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰাইজৰ সেৱা আগবঢ়োৱা ট্ৰাকৰ সংখ্যা যিবোৰ মূলতে অসমৰ বাহিৰত পঞ্জীভূত কৰা হৈছিল আৰু পাছত নিগাজিকৈ অসমলৈ অনা হৈছে সেই বিলাকৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ত মাগুলিক ভিত্তিত অনুজ্ঞা পত্ৰ বিলাক তলত দিয়া বছৰেকীয়া আহিত দেখুৱা হৈছে।

| বছৰ | জাতীয় অনুজ্ঞাপত্ৰ | পূব মণ্ডল |
|---|---|---|
| ১৯৮৩-৮৪ | ৬৩ | ৩ |
| ১৯৮৪-৮৫ | ৫৪ | ১৩ |
| ১৯৮৫-৮৬ | ২১ | এই সময়ৰ ভিতৰত পূৰ্বাঞ্চলত অনুজ্ঞাপত্ৰ দিয়া হোৱা নাই। |

(খ) কৰ্তৃত্ব দিয়াৰ বাবদ পোৱা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ আৰু পূব মাগুলিক পৰ্য্যায়ৰ অনুজ্ঞাপত্ৰ ধাৰীসকলৰ তালিকা বছৰেকীয়া ভিত্তিত তলত দিয়া হ'ল।

| বছৰ | ৰাষ্ট্ৰীয় অনুজ্ঞাপত্ৰ | পুৱ মণ্ডল |
|---|---|---|
| ১৯৮৩-৮৪ | ৬,৩৯,৩৬২.০০ | ১,১১,৬০০.০০ |
| ১৯৮৪-৮৫ | ৬,৯৭,১০০.০০ | ২,১৫,৭৬৮.০০ |
| ১৯৮৫-৮৬ | ৬,৩৯,৭০০.০০ | ২,৮৬৮৬৫.০০ |

**Re : Karimganj Municipality.**

Shri Abdul Muqtadir Choudhury asked :

* 210 Will the Minister, Municipal Administration be pleased to state :

(a) The amount spent by karimganj Municipality/Government for preparation of Voter List and for other material for holding the karimganj Municipal Election in 1985-86 ?

(b) Whether it is a fact that the date for holding Karimganj Municipal Election have been notified twice before and after the last General Election in Assam ?

(c) Whether it is also a fact that if the election is not held within one year of the preparation of Voter List a fresh Voter List will be necessary for holding election ?

Shri Sahidul Alam Choudhury, (Minister, Municipal Administration) replied :

(a) Rs. 56,079.00

(b) Yes.

(c) Electoral Roll for Municipal Election requires annual revision in the month of January every year.

**বিষয় : কৃষকের সাহায্যে প্রকল্প ।**

শ্রীবমেন্দ্র দেই স্নুধিছে :

* ২১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক, গত খরা (Draught) সময়ে সেচ বিভাগ আসাম রাজ্যে কৃষকদের সাহায্যে কোন প্রকল্প করেছিলেন কি ?

(খ) কৰিমগঞ্জ জেলায় কোন প্ৰকল্প গ্ৰহণ কৰা হৈছিল কি ?

(গ) যদি না কৰা হয় কাৰণ কি ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চলিত স্থায়ী জলসিঞ্চন আচনিৰ পৰা সম্ভৱপৰ জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি ডিজেল চালিত ভ্ৰাম্যমান পাম্পৰ সহায়ত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল। ডিজেল চালিত পাম্প সমূহৰ প্ৰজ্বলকৰ খৰছ, বিভিন্ন স্থানলৈ অনা নিয়াৰ খৰছ আৰু বিদ্যুত চালিত পাম্পৰ বিদ্যুত শক্তিৰ খৰছ আদিৰ কাৰণে ৰাজ্যখনত মুঠ ৭০ (সত্তৰ) লাখ টকাৰ চৰকাৰী মঞ্জুৰী দিয়া হৈছিল।

(খ) ৰাজ্যৰ অন্যান্য খৰাং পিড়িত অঞ্চলৰ দৰেই (ক) ত উল্লেখ কৰা উপায়েৰে জলসিঞ্চনৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিমগঞ্জ জিলাতো কৰা হৈছিল।

(গ) প্ৰশ্ন নুঠে।

## বিষয় : তুলুঙ সংৰক্ষিত বনাঞ্চল।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

* ২১২। মাননীয় বনবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) লক্ষীমপুৰ জিলাৰ সোৱনশিৰি তুলুঙ অঞ্চলৰ সংৰক্ষিত বনাঞ্চলৰ শলখ, বনচোম, তিতাচপা, গমাৰী আৰু জুটলী ইত্যাধি মূল্যবান গছ গছনিবোৰ অৰুনাচলৰ মানুহে কাটি লৈ যোৱাৰ ফলত উক্ত অঞ্চলবোৰত সৰিয়হ খেতি কৰা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, এই মূল্যবান কাঠৰ গছ গছনিবোৰ সংৰক্ষণ কৰাৰ চৰকাৰে কি বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে ?

(গ) যদি কিবা ব্যৱস্থা গ্ৰহণ কৰিছে, তেন্তে ইয়াৰ কাৰ্য্যকৰী কেতিয়া কৰা হব ?

(ঘ) যদি নাই লোৱা তেন্তে এই সংৰক্ষিত তুলুঙ বনাঞ্চলৰ সংৰক্ষণ ব্যৱস্থা উঠাই লৈছে নেকি ?

শ্ৰীভৰত চন্দ্ৰ নৰহ (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, চৰকাৰ জ্ঞাত, কিন্তু বনজ সম্পদবোৰ সেই ঠাইতে জুই জ্বলাই কাটি চিঙি ধ্বংস কৰিছে।

(খ) বেদখলকাৰীক উচ্ছেদ আৰু বৃক্ষৰোপণ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(গ) অনতি পলমে কাৰ্য্যকৰী কৰা হব।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় : পৰিবহন নিগমৰ মান উন্নতীকৰণ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

* ২১৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰাজ্যিক পৰিবহন নিগমৰ মানদণ্ড উন্নতিৰ হকে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিব বিচাৰিছে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (পৰিবহন মন্ত্ৰী) য়ে উত্তৰ দিছে :

যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰাজ্যিক পৰিবহন নিগমৰ মানদণ্ড উন্নতিৰ হকে বিত্তীয় দিশ আৰু আৱশ্যকতাৰ গুৰুত্বানুসাৰে ঠায়ে ঠায়ে আস্থান ভৱন, ভ্ৰাম্যমান টিকটঘৰ, জিৰণী কক্ষ, শৌচাগাৰ, মূত্ৰাগাৰ বিজুলী আৰু খোৱা পানীৰ ব্যৱস্থা আদি মৌলিক সা সুবিধাবোৰ, আস্থান নিৰ্মাণ তথা উন্নতি কৰিবলৈ বিচৰা হৈছে।

তাৰোপৰি আস্থান বিশেষত যাত্ৰীৰ বস্তু বাহানি ৰখাৰ আছুতীয়া কক্ষ, কেন্টিন, ফল-মূল, কিতাপ, আলোচনী আৰু ডাক সোৱাৰ ব্যৱস্থা ৰখাৰ বাবেও গুৰুত্ব দিয়া হৈছে।

## বিষয় : হিমালয়ান প্লাইউডৰ কৰ্মচাৰীৰ ধৰ্মঘট

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে :

* ২১৪। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) এই বছৰ মাৰ্চমাহত তিনিচুকীয়াৰ 'হিমালয়ান প্লাইউডত' কৰ্মচাৰী সকলে কিছু দাবীলৈ ধৰ্মঘট কৰা কথাটো চৰকাৰে জানেনে ?

(খ) ত্ৰিপাক্ষীক চুক্তিত উল্লিখিত V.D.A ৰ (মৰগীয়া বানচ) স্পষ্টীকৰনৰ বাবে শ্ৰম আয়ুক্তলৈ সহকাৰী শ্ৰম আয়ুক্তই লিখা চিঠিখনৰ কথা চৰকাৰে জানেনে ?

(গ) যদি জানে, স্পষ্টীকৰনটো পঠোৱা হলনে ?

শ্ৰীবাৰ্কিপ্ৰসাদ তেলেঙ্গা (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তিনিচুকীয়াৰ 'হিমালয়ান প্লাইউডৰ' শ্ৰমিকে এই বছৰৰ মাৰ্চ মাহত কোনো ধৰ্মঘট কৰা নাই।

(খ) চিঠি লিখাটো হয়।

(গ) স্পষ্টীকৰণ এটা উপ শ্ৰম আয়ুক্তই অসমৰ শ্ৰম আয়ুক্তৰ হৈ পঠিয়াইছিল, কিন্তু সেইটো স্পষ্ট নোহোৱা বুলি জনাই তিনচুকীয়াৰ সহ শ্ৰম আয়ুক্তই পুনৰ শ্ৰম আয়ুক্তলৈ এখন চিঠি পঠিয়াইছিল। কিন্তু সেই সম্পৰ্কে কোনো স্পষ্টীকৰণ পঠোৱা হোৱা নাই।

## বিষয় : নিবনুৱাৰ সংস্থাপন।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

*২১৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসমৰ নিবনুৱাসকলৰ সংস্থাপনৰ বাবে চৰকাৰে কি সিদ্ধান্ত গ্ৰহণ কৰিছে :

(খ) যিহেতু সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে লক্ষীমপুৰ জিলাখন এক উদ্যোগবিহীন জিলা গতিকে এই উদ্যোগবিহীন জিলাখনৰ শিক্ষিত অৰ্দ্ধ শিক্ষিত নিবনুৱা যুৱক যুৱতীসকলৰ সংস্থাপনৰ বাবে বিশেষ কিবা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা, (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নিয়োগ বিভাগৰ ক্ষেত্ৰত অধিক সংখ্যক নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰি নিয়োগৰ সুবিধাৰ্থে ৰাজ্যত এই বছৰত তিনিটা নিয়োগ বিনিময় কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(খ) নিয়োগ বিভাগৰ ফালৰ পৰা তেনে বিশেষ আঁচনি হাতত লব পৰা হোৱা নাই।

## ৰিষয়ঃ চাহ মজতুৰৰ উন্নয়ণৰ আঁচনি।

শ্রীদেবেশ্বৰ বৰাই সুধিছে :

* ২১৬৷ মাননীয় শ্রম বিভাগৰ মন্ত্রী মহোদয় অনুগ্রহ কৰি জনাবনে :

(ক) চৰকাৰে অসমৰ চাহ মজতুৰসকলৰ উন্নয়নৰ বাবে কি আঁচনি গ্রহণ কৰিছে ?

(খ) সঞ্চালক, চাহ মজতুৰ উন্নয়ন পৰিষদক শ্রম আৰু নিয়োগ বিভাগৰ অধীনলৈ অনাৰ বাবে চিন্তা কৰিছে নেকি ?

(গ) যদি কৰিছে কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্রীবাৰ্কিপ্রসাদ তেলেঙ্গা ( শ্রম ও নিয়োগ বিভাগৰ মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) অসমৰ চাহ শ্রমিক মজতুৰসকলৰ উন্নয়নৰ বাবে অসম চাহ শ্রমিক কল্যাণ পৰিষদৰ অধীনত তলত দিয়া দৰে ১৪ দফীয়া আঁচনি আছে।

(১) অসমৰ বিভিন্ন ঠাইত ১৫ খন শ্রমিক কল্যাণ কেন্দ্রত মাহেকীয়া বৃত্তিসহ বিভিন্ন কাৰিকৰী বিষয়ত প্রশিক্ষণ আদি দিয়াৰ ব্যৱস্থা আছে।

(২) শিৱসাগৰ জিলাৰ মেজেঙ্গাত মহিলা শ্রমিক উন্নয়নৰ বাবে প্রশিক্ষণ কেন্দ্র আছে।

(৩) চাহ শ্রমিক জনজাতীয় ছাত্রসকলৰ বাবে মহাবিদ্যালয় আদিত অধ্যয়নৰ বাবে গুৱাহাটী আদি কৰি প্রধান চহৰবোৰত বিনামূলীয়া ছাত্রবাসৰ ব্যৱস্থা।

(৪) অষ্টমমানৰ পৰা বিশ্ববিদ্যালয় পর্যায়লৈকে পঢ়ি থকা চাহ শ্রমিক ছাত্র-ছাত্রী সকললৈ পুথি কিনিবৰ বাবে এককালীন আর্থিক সাহায্য।

(৫) চিকিৎসা আদি উচ্চ বিষয়ত শিক্ষা গ্রহণ কৰি থকা ছাত্র-ছাত্রীলৈ মাহেকীয়া বৃত্তি।

(৬) মহাবিদ্যালয় আদি কৰি শিক্ষা অনুষ্ঠানত শিক্ষা লাভ কৰি থকা চাহ শ্ৰমিক জনজাতীয় ছাত্ৰ ছাত্ৰীৰ বাবে জন শিক্ষামূলক ভ্ৰমণৰ ব্যৱস্থা।

(৭) শিক্ষিত চাহ শ্ৰমিক যুৱতীসকলৰ বাবে নাৰ্চ প্ৰশিক্ষণৰ ব্যৱস্থা।

(৮) কৰ্কট আৰু যক্ষ্মা ৰোগীসকলৰ চিকিৎসাৰ বাবে আৰ্থিক অনুদানৰ। ব্যৱস্থা।

(৯) শাৰীৰিক অক্ষম সকললৈ এককালীন আৰ্থিক সাহায্য।

(১০) বিনামূলীয়া চকু চিকিৎসা শিৱিৰ।

(১১) চাহ শ্ৰমিকৰ বাবে বিশেষ পৰিস্থিতিত এককালীন সাহায্য।

(১২) চাহ শ্ৰমিক সকলৰ কল্যাণমূলক অনুষ্ঠান প্ৰতিষ্ঠানত আৰ্থিক অনুদান।

(১৩) চাহ শ্ৰমিক ৰোগী সকলৰ বাবে বিনামূলীয়া জিৱনী ঘৰ।

(১৪) কেঁচুৱা সকলৰ বাবে প্ৰতিষেধক বেজি দিয়াৰ ব্যৱস্থা।

(খ) সঞ্চালক চাহ মজদুৰ উন্নয়ন পৰিষদ নামৰ কোনো পদ বা অনুষ্ঠান শ্ৰম ও নিয়োগ বিভাগৰ অধীনত নাই। গতিকে শ্ৰম ও নিয়োগ বিভাগৰ অধীনলৈ অনাৰ প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**Re : Police outpost at kalachera.**

Shri Abdul Muhib Majumder asked :

* 217 Will the Minister, Home be pleased to state :

(a) There was Publie demand for a Police sout-post at kalachera (Hailakandi)?

(b) If so, the steps being taken to establish a Police out-post at kalachera ?

শ্ৰীভৃগু কুমাৰ ফুকন (গৃহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) কালাচেৰাত (হাইলাকান্দি) আৰক্ষী চকী বিচাৰি ৰাইজে দিয়া আবেদন আৰক্ষী মহাসঞ্চালকে পাইছে।

(খ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

**বিষয় : সৰুনগৰ আৰু মধ্যনগৰ উন্নতিকৰণ :**

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

* ২১৮ মাননীয় নগৰ ও গাঁও পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬-৮৭ চনত চৰকাৰে কিমানখন চহৰক সমন্বিত সৰু নগৰ আৰু মধ্যম নগৰ উন্নয়নৰ আঁচনিত ( DSMT programme) গ্ৰহণ কৰিছে ?

(খ) ১৯৮৭-৮৮ চনত গোলাঘাট নগৰক উক্ত আঁচনিত অন্তৰ্ভুক্ত কৰিছে নেকি ?

শ্ৰীঅতুল বৰা (নগৰ ও গাঁও পৰিকল্পনা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৫ (পাঁচ) খন।

(খ) চেষ্টা চলি আছে।

**Re : Vehicle alloted to Goalpara Civil Hospital.**

Shri Maziruddin Ahmed asked :

* 219 Will the Minister, Health be pleased to state ?

(a) Whether the vehicle No.ASU 3837 was allotted for Goalpara Civil Hospital ?

(b) Whether the said vehicle has been taken to Central Workshop for repair and if so when ?

(c) Whether the vehicle has been repaired ?

(d) If the vehicle is a condemned one, will the Government replace by another vehicle soon.

Shri Chandra Mohan Patowary, (Health Minister) replied :

(a) The vehicle No. ASU. 3837 was allotted to the Sub-Divisional Medical & Health Officer, Goalpara.

(b) Yes, on 3.4.86.

(c) The vehicle is earmarked for condemnation.

(d) Steps are being taken for replacement.

**Re :Ambulance for Goalpara Civil Hospital.**

Shri Maziruddin Ahmed asked :

*220. Will the Minister Health be pleased to state :

(a) Whether the Minibus vehicle No. AMU. 745 was placed under the disposal of Goalpara Civil Hospital meant for Char Area ?

(b) Whether the said vehicle has been taken away by the Government by placing one un-serviceable vehicle which is lying condemned ?

(c) Whether immense difficulties are being faced at Goalpara Hospital for want of a vehicle ?

(d) If so, will the Government return the original minibus No. AMU 745 immediately ?

Shri Chandra Mohan Patowary, (Minister, Health) replied.

(a) Yes, placed under the disposal of Chief Medical & Health Officer, Goalpara meant for Char Area (Prevention of blindness).

(b) Yes, but a serviceable vehicle was placed.

(c) No. As no camp for the purpose (Blindness) was organised. There is no question of causing any difficulty.

(d) Does not arise.

**Re : Ambulance of Karimganj Hospital**

Shri Abdul Muqtadir Choudhury asked :

* 221 Will the Minister, Health be pleased to state :

(a) Whether it is a fact that the Ambulance of Karimganj (Civil) District Hospital is an old one and remains often out of order causing great in convenience to the patient ?

(b) The number of Ambulance at Karimganj District Hospital ?

(c) Whether it is a fact that Ambulance ear-marked Karimganj Civil Hospital has been directed to else where few months back ?

Shri Chandra Mohan Patowary, (Minister, Health) replied :

(a) Yes, another vehicle against the same is being sent.

(d) 1 (one)

(c) Yes, for epidemic and flood

## বিষয়ঃ শিক্ষা উপদেষ্টা বোৰ্ড

শ্ৰীৰত্নেশ্বৰ সৰকাৰে সুধিছে:

* ২২২। মাননীয় শিক্ষা বিভাগৰ (মন্ত্ৰী) মহোদয়ে জনাবনে:

(ক) অসমৰ মহকুমা ভিত্তিত গঠিত শিক্ষা উপদেষ্টা বোৰ্ডক কি কি কাম কৰিবলৈ দায়ীত্ব দিছে অনুগ্ৰহ কৰি জনাবনে ?

(খ) উক্ত বোৰ্ডৰ সিদ্ধান্ত মৰ্মে শিক্ষা বিভাগৰ সকলো কাম সমাধা হবনে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) অসমত মহকুমা ভিত্তিত গঠিত প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদ সমূহক প্ৰাথমিক শিক্ষাৰ উন্নতিৰ অৰ্থে লোৱা আঁচনী সমূহ ফলপ্ৰসু ৰূপায়নৰ বাবে, ভগ্ন বিদ্যালয় সমূহৰ তালিকা প্ৰস্তুত কৰি মেৰামতিৰ কাৰণে, বিদ্যালয় সমূহত আচঁ বাব আদি মঞ্জুৰী দিবৰ বাবে, তালিকা প্ৰস্তুত কৰাৰ কাৰণে, বিনামূলীয়া পাঠ্যপুথি বিতৰণত চৰকাৰৰ নীতিমতে ব্যৱস্থা লোৱাৰ কাৰণে, বিদ্যালয় সমূহৰ আৰু ছাত্ৰৰ ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে আৰু শিক্ষক নিযুক্তিৰ বাবে নিয়ম অনুযায়ী ব্যৱস্থা লোৱা আদি বিষয়ত দায়িত্ব দিয়া হৈছে। এই প্ৰসঙ্গত চৰকাৰে ১৯৮৬ চনৰ ১ জুলাই তাৰিখে জাৰি কৰা অধিসুচনা নং EPG 115/86/1 সদনৰ মজিয়াত দাখিল কৰা হল।

(খ) শিক্ষা বিভাগৰ সকলো কাম সমাধান হোৱাৰ প্ৰশ্ন নুঠে।

## Re: A.S.E.B Office

শ্ৰীৰামেন্দ্ৰ দেয়ে জিজ্ঞাসা করিতেসেন:

* ২২৩। মাননীয় বিদ্যুৎ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি.

(ক) হাইলাকান্দি ASEB Office এবং SE, REC Office নিজস্ব ঘরে না ভাড়া ঘরে আছে ?

(খ) যদি ভাড়া ঘৰে হয় তবে ভাড়া কত কৰে ধাৰ্য্য হয়েছে ?

(গ) মালিক যথা সঙ্গ ভাড়া পান কি না ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হাইলাকান্দি গ্ৰাম্য বৈদ্যুতিকৰণৰ অধীক্ষক অভিযন্তাৰ কাৰ্য্যালয় আৰু কাৰ্য্যবাহী অভিযন্তা, হাইলাকান্দি গ্ৰাম্য বৈদ্যুতিকৰণ সংমণ্ডল কাৰ্য্যালয় হাইলাকান্দি টাউনৰ একেটা ভাড়াঘৰতে আছে। কিন্তু হাইলাকান্দি বৈদ্যুতিক উপ-সংমণ্ডল ১ আৰু ২ পৰিষদৰ নিজা ঘৰত আছে।

(খ) মাহে ২৮০৩.৪৪ টকাকৈ মাহিলী ভাড়া।

(গ) মালিকে ভাড়া পাই আছে।

## বিষয় : বিজুলী যোগান

শ্ৰীপদ্মনাথ কৈৱীয়ে সুধিছে :

* ২২৪। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বিশ্বনাথ মহকুমাৰ চাৰিআলি চহৰত ক'ৰ পৰা বিজুলী যোগান ধৰা হয়, জনাবনে ?

(খ) উক্ত চহৰত সঘণে ঘটি থকা বিজুলী বিজুতীৰ বিষয়ে জানেনে ?

(গ) যদি জানে তাৰ প্ৰতিকাৰৰ বাবে কেনে ধৰনৰ ব্যৱস্থা লব জনাবনে ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বিশ্বনাথ চাৰিআলি চহৰলৈ ডিপোটা গ্ৰীড চাবষ্টেচনৰ পৰা পাভৈ চাবষ্টেচনৰ মাজেৰে বিদ্যুত যোগান ধৰা হয়।

(খ) হয় জানো।

ডিপোটা চাবষ্টেচনৰ সাধাৰণ গ্ৰীডৰ পৰা বিজুলী যোগান ব্যাহত হলে, বিশ্বনাথ চাৰিআলিতো কেতিয়াবা সাময়ীক ভাৱে বিজুলী যোগান বন্ধ হয়। বিদ্যুত কৰ্ত্তনৰ সময়ত বিশ্বনাথ চাৰিআলি চহৰক অগ্ৰাধিকাৰ দিয়া হয়।

(গ) যোৱা তুমাহত বিদ্যুত উৎপাদনৰ পৰিস্থিতি উন্নত হোৱাত বিশ্বনাথ চাৰি আলি চহৰতো বিদ্যুত যোগান উন্নত হৈছে। কেতিয়াবা সাময়িক ভাবে উৎপাদন হ্রাস হলেও ডিপোতাত প্ৰাপ্ত বিদ্যুতৰ পৰিমানৰ ভিত্তিত বিশ্বনাথ চাৰিআলি চহৰক অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বিষয়ঃ বিষ্ণুপ্ৰিয়া মনিপুৰী

শ্ৰীৰামেন্দ্ৰ দেয়ে জিজ্ঞাসা করিতেসেন:

* ২২৫। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি:

(ক) আসাম রাজ্যে বিষ্ণুপ্ৰিয়া মনিপুরী ভাষা-ভাষিদের সংখ্যা কত?

(খ) বিষ্ণুপ্ৰিয়া মনিপুরীদের মাতৃ ভাষার মাধ্যমে প্রথামিক শিক্ষাদানের ব্যৱস্থা করার কথা রাজ্য চরকার চিন্তা করছেন কি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) মনিপুৰী বিষ্ণুপ্ৰিয়া বুলি কোনো ভাষাৰ উল্লেখ ১৯৭১ চনৰ লোক পিয়লত নাই, অৱশ্যে বিষ্ণুপ্ৰিয়া বুলি এটা ভাষাৰ উল্লেখ আছে। বিষ্ণুপ্ৰিয়া ভাষীৰ সংখ্যা ৩৩,৫৯০ জন (১৯৭১ চনৰ পিয়ল মতে)

(খ) বিষয়টো বিবেচনাধীন হৈ আছে।

বিষয়: প্ৰাইভেট এক্সপ্ৰেছ বাছ

শ্ৰীৰামেন্দ্ৰ দেয়ে জিজ্ঞাসা করিতেসেন:

* ২২৬। মাননীয় পরিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি:

(ক) শিলচর করিমগঞ্জ শিলচর ও লোয়াই পোয়া মেডিকেল কলেজ পৰ্য্যন্ত কতটা প্ৰাইভেট এক্সপ্ৰেছ বাছ দৈনিক চলে?

(খ) বাসগুলি কোন রাস্তা দিয়ে চলে?

(গ) রাস্তাগুলির উপর সরকারী নিয়ন্ত্রন আছে কি না?

(ঘ) ভাড়া কি ভাবে নির্দ্ধারিত হয়?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (মন্ত্ৰী, পৰিবহন বিভাগ) য়ে উত্তৰ দিছে :

(ক) শিলচৰ- কৰিমগঞ্জ, কৰিমগঞ্জ শিলচৰ- লাইনত দৈনিক মুঠ ১৪ খন বাছ চলে। ইয়াৰ উপৰিও কৰিমগঞ্জৰ পৰা লোৱাই পোৱা মেডিকেল কলেজ পৰ্য্যন্ত দৈনিক ১ খন প্ৰাইভেট্ বাছ চলে। এইবোৰ বাছ এক্সপ্ৰেস্ নহয়। ইয়াৰে ৭খন বাছৰ পাৰ্মিট কৰিমগঞ্জ আঞ্চলিক পৰিবহন কাৰ্য্যালয়ৰ পৰা আৰু ৮ খন শিলচৰ আঞ্চলিক পৰিবহন কাৰ্য্যালয়ৰ পৰা মঞ্জুৰ কৰা হৈছে।

(খ) কৰিমগঞ্জৰপৰা ৰাওনা হোৱা বাছ বোৰ নিলামবজাৰ, তুৱৰী, মহিশাসন, লাতু, ফকিৰাবজাৰ, সুতাৰকান্দি, লক্ষা বজাৰ, কৰিমগঞ্জ ও ৰাঙ্গামাটি লোৱাইপোৱা, কচুবাৰী, চানখিৰা, বকুয়াল, পাঠাৰকান্দি, নিলাম বজাৰ লঙ্গাই, কৰিমগঞ্জ ইত্যাদি হৈ চলে। আৰু নিলামবজাৰৰ পৰা শিলচৰলৈকে তুৱৰী, লাতু, ফকিৰ বজাৰ, সুতাৰকান্দি, কৰিমগঞ্জ ভাঙ্গা আৰু বদৰপুৰ হৈ চলাচল কৰে। ৫খন বাছ বান্দৰ, খালৰ পৰা ডলু, উদাৰবন্দ, শিলচৰ হৈ কৰিমগঞ্জ পৰ্য্যন্ত চলাচল কৰে।

(গ) আছে।

(ঘ) যাত্ৰীৰ ভাড়া চৰকাৰে নিৰ্দ্ধাৰণ কৰে। চৰকাৰৰ অনুমোদিত নিৰিখত দূৰত্ব ভিত্তিত যাত্ৰীৰ পৰা ভাড়া আদায় কৰা হয়।

## বিষয় : বাছ পাৰ্মিট

শ্ৰীরামেন্দ্র দেয়ে জিজ্ঞাসা করিতেসেন :

* ২২৭। মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি :

(ক) Silchar, Karimganj এবং Karimganj Halflong Karimganj & Medical College ... ... পর্য্যান্ত চলাচলের জন্য কতটা ব্যক্তিগত মালিকানার বাসকে কাছাড় করিমগঞ্জ জিলায় দেওয়া হয়েছে ?

(খ) তাদের ভাড়া কি ভাবে নিদ্ধারিত হয় ?

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা, (পৰিবহন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে।

(ক) শিলচৰ-কৰিমগঞ্জ, ৰাষ্টাত শিলচৰ আঞ্চলিক পৰিবহন কাৰ্যালয়ৰ পৰা ৮ খন বাছৰ পাৰ্মিট ব্যক্তিগত মালিকনাত দিয়া হৈছে। কৰিমগঞ্জ হাফলং ৰাষ্টাত ১ খন বাছৰ পাৰ্মিট দিয়া হৈছে আৰু উক্ত বাছখন কৰিমগঞ্জ শিলচৰ হৈ হাফলং চলাচল কৰে।

কৰিমগঞ্জ মেডিকেল কলেজ ৰাষ্টাত সুকীয়া কোনো বাছ পাৰ্মিট দিয়া হোৱা নাই। কিন্তু নিলাম বাজাৰ, ডুব্ৰী মহিশাসন, ফকিৰা বাজাৰ, সুতাৰকান্দি, লক্ষী বাজাৰ হৈ বাঙলা মাটি লোৱাই পোৱা, কচুবাৰী চানখিৰা বাকুৱাইল পাথাৰকান্দি নিলাম বাজাৰ লঙগাই যিবোৰ গাড়ী চলাচল কৰে সেইবোৰ গাড়ী শিলচৰ আৰু Medical College পৰ্য্যান্ত যায়।

(খ) যাত্ৰীৰ ভাড়া চৰকাৰে নিৰ্দ্ধাৰণ কৰে।

### Re : Posting of Officers

Shri Sheikh Abdul Hamid asked :

*228. Will the Minister, Flood Control be pleased to state :

(a) Is it a fact that there is a general rule that an officer is not be kept in the same place of posting more than three years.

(b) If so the number of Asstt. E.E. of F.C. Department staying in their respective places of posting for more-than five years.

(c) The number of transfer orders of Asstt. E.E. of F. C. Department passed from 1st January' 1986 to 31st October, 1986 and subsequently, stayed and reasons thereof.

Shri Samsing Hanse (Minister) replied :

(a) Yes.

(b) At present there are no Asstt. E.E S under F.C. Department staying more than five years in their respective, place of posting except 2 (two).

(c) Total 8 (eight) transfer orders were issued in respect of as many as 38 (thirty eight) Asstt. E.E s from January 1986 to Octobar 1986 and none of the above orders was stayed.

বিষয় : চাৰ্কেল গঠন

শ্ৰীগোপীনাথ দাসে সুধিছে :

* ২২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সোনতলী আৰু চামৰীয়া মৌজা দুখন লৈ নতুনকৈ এখন চাৰ্কেল গঠন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) যদি কৰে তেন্তে কেতিয়া গঠন কৰিব জনাবনে ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান চৰকাৰৰ হাতত তেনেকুৱা প্ৰস্তাৱ নাই।

(খ) প্ৰশ্ন নুঠে।

Re : Erosion of Brahmaputra.

Shri Muktar Hussain asked :

* 230 Will the Minister Revenue be pleased to state :

(a) Whether the Government is aware of the fact that hundred of families have rendered homeless due to the erosion of River Brahmaputra in village (Khola-bandha and Nirala under Baghbar cirele of Borpeta District ?

(b) If so, whether the Government provided any relief to affected families ?

(c) Whether the Government have taken measures to rehabilitate the affected families ?

Shri Thaneswar Boro, (Minister, Revenue) replied :

(a) Government have no such information.

(b) Does not arise.

(c) Does not arise.

### বিষয় ঃ প্ৰকাশন পৰিষদৰ বিৰুদ্ধে অভিযোগ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে :

* ২৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম প্ৰকাশন পৰিষদৰ বিৰুদ্ধে বাতৰি কাকতত যিবোৰ মন্তব্য প্ৰকাশ পাইছে সেইয়া সচাঁনে ?

(খ) যদি সচাঁ হয়, চৰকাৰে ইয়াৰ বাবে কি ব্যৱস্থা হাতত লৈছে ?

(গ) উক্ত পৰিষদৰ দ্বাৰা প্ৰকাশিত "প্ৰকাশ" আলোচনী খন বন্ধ হৈ যোৱাটো সচাঁনে ?

(ঘ) যদি সচাঁ হয়, তাৰ কাৰণ কি ?

(ঙ) ইয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীবৃন্দাবন গোস্বামী, (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এই সম্পৰ্কে তদন্ত কৰি থকা হৈছে।

(খ) প্ৰতিবেদন পালে ব্যৱস্থা লোৱা হ'ব।

(গ) যোৱা জুলাই মাহৰ পৰা অক্টোবৰ মাহলৈকে ৪ টা সংখ্যাৰ "প্ৰকাশ" আলোচনী খন বন্ধ হৈ থকাটো সচাঁ।

(ঘ) প্ৰাক্তন সচিব গৰাকীয়ে নিজ ইচ্ছাতে প্ৰকাশ বন্ধ কৰিছিল।

(ঙ) যোৱা নৱেম্বৰ মাহৰ পৰা নিয়মীয়াকৈ "প্ৰকাশ" আলোচনী খন ওলাই আছে।

## বিষয়ঃ ত্রিশখন বিচনাযুক্ত চিকিৎসালয়।

শ্ৰীশ্বৰ্ই তুল ইছলামে সুধিছে ঃ

* ২৩১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত চৰকাৰে কিমান ত্ৰিশখন বিছনাযুক্ত স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে আৰু কোন কোন ঠাইত হব জনাবনে ?

(খ) মৈৰাবাৰীত ত্ৰিশখন বিছনাযুক্ত স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ কথা চৰকাৰে ভাবিছেনে ?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৭১ খন ৩০ সংখ্যা বিশিষ্ট চিকিৎসালয় স্থাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল।

(খ) হয়। ভাবিছে।

## Re : Title Madrasa.

Shri Muktar Hussain asked :

* 233. Will the Minister, Education be pleased to state :

(a) The number of title Madrasa in Assam and the number of employees in these Madrasa ?

(Please state teaching and non-teaching staff seperately).

(b) Is it a fact that non-teaching employees of title Madrasa are not getting D.A. Medical and House-rent facilities as the State Government employees are getting ?

(c) If so, reasons thereof ?

(d) Will the Government take necessary steps to provide there with equal D.A., medical and houserent to the State Government employees ?

শ্ৰীবৃন্দাবন গোস্বামী, (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমত টাইটেল, মাদ্ৰাছাৰ সংখ্যা ৭ খন।

শিক্ষকৰ সংখ্যা মুঠ ৪২ জন আৰু কৰ্মচাৰীৰ সংখ্যা ২২ জন।

(খ) টাইটেল্ মাদ্ৰাছাৰ শিক্ষকতা নকৰা কৰ্মচাৰী সকলে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ দৰে মৰগীয়া বানছ পায়।

ঘৰভাড়া আৰু চিকিৎসা বানছৰ সুবিধা এওঁলোকক এতিয়ালৈকে দিয়া হোৱা নাই।

(গ)
(ঘ) বিষয়টো বিবেচনাধীন হৈ আছে।

## Re : Langai L.I.S.

Shri Abdul Muqtadir Chaudhury asked :

* 234. Will the Minister, Irrigation be pleased to state :

(a) The present position of the Langai phase-II L.I.S. under Karimganj Irrigation Division ?

(b) Whether it is a fact that Langai phase-III L.I.S. has ben completed long back leaving phase-II ?

Shri Pabin Chandra Deka, (Minister, Irrigation) replied :

(a) The work of Langai phase — II L.I.S. is yet to be started.

(b) Yes.

## Re : Deportation of person.

Sri Muktar Hussain asked :

* 235. Will the Chief Minister be pleased to State :

(a) The number of persons already deported/purshed back from 1st january 1986 till to-day ?

(b) Of the deported persons how many persons are under the catagory of re-infiltrators and how many of them have entered after the 24th March, 1971 ?

(c) Is it a fact that in case of deutation no documents are examined before ascertaining as re-infiltrators ?

(d) Is it also a fact that some persons deported whose name appeared in the N.R.C. of 1951 ?

Sri Prafulla Kumar Mahanta, (Chief Minister) replied ;

(a) & (b) Total 1,341 persons (Bangladesh nationals) were depoted/purshed back to Bangladesh from 1st January 1986 to 15th November 1986 out of these 182 persons were re-infiltrators,

(c) No, documents are examined before ascertaining as re-infiltrators.

(d) No.

## বিষয় ঃ অসম চুক্তি

শ্ৰীআব্দুল জলিলে সুধিছে ঃ

* ২৩৬। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি কিমানদূৰ কাৰ্য্যকৰী কৰা হৈছে ?

(খ) সমুদায় চুক্তি খনৰ দফাই দফাই কিমানদূৰ কাৰ্য্যকৰী কৰা হ'ল জনাব নে ?

(গ) অসম চুক্তি খনৰ ৰাজ্য চৰকাৰে কৰিবলগীয়া কাম খিনি সম্পাদন নকৰি কেন্দ্ৰীয় চৰকাৰৰ আঁৰত দোষ জাপি দি ৰাইজক আভুৱা ভৰিছে বোলা অভিযোগটো সচাঁ নেকি ?

(ঘ) যদি সচাঁ নহয়, অসম চুক্তিৰ কথা আৰু চৰকাৰে কামৰ নাম দি

চৰকাৰৰ 'শ্বেতপত্ৰ' এখন প্ৰকাশ কৰি ৰাইজৰ সন্দেহ আতৰ কৰিব নে ?

শ্ৰীপ্ৰফুল্ল মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) আৰু (খ) অসম চুক্তি ৰূপায়ণৰ অগ্ৰগতিৰ খতিয়ানৰ প্ৰতিলিপি এটা বিধান সভাৰ মেজত ৰখা হৈছে।

(গ) সচাঁ নহয়।

(ঘ) (ক) আৰু (খ) ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**Re: Guide Line for selection of candidates.**

Shri Digendra Purkayastha asked:

* 237. Will the Minister, Education be pleased to state:

(a) Whether any guide-line have been issued for selection of candidates for the post of L.P. Teachers by the Sub-divisional Boards ?

(b) If so, those guide-lines ?

শ্ৰীযতীন মালি (মন্ত্ৰী, ৰাজ্যিক শিক্ষা বিভাগ) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) প্ৰাথমিক শিক্ষক নিৰ্বাচনৰ বাবে দিয়া নিৰ্দেশাৱলীৰ এটা প্ৰতিলিপি বিধান সভাৰ মেজত ৰখা হৈছে।

## বিষয়: পথালি পাহাৰ লেভেল ক্ৰচিং

শ্ৰীকেশৰাম বৰাই সুধিছে :

* ২৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৮৬ চনৰ ১২ চেপ্তেম্বৰত বিহপুৰীয়া সমষ্টিৰ পথালি পাহাৰ লেভেল ক্ৰচিঙত LavelCrossing বাছ আৰু ৰেলৰ মাজত হোৱা সংঘৰ্ষত যি সকল লোক আহত হৈছিল তেওঁলোকৰ চিকিৎসাৰ কাৰণে চৰকাৰে কিমান পৰিমাণৰ ধন এককালিন সাহায্য হিচাবে আগবঢ়াইছিল জনাব নে ?

(খ) ঘোষিত টকাৰ পৰিমানৰ ঠাইত ১,০০০·০০ টকাকৈহে এককালিন সাহায্য হিচাবে দিয়া কথাটো সচাঁ নে ?

(গ) যদি সচাঁ কিবা ব্যৱস্থা লোৱাৰ কথা চৰকাৰে ভাবিছে নেকি ?

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী, ৰাজহ বিভাগ) য়ে উত্তৰ দিছে :

(ক) ১৯৮৬ চনৰ ১১ চেপ্তেম্বৰ তাৰিখে ৰেল আৰু বাছৰ সংঘৰ্ষৰ ফলত যিসকল লোক আহত হৈছিল, তেওঁলোকৰ আঘাটৰ গুৰুত্বনুযায়ী ৩,০০০·০০ টকালৈকে সাহায্য আগ বঢ়োৱা হৈছিল ।

(খ) মুঠ ৮০ জন লোক এই দুৰ্ঘটনাত আহত হৈছিল । তাৰে ৭১ জন গুৰুতৰ ভাবে আৰু ৩৯ জন সাধাৰণ ভাৱে । সাধাৰণ ভাবে আহত এই ৩১ জনক ১,০০০·০০ টকাকৈ এককালীন সাহায্য দিয়া হৈছিল । অত্যন্ত গুৰুতৰ ভাবে আহত হোৱা ৪ জনক ৩,০০০·০০ টকা আৰু বাকী ৩৭ জনক ২,০০০·০০ টকা সাহায্য দিয়া হৈছিল ।

(গ) প্ৰশ্ন নুঠে ।

Mr. Speaker : The time for starred question is over. Now, Short Notice Questions.

### Short Notice Questions & Answers
**(To which oral answers were given)**

### বিষয় : মিচিং ভাষাৰ লিপি ।

শ্ৰীগনেশ শ্ৰীকুটুমে সুধিছে :

৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) মিচিং সম্প্ৰদায়ৰ বাবে স্বীকৃতি প্ৰাপ্ত "মিচিং ভাষাৰ" লিপি কি জনাবনে ?

(খ) ১৯৮৬-৮৭ চনৰ বিত্তীয় বছৰৰ বাবে কেইখন বিদ্যালয়ত "মিচিং ভাষা" প্ৰচলনৰ ব্যৱস্থা কৰিছে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৮৫ চনত মিচিং ভাষা মিচিং লিপিৰে (সংশোধিত ৰোমান লিপি) প্ৰবৰ্ত্তন কৰাৰ এটা সিদ্ধান্ত লোৱা হৈছিল ।

(খ) ১৯৮৬-৮৭ চনত চৰকাৰে যিবোৰ প্ৰাথমিক স্কুলত শতকৰা এশ ভাগ মিচিং ছাত্ৰ-ছাত্ৰী আছে তেনেবোৰ স্কুলত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত মিচিং ভাষা এটা বিষয় হিচাবে শিকাবলৈ সিদ্ধান্ত লৈছে।

শ্ৰীগনেশ কুটুম: মোৰ প্ৰশ্নটো আছিল যে লিপি কি?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী): মিচিং ভাষাৰ মিচিং লিপি (সংশোধিত ৰোমান লিপি)।

## বিষয়: বাজেটৰ নিৰ্দ্ধাৰিত ধন ব্যয়।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে:

৮। মাননীয় মূখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ১৯৭০-১৯৮৬ চনৰ ভিতৰত ৰাজ্যৰ বাৰ্ষিক বাজেটত নিৰ্দ্ধাৰিত কৰা ধনৰ উপৰিও অতিৰিক্ত ভাবে চৰকাৰে (বিধান সভাত বিনা অনুমোদনে) ধন ব্যয় কৰিছে নেকি?

(খ) যদি কৰিছে তেন্তে কোন বছৰত কিমান ধন খৰছ কৰিছে, জনাবনে?

(গ) বাজেটত নিৰ্দ্ধাৰিত নকৰাকৈ এনেদৰে ধন ব্যয় কৰাটো প্ৰচলিত নীতিৰ বিৰুদ্ধে নহয় নে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ৰাজ্যৰ বাৰ্ষিক বাজেটত বিধান সভাৰ অনুমোদিত সৰ্বমুঠ টকাৰ উপৰিও ১৯৭০-৭১ চনৰ আৰু ১৯৮০-৮১ চনত বেচি খৰছ হৈছে।

(খ) বাৰ্ষিক বাজেটৰ সৰ্বমুঠ অনুমোদিত টকাৰ ওপৰত অতিৰিক্ত খৰছ ১৯৭০-৭১ চনত ৩,০৩'৯৯ লাখ ১৯৮০-৮১ চনত ২৮৬,৮২'১৯ লাখ। কিন্তু বিভিন্ন বিভাগৰ কাৰণে সদনে অনুমোদন কৰা টকা বেলেগে বেলেগে ধৰিলে কিছুমান বিভাগৰ খৰছ সদনে দিয়া টকাতকৈ বেছি হৈছে। এনেদৰে বেছি খৰছৰ পৰিমান তলত দিয়া হল।

| | |
|---|---|
| ১৯৭০-৭১—— | ১৯,৬৮'৬৯ লাখ |
| ১৯৭১-৭২—— | ১৯,১৭'৭৪ লাখ |
| ১৯৭২-৭৩—— | ১,৫৪'৪৭ লাখ |
| ১৯৭৩-৭৪—— | ৭,৯৫'৩৪ লাখ |
| ১৯৭৪-৭৫ — — | ২১,৬৪'৪৩ লাখ |

| | |
|---|---|
| ১৯৭৫-৭৬—— | ৪,৫৮'৯৮ লাখ |
| ১৯৭৬-৭৭—— | ৫,৩৫'৩৯ লাখ |
| ১৯৭৭-৭৮—— | ১০,৩৮'৬৮ লাখ |
| ১৯৭৮-৭৯—— | ৭,৫৬'২১ লাখ |
| ১৯৭৯-৮০—— | ১০,৩৩'৬৪ লাখ |
| ১৯৮০-৮১—— | ৩,৩৫,৭০'৮৬ লাখ |
| ১৯৮১-৮২—— | ৩৫,৫৮'৪৫ লাখ |
| ১৯৮২-৮৩—— | ১১,৫৯'৮৩ লাখ |

যদিও বেলেগে বেলেগে বিভাগৰ মঞ্জুৰী হিচাপ ধৰিলে ১৯৭০-৮২ চনলৈকে প্ৰত্যেক বছৰতেই খৰছ বেছি হৈছে কিছুমান বিভাগত আকৌ ৰাহি হোৱাও দেখা যায়। সেয়েহে বাৰ্ষিক সৰ্বমুঠ অনুমোদিত টকাৰ হিচাব ধৰিলে অকল ১৯৭০-৭১ চনত আৰু ১৯৮০-৮১ চনতহে উল্লেখিত অতিৰিক্ত খৰছ হৈছে। ১৯৮৩-৮৪ চনৰ পৰা ১৯৮৫-৮৬ চনলৈকে মহাগাণনিকে ৰখা হিচাব (Appropriation Accounts) সদনত উপস্থাপন কৰাৰ পিচতহে প্ৰচলিত নীতি অনুযায়ী অতিৰিক্ত ব্যয়/ৰাহি খতিয়ান লৈ ব্যৱস্থা লোৱা হব।

(গ) হয়।

শ্ৰীজয়নাথ শৰ্মা : বাজেটত পাচ নকৰালৈ যিখিনি টকা খৰচ কৰিলে সেই খিনি নিয়মতে কৰাৰ কিবা ব্যৱস্থা আছে নেকি? আৰু এই ধৰণ বাজেটত পাচ নকৰাকৈ খৰচ হোৱাৰ পিচত এইটো নিয়মিত কৰাৰ দায়িত্ব আমাৰ এই চৰকাৰেই লব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মূখ্য মন্ত্ৰী) : চৰকাৰ চৰকাৰেই। যেতিয়াই যি চৰকাৰেই নাহক লাগিলে। বিধান সভাই অনুমোদন জনোৱা মঞ্জুৰী ব্যয় কোনো বছৰত মঞ্জুৰীৰ দাবীতকৈ বেছি বা তাৰ ভিতৰতে থাকিব পাৰে, নাইবা কমো হব পাৰে। যেতিয়া এই মঞ্জুৰী সমূহ বেলেগ বেলেগ বিভাগ অনুযায়ী পৰীক্ষা নিৰীক্ষা কৰা যায়, তেতিয়া কিছুমান বিভাগে কোনো কোনো বিশেষ বছৰত ওপৰঞ্চি ব্যয় কৰা দেখা যায়। সদনে

অনুমোদন জনোৱা বাৰ্ষিক পুজিৰ সৰ্বমুঠ হিচাব ধৰিলে অতিৰিক্ত ব্যয়ৰ পৰিমান কম দেখা যায়, কিয়নো বিভাগ সমূহৰ মঞ্জুৰীৰ শিতানত সেইদৰে কিছু পৰিমানে ৰাহিও থাকে। কিছুমান বিভাগৰ হিচাবৰ সিতানত অতিৰিক্ত ব্যয়ৰ হিচাব পত্ৰৰ পৰা দেখা যায় যে কোনো এটা বিশেষ বছৰত বিভিন্ন বিভাগৰ ৰাহি হোৱা সৰ্বমুঠ টকাৰ পৰা অতিৰিক্ত কোনো খৰচ হোৱা নাই আৰু যদি হৈছেও সি মাত্ৰ সামান্যহে বেচি।

যদিও বাৰ্ষিক সৰ্বমুঠ মঞ্জুৰীৰ পৰা কোনো কোনো বছৰত ওপৰঞ্চি খৰচ হোৱা নাই তথাপিও বেলেগ বেলেগ ভাবে কোনো কোনো শিতানত ওপৰিঞ্চি খৰচ হলেও আৰু এই খৰচ বাৰ্ষিক সৰ্বমুঠৰ ভিতৰত থাকিলেও ই নিয়ম বহিৰ্ভূত। বিভিন্ন মঞ্জুৰী (বাজেট গ্ৰাণ্টচ) শিতানত সদনে বাজেট মঞ্জুৰী গৃহিত কৰে আৰু বিনিয়োজন অধিনিয়ম এপ্ৰপ্ৰিয়েচন অনুযায়ী ৰাজ্যৰ একত্ৰিকৃত নিধিৰ (কনচোলডেটেড ফাণ্ডৰ) পৰা টকা ওলিওৱাৰ অনুমোদন দিয়ে। তদুপৰি বিভিন্ন সেৱাৰ বাবে ৰাজহ খণ্ড (ৰেভিনিউ এফাউণ্ট) আৰু মূল ধন ফাণ্ডৰ (কেপিটেল এফাউণ্ট) অধিনত কৰা সমুদায় পুজি সদনৰ অনুমোদন মৰ্মে খৰচ কৰিব পৰা যায়। ভাৰতৰ সংবিধানৰ ২০৪ আৰু ২০৭ অনুচ্ছেদৰ স্বত্ব অনুসৰি বিনিয়োজন অধিনিয়মৰ (এপ্ৰপ্ৰিয়েচন এক্টৰ) অধিনত সদনে এই খৰচৰ অনুমোদনৰ ব্যৱস্থা কৰে। ভাৰতৰ সংবিধানৰ ২০৩ আৰু ২০৪ অনু চ্ছেদৰ "স্বত্ব অনুসৰি কোনো আইনৰ দ্বাৰা অধিনিয়মিত নহলে কোনো খৰচৰ বাবে একত্ৰিকৃত নিধিৰ পৰা পুজি উলিয়াই অতিৰিক্ত ভাবে ব্যয় কৰাটো নিয়ম বহিৰ্ভূত। বিভিন্ন মঞ্জুৰীৰ শিতানত প্ৰত্যেক বছৰে হোৱা ওপৰঞ্চি ব্যয়ৰ হিচাব প্ৰশ্নৰ উত্তৰত কোৱা হ'ল। এই হিচাব সমুহ বিনিয়োজন হিচাব শিতানৰ পৰা সংগ্ৰহ কৰা হৈছে। ভাৰতৰ কনট্ৰলাৰ আৰু অডিতৰ জেনেৰেলৰ পৰামৰ্শ অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতিৰ নিৰ্দ্দেশ ক্ৰমে ৰাজ্য চৰকাৰৰ হিচাব পত্ৰ সমূহ মহনগাননিকে নিৰিক্ষন কৰে। ভাৰতৰ কনট্ৰলাৰ আৰু অডিতৰ জেনেৰেল দাখিল কৰা ৰাজ্যচৰকাৰৰ হিচাব পত্ৰ সমূহ (এপ্ৰপ্ৰিয়েচন এক্ট) সংবিধানৰ ১৫১ (২) অনু চ্ছেদৰ স্বত্ব অনুসৰি ৰাজ্যপালে সদনত উথাপন কৰে। হিচাব দাখিল কৰাৰ পিচত সদনৰ ৰাজহুৱা হিচাব সমিতিয়ে প্ৰকৃতাৰ্থত সদনত অনুমোদন জনোৱা মতে ব্যয় সমূহ বহন কৰিছেনে

নাই তাৰ প্ৰতিবেদন সমূহ চালিজাৰি পৰীক্ষা কৰে আৰু হিচাব সমিটিয়ে পৰীক্ষাৰ সময় যদি দেখে যে মঞ্জুৰীৰ শিতানত বিশেষ সেৱাৰ বাবে ধাৰ্য্য কৰা পুজিতকৈ অতিৰিক্ত ব্যয় কৰিছে তেতিয়া ৰাজহুৱা হিচাব সমিতিয়ে তেনে ওপৰঞ্চি (অসম বিধান সভাৰ কাৰ্যবাহী বিধিৰ ২৪১ নং নিয়ম অনুযায়ী) কৈফিয়ত তলব কৰিব পাৰে। সকলো পৰীক্ষা নিৰিক্ষাৰ পিচত ৰাজহুৱা হিচাব সমিতিৰ প্ৰত্যয় জন্মিলে এনে ওপৰঞ্চি নিয়মানুকৰনাৰ্থে অনুমোদন জনায়। প্ৰশ্নৰ উত্তৰত ইয়াকে জনালো।

**Re : News Published in Janakranti.**

Shri Ardhendu Kumar Dey asked :

9. Will the Minister, Relief and Rehabilitation be pleased to state : Whether attention of Government has been drawn to the report of a misappropriation of money published in a weekly 'Janakranti' dt. 15th November, 1986 under the Caption "কি বুলি কম দুৰ্নীতি নে ডকাইতি"

Shri Thaneswar Boro (Minister, Relief & Rehabilitation) replied :

The Government is aware of the news item appeared in the Janakranti dt. 15th November, 1986 under the caption কি বুলি কম-দুৰ্নীতি নে ডকাইতি"।

The allegation of misappropriation of money appeared to be false.

Shri Ardhendu Kr. Dey : Mr. Speaker Sir, will the Minister state whether it is within the knowledge of the Government that an amount of Rs. 5 lakhs granted from the Centre for Silapathar affected people for the 1983 disturbances was misappropriated by the Government Officers ? It was reported the money was not distributed properly. Some of the people received Rs. 5000/- , some Rs. 2500 and some other received

Rs. 1500/-, and so on. If so, will the Minister come forward to commit in the Assembly for making an enquiry ?

Shri Theneswar Boro, (Minister, Relief & Rehabilitation)

An amount of Rs.27,63,100/– was allotted to the Deputy Commissioner, Lakhimpur for giving ex-gratia assistance at the approved scale (i.e.Rs 5000/- for each dead or missing person and Rs.1000/- to 2000/- for each injured person) to the families of persons who were killed or missing and injured persons of 1983 disturbances in Lakhimpur district. The Deputy Commissioner, Lakhimpur has reported that he has expended the entire amount allotted by Government for giving assistance to the following at the approved scale of Government.

| | |
|---|---|
| Number of dead persons— | 480 |
| Number of missing persons— | 5 |
| Number of injured persons— | 286 |
| Total— | 771 |

It appears from the report of the Deputy Commissioner, Lakhimpur that Rs.3,80,000-was sanctioned as ex-gratia grant to 76 Nos of next of kin of the victims of last 1983 disturbance of Dhemaji Sub-division of Lakhimpur District. Out of 76 Nos of beneficiaries upto 30.10.86, 36 Nos of beneficiaries, at the approved rate received the amount and in respect of 40 Nos of beneficiaries, there was counter claims and the SDO, Dhemaji has asked the local SDC Sub-division to conduct a detailed enquiry about the counter claims in respect

of 40 Nos of persons and the amount will be disbursed after receipt of verification report.

The allegation of corrupt practice in disbursement of relief money to Mayarani Sutradhar, Khirendra Das, Rohini Das, Radharani Devi, Rajani Mandal as reported on the issue of 15.11.86 of weekly newspaper 'Janakranti' was enquired through Deputy commissioner Lakhimpur and has been found to be false. The admissible amount to these five persons of mentioned above was disbcrsed in S D O's office, Dhemaji in presence of Magistrate and other officials -during office hours.

### বিষয় : বিদেশী নাগৰিকৰ বহিষ্কাৰৰ পদ্ধতি ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে :

১০। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান বিদেশী নাগৰিক বহিস্কৰণ পদ্ধতিৰ আৰু ১৯৬৫ চনৰ পৰা চলি অহা বিদেশী নাগৰিক বহিস্কৰণ পদ্ধতিৰ মাজত কিবা পাৰ্থক্য আছে নেকি ?

(খ) যদি আছে কেনে ধৰণৰ অনুগ্ৰহ কৰি জনাবনে ?

(গ) এবাৰ বহিস্কৃত বিদেশীক পুনৰ অসমলৈ অনুপ্ৰবেশ কৰাত বাধা দিয়াত কিবা বাস্তৱ ধৰণৰ ব্যৱস্থা লোৱা হৈছে নেকি ?

(ঘ) যদি লৈছে, কেনেকৈ অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) আৰু (খ) : আছে, যেনে নিৰ্দ্দিষ্ট সময় সীমা ৰেখা । ১৯৬৫ চনৰ পৰা চলি থকা বিদেশী ন্যায়ধীকৰণে বিদেশীক চিনাক্ত কৰি মতামত দিয়াৰ ক্ষেত্ৰত কোনো নিৰ্দ্দিষ্ট সময় সীমাৰেখা নাছিল । কিন্তু ১৯৮৩ চনত অবৈধ প্ৰব্ৰজনকাৰী ন্যায়াধীকৰণৰ দ্বাৰা চিনাক্তকৰণ আইনৰ অধীনত ১৯৭১ চনৰ ১৫ মাৰ্চ মাহৰ পিচত ভাৰতত প্ৰবেশ কৰা

বিদেশী সকলক চিনাক্ত কৰিবলৈ অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ, ন্যায়াধীকৰণ সমূহ পতা হয়। ইয়াৰ ওপৰি ১৯৮৬ চনৰ এপ্ৰিল মাহত ১৯৬৬—৭১ চনৰ ভিতৰত অসমত সোমোৱা বিদেশী সকলক চিনাক্ত কৰিবলৈ ১২ খন বিদেশী ন্যায়াধীকৰণ পতা হয়।

১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ ন্যায়াধীকৰণ আইনৰ মতে, অসামৰীক আদালতৰ অধিকাৰৰ পৰিসীমা বাতিল কৰা হ'ল আৰু তাৰ পৰিবৰ্ত্তে আপিল ন্যায়াধীকৰণ আৰু উচ্চ ন্যায়ালয়ত আপিল কৰাৰ ব্যৱস্থা ৰখা হয়। কিন্তু আগৰ কাৰ্য পদ্ধতিত তেনেকুৱা বিশেষ কোনো বাধা অসামৰীক আদালতৰ ক্ষেত্ৰত নাছিল আৰু কোনো নিৰ্দ্দিষ্ট আপিল আৰু সংশোধন কৰাৰ বাবেও কোনো তেনে বিশেষ ব্যৱস্থা নাছিল। ইয়াৰ ওপৰিও আগৰ ব্যৱস্থা মতে, নাগৰিকত্বৰ প্ৰমাণ কৰাৰ ভাৰ স্পষ্ট ভাবে বিদেশীৰ ওপৰত আছিল, কিন্তু বৰ্ত্তমান আইনখন এই বিষয়ত নিমাত।

১৯৮৩ চনৰ অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ ন্যায়াধীকৰণৰ আইন মতে (Determination by Tribunal) Act বিশেষ কিছু সীমাবদ্ধতাৰ মাজেৰে সাধাৰণৰ নাগৰিকেও বিদেশী বিতৰণৰ কামত আগ ভাগ লবলৈ, অভিযোগ আদি ন্যায়াধীকৰণ আদালত দাখিল কৰাৰ বাবে ক্ষমতা পালে।

(গ) আৰু (ঘ) : আছে, এবাৰ বহিস্কৃত বিদেশী পুনৰ অনুপ্ৰবেশ কৰিলে ধৰা পেলাবলৈ সীমান্তত সীমান্তসুৰক্ষী বাহিনী পহৰা চকী আছে। এই চকী বিলাক ভাৰত চৰকাৰৰ অধীনত। কেন্দ্ৰীয় চৰকাৰক সীমান্তত সীমান্তসুৰক্ষী বাহিনীৰ পহৰা কাম অধিক কটকটীয়া কৰাৰ বাবে হেচা দি থকা হৈছে।

শ্ৰীদীলিপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, যি সকল বিদেশী নাগৰিকক বহিস্কাৰ কৰা হৈছে, সেই সকল যদি আকৌ ঘূৰি আহে তেওঁলোকক পুণৰ বহিস্কাৰ নকৰি শাস্তি মূলক ব্যৱস্থা লোৱাৰ কথা মন্ত্ৰী মহোদয়ে চিন্তা কৰিছে নেকি ? দ্বীতিয়তে আহোম ৰজাৰ দিনত চোৰ সকলৰ হতুৱাই যেনেকৈ চোৰৰ আলি বন্ধাইছিল ঠিক তেনেকে ঘূৰি অহা বিদেশী নাগৰিক সকলৰ হতুৱাই

উন্নয়ন মূলক কামত ল.গাব্রাৰ কথা চিন্তা কৰিছে নেকি ? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয় এতিয়ালৈকে মই এই সম্পৰ্কে বিবেচনা কৰা নাই। বিদেশী নাগৰিকে পুণৰ অনুপ্ৰবেশ কৰিলে ঘূৰাই পঠোৱা হৈছে।

## বিষয় : গবেষনা কেন্দ্ৰ স্থাপন।

শ্ৰীকমলা কলিতাই সুধিছে :

১১। মাননীয় পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) আনবিক শক্তি আয়োগৰ (Atomic Energy Commission) সভাপতিয়ে এটি গবেষণা কেন্দ্ৰ অসমত স্থাপন কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতি বৰ্ত্তমান কি অৱস্থাত আছে ?

শ্ৰীবৃন্দাবন গোস্বামী (পাৰিপাৰ্শ্বিক বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ভাৰত চৰকাৰৰ পৰমানু শক্তি বিভাগৰ অধিনত অসমত এটি পৰমানু কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিৰ উচ্চ পৰ্য্যায়ৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ প্ৰস্তাব বৰ্ত্তমানে পৰমানু শক্তি আয়োগৰ বিবেচনাধীন হৈ আছে। এই কেন্দ্ৰৰ জৰিয়তে পৰমানু কেন্দ্ৰীয় বিজ্ঞানৰ মৌলিক অধ্যয়ন আৰু গবেষনাৰ উপৰিও কৃষি ( Agriculture ), চিকিৎসা বিজ্ঞান ( Medical Science ), জীৱ বিজ্ঞান ( Biological Science ), স্ফটিক বিজ্ঞান ( Crystallography ) আৰু পদাৰ্থৰ ঘন অৱস্থা সম্পৰ্কীয় বিজ্ঞান, ( Solid state studies ) আদি বিষয়ত বিভিন্ন প্ৰয়োগৰ সুবিধা থাকিব। বৰ্ত্তমানে সমগ্ৰ প্ৰকল্পটোৰ বিশদ বিৱৰণি প্ৰস্তুতিৰ কাম আগবাঢ়ি থকা বুলি জানিব পৰাগৈছে। পৰমানু শক্তি আয়োগে সোনকালে প্ৰকল্পটোৰ বিষয়ে সিদ্ধান্ত ঘোষনা কৰিব পাৰিব বুলি আশা কৰা হৈছে।

## বিষয় : গাখীৰ সমবায় আহিলাৰ আলৈ আথানি !

শ্ৰীভূমি নাথ শৰ্মাই সুধিছে :

১২। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে : ১৯০৮ শকৰ ১৬ আঘোনৰ দৈনিক অসম কাকতত প্ৰকাশ পোৱা 'গাখীৰ

সমবায়ৰ আহিলাৰ আলৈ আথানি' শীৰ্ষক বাতৰিটোত প্ৰকাশিত সকলো অভিযোগ সচানে ?

শ্ৰীনগেন শৰ্মা (পশুপালন বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে :

১৯০৮ শকৰ ১৬ আঘোনৰ দৈনিক কাকতত প্ৰকাশ পোৱা 'গাখীৰ সমবায়ৰ আহিলাৰ আলৈ আথানি শীৰ্ষক বাতৰিটো সম্পূৰ্ণ সচা নহয়।

শ্ৰীজয় নাথ শৰ্মা : অধ্যক্ষ মহোদয়, যিহেতুকে সম্পূৰ্ণ সচা নহয় বুলি কৈছে, অসম্পূৰ্ণভাৱে সচা নেকি ? এই হয়নে নহয়, এনকুৱেৰী কৰি উঠি কৈছে নে এনকুৱেৰী নকৰাকৈয়ে কৈছে ? আৰু যদি এনকুৱেৰী কৰিছে কাৰ হতুৱাই আৰু কেতিয়া কৰিছে, মন্ত্ৰী মহোদয়ে জনাবনে ?

নগেন শৰ্মা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত কওঁ যে, এই বিষয়ে আমাৰ বিভাগৰ পৰা অনুসন্ধান কৰা হৈছে। পূব অসম দুগ্ধ সমবায় কমিটি যোৰহাটে অসম কাকতৰ ১৯০৮ শকৰ ১৬ আঘোন তাৰিখ প্ৰকাশ পোৱা মতে ৫৪ লাখ টকাৰ গৰুৰ খাদ্য, কাৰখানাৰ যন্ত্ৰপাতি কিনাৰ কাৰণে এটি কোম্পানীক যোগান ধৰিবলৈ কোৱা কথা সচঁা। এই কোম্পানীটোৰ নাম হ'ল "স্বটিক চেফ এণ্ড আইৰন ওৰ্কচ আনন্দ গুজৰাট।" উক্ত কোম্পানীটোৱে বৰ্ত্তমান পৰ্যান্ত অৰ্থাত ১৯৮৫ চনলৈকে ২৫,৮১,৪৩৭.৫০ মূলাত আহিলা-পাতি যোগান ধৰিছিল। এই কোম্পানীৰ লগত চুক্তি অনুযায়ী যোগান ধৰা বস্তুৰ মূল্য শতকৰা ৮০ ভাগ দিব লাগে বাকী শতকৰা ২০ ভাগ কাম শেষ হলে আদায় দিয়া হব। সেই হিচাবে ১৯৮৫ চনৰ শেষলৈকে যোগান ধৰা আহিলাপাতিৰ বাবদ ২০,৬৫ ৪৭০.১০ টকা আদায় দিয়া হৈছে। ইয়াৰ বাহিৰেও সমবায়ে ৩,৫৩,৬০৯.০০ টকাৰ মূল্যৰ বস্তু যোগান ধৰিছে। কিন্তু সেই টকা এতিয়াও পৰিশোধকৰা হোৱা নাই।

বৰ্ত্তমানলৈকে আহি পোৱা যন্ত্ৰ পাতি বোৰ কোম্পানীৰ সম্পূৰ্ণ দায়িত্ব আৰু বীমাত কাৰখানাৰ চৌহদৰ ভিতৰত সংঘই সাজি দিয়া ভড়ালত সম্পূৰ্ণ নিৰাপত্তাৰ মাজত ৰখা হৈছে। কাৰখানাৰ ঘৰ সাজি দিয়া হিচাব অনুসাৰে ৬,১১,৮০০.৭০ কাৰখানাৰ ঘৰ নিৰ্মান কৰিবলৈ এই কোম্পানীক দিয়া হৈছিল আৰু যন্ত্ৰ পাতি বহুৱাই চালু কৰি দিয়ালৈকে উক্ত কোম্পানীৰ দায়িত্বৰ। চুক্তি অনুযায়ী প্ৰকল্পৰ কাম উক্ত কোম্পানীয়ে আৰম্ভ কৰে। কিন্তু ১৯৮৫ চনৰ ২ এপ্ৰিলৰ দিনা সেই সময়ৰ দুগ্ধ উন্নয়ন

বিভাগৰ মন্ত্ৰী শ্ৰীসাধন বৰুৱা চৰকাৰ মহোদয়ৰ মতে দুগ্ধ উন্নয়ন বিভাগৰ সঞ্চালকক পূব অসম দুগ্ধ সমবায় সমিতিক টকা পইচা বন্ধ কৰি ৰাখিবলৈ নিৰ্দ্দেশ দিয়ে আৰু সেই মতে সঞ্চালকে টকা পইচা বন্ধ কৰি ৰাখে। ওপৰত দেখুৱা মতে কোম্পানীয়ে শেষৰ ফলে যোগান ধৰা ৩,৫৩,৬০০ টকাৰ মূলাৰ আহিলাপাতি টকা শতকৰা ৮০ ভাগ, সঞ্চালকে দিব নোৱাৰাৰ কাৰণে দুগ্ধ সমবায় সমিতিয়ে কোম্পানীক দিব নোৱাৰিলে আৰু সেই টকা খিনি নোপোৱাৰ কাৰণে বাকী থকা আহিলা পাতিৰ যোগান ধৰা নাই আৰু লগতে ঘৰ নিৰ্মান কৰা কামো বন্ধ কৰি ৰাখে।

যোৱা বছৰ বাৰিষা কালত হোৱা ধুমুহাৰ ফলত অস্থায়ী ভড়ালটো সম্পূৰ্ণ ৰূপে ভাঙি পৰে আৰু তেতিয়া সমবায় সমিতিয়ে লগে লগে নিজৰ কৰ্মচাৰীক খটুৱাই এখন টিন পাতৰ চালি সজাই দিয়ে আৰু অত্যাধুনিক যন্ত্ৰ পাতি সমূহ সমবায় সমিতিৰ কলিয়া পানিত থকা কাৰ্য্যালয়ৰ ভিতৰত ৰখা হয়। সেই যন্ত্ৰ পাতি বোৰ উপযুক্ত ব্যৱস্থা লোৱাৰ কাৰণে এতিয়ালৈকে ভাল অৱস্থাতে আছে। পতিকে কাকতত প্ৰকাশিত অভিযোগ সচা নহয়। ইতিমধ্যে বৰ্ত্তমান ভড়ালটো ভালকৈ সজাবৰ কাৰণে চৰকাৰৰ পৰা ১০,০০০ টকা বিছৰা হৈছে।

## UNSTARRED QUESTION AND ANSWERS

(To which writen replies were laid on the Table of the House)

### Re : Electrification of villages in Borkhola

Shri Altaf Hussain Mazumdar asked :

3. Will the Minister, Power be pleased to state :

(1) Which of the revenue villages of Borkhola Constituency in (1) Silchar police station (2) Borkhola police Station (3) Katigora police station (4) Udarbond police station have been fully and partly electrified and which villages will be electrified by 31st March, 1987 ?

Shri Lalit Chandra Rajkhowa, (Minister, Power) replied .

(1) Villages are not electrified partly or fully. A village is declared as electrified as soon as the village is connected

with A.S.E.B. 's distribution line and 11/0·4 K. V. transformer is charged. Extention of the line is generally taken up on the basis of the demand of the consumers. A list of the electrified villages in Borkhola Constituency as on 31.3.86 and proposed to be electrified by 31.3.87 is placed on the table of the House.

## DISCUSSION DURING ZERO HOUR

মাননীয় অধ্যক্ষ : এতিয়া জিৰো আৱাৰ, এতিয়া কেইজন মান মাননীয় সদস্যক তেখেতসকলৰ ব্যক্তব্য দিবলৈ অনুমতি দিয়া হৈছে। আপোনালোকক বেচি সময় নলবলৈ অনুৰোধ কৰা হ'ল। আশাকৰো আপোনালোকে দুই তিনি মিনিটৰ বেচি সময় নলব। প্ৰথমে কব মাননীয় সদস্যা শ্ৰীমতী জোত্‌স্না সোনোৱাল।

শ্ৰীমতী জ্যোতস্না সোনোৱাল : আজি কিছুদিনৰ পৰা সীমান্তৰ আশে-পাশে থকা বন্দুকধাৰী কিছুমান সমাজ বিৰোধীলোকে বন্য জীৱ-জন্তু হত্যা কৰিছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ দৃষ্টিগোচৰ কৰিছোঁ কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সীমান্ত অঞ্চলত ঘটিব নোৱাৰে তাৰ বাবে ব্যৱস্থা লব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : [বিবৃতি অসংশোধিত ]

মাননীয় সদস্যগৰাকীয়ে উত্থাপন কৰা অসম আৰু অৰুণাচল প্ৰদেশৰ সীমাত আইন-শৃংখলাৰ প্ৰশ্নটো আমাৰ ৰাজ্যৰ কাৰণে নিশ্চয় অতি গুৰুত্বপূৰ্ণ। অসমে সদায়েই ওচৰ চুবুৰীয়া ৰাজ্যকেইখনৰ লগত শান্তি সম্প্ৰীতিৰে বসবাস কৰাৰ কাৰণে অনেক প্ৰচেষ্টা চলায় আহিছে আৰু সেই ফালৰপৰা মাননীয় সদস্যসকলক আৰু ৰাইজক আমাৰ ফালৰপৰা লোৱা প্ৰচেষ্টা সম্বন্ধে অবগত কৰাটো আৱশ্যক।

অসমৰ দৰং শোণিতপুৰ, লক্ষীমপুৰ, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ সীমাত থকা মুঠতে অৰুণাচল প্ৰদেশৰ লগত প্ৰায় ৪০৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমা আছে। এই সীমাৰেখা বহুদিনৰ আগতেই অৰ্থাৎ ১৯১৪ চনৰ পৰাই আৰম্ভ কৰি বিভিন্ন চৰকাৰী জাননী আৰু বিজ্ঞপ্তিত স্পষ্ট আৰু নিৰ্দ্দিষ্টকৈ দেখুৱাই দিয়া আছে। অৰুণাচল প্ৰদেশ এটা সুকীয়া প্ৰশাসনীয় গোট হোৱাৰ পিছত এই জাননী সমূহৰ ভিত্তিত সীমা চিহ্নিতকৰণৰ আৱশ্যকতা হোৱাত ১৯৫৯ চনত তেতিয়াৰ অসমৰ মুখ্য সচিব আৰু অসমৰ ৰাজ্যপালৰ উত্তৰ-পূব সীমান্ত অঞ্চলৰ উপদেষ্টাৰ

লগত হোৱা আলোচনাত সিদ্ধান্ত হয় যে ভাৰতৰ জৰীপ বিভাগে সীমা জৰীপৰ কাম আৰম্ভ কৰিব। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্ত মানি লৈ ১৯৭১ চনত অসম, অৰুণাচল আৰু কেন্দ্ৰীয় চৰকাৰৰ জৰীপ বিভাগৰ প্ৰতিনিধিৰ লগত হোৱা আলোচনাত উল্লেখিত জাননীসমূহৰ ভিত্তিত সীমা চিহ্নিত কৰাৰ ব্যৱস্থা সৰ্ব-সন্মতিক্ৰমে কৰা হয়, আৰু এই চিহ্নিত কৰাৰ বিস্তৃত ব্যৱস্থাসমূহ আলোচনাক্ৰমে সিদ্ধান্ত কৰি পিছত ১৯৭১-৭২ চনত কেন্দ্ৰীয় চৰকাৰৰ জৰীপ বিভাগে সীমা চিহ্নিতকৰণৰ কাম আৰম্ভ কৰে। এনে ধৰণে চিহ্নিত কৰাৰ পিছত প্ৰায় ৩৯৬ কি. মিটাৰ অঞ্চলত জৰীপ ক্ৰমে সীমা চিহ্নিত কৰা হয়।

কিন্তু ইতিমধ্যে দুৰ্ভাগ্যবশতঃ অসমৰ বিভিন্ন অঞ্চলত অৰুণাচল প্ৰদেশ চৰকাৰে আৰু অৰুণাচলৰ ৰাইজে অসমৰ বহু ঠাই বেদখল কৰা অসম চৰকাৰৰ চকুত পৰে। কোনো কোনো ঠাইত অসমৰ সীমা ৰেখাৰ প্ৰায় ৫ কিঃ মিটাৰ ভিতৰলৈ এনে বেদখল দৃষ্টিগোচৰ হয়। যিহেতু অসম অৰুণাচল সীমা সমন্ধে কোনো বিবাদমান বিষয়েই নাই আৰু একমাত্ৰ পথাৰখনত সীমা স্থায়ীভাৱে চিহ্নিত কৰাৰ কামহে বাকী আছিল, গতিকে এনেধৰণৰ অনুপ্ৰবেশ আদিৰ ক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰৰ দৃষ্টিভঙ্গী ওচৰ চুবুৰীয়া ৰাজ্যৰ সৌহাৰ্দ্যমূলক আচৰণৰ পৰিপন্থী হোৱাত আমাৰ চৰকাৰৰ ফালৰপৰা এই বিষয়ে স্পষ্টভাৱে জনোৱা হয় যে সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা সিদ্ধান্তৰ ভিত্তিত সীমা চিহ্নিতকৰণৰ কামবোৰ কৰিব লাগে।

এই পৰিপ্ৰেক্ষিতত ২০-৩-৭৯ তাৰিখে অসমৰ ৰাজ্যপালৰ সৌজন্যত অসমৰ মুখ্যমন্ত্ৰী আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ ভাৰত চৰকাৰৰ গৃহদপ্তৰৰ অতিৰিক্ত সচিবৰ উপস্থিতিত এলানি আলোচনা হয়। এই আলোচনাত সীমা প্ৰশ্নটোৰ স্থায়ী সমাধানৰ কাৰণে বিস্তৃত আলোচনা কৰা হয়। ইয়াৰ পিছত ১৯৭৯ চনৰ এপ্ৰিল মাহৰ ১২ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ মধ্যস্থতাত অসমৰ মুখ্যমন্ত্ৰী আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ মাজত দিল্লীত এলানি আলোচনা হয়। তাত অসমৰ ৰাজ্যপাল উপস্থিত থাকে। এই আলোচনাত উল্লেখযোগ্য সিদ্ধান্ত হয় যে—

(১) সীমা চিহ্নিত কৰাৰ কাৰণে এখন উচ্চশক্তি সম্পন্ন ত্ৰিপক্ষীয় কমিটী গঠন কৰা হয় আৰু সেই কমিটী কেন্দ্ৰীয় চৰকাৰ, অসম আৰু অৰুণাচল প্ৰদেশৰ প্ৰতিনিধিকলৈ গঠন কৰা হয় আৰু সেই কমিটীয়ে তলত দিয়া ধৰণে বিহিত ধৰণৰ কাম কৰিব।

(ক) আগতে উল্লেখ কৰা জাননীসমূহৰ ভিত্তিত দুই ৰাজ্যৰ সীমা মেপত চিহ্নিত কৰা হব আৰু সেই মেপসমূহ দুয়ো ৰাজ্যকে গ্ৰহণ কৰিবৰ বাবে পঠোৱা হ'ব।

(খ) সেই মেপৰ ভিত্তিত পথাৰত সীমা চিহ্নিত কৰা হব আৰু সীমাৰ খুটা স্থাপন কৰা হব।

সেই আলোচনা অনুসৰি এই তৃতীয় পক্ষ কমিটীয়ে মেপত সীমা চিহ্নিত কৰা কাল ১৯৮০ চনৰ অক্টোবৰ মাহত সমাপ্ত কৰে আৰু তাৰ প্ৰতিলিপি দুয়োখন ৰাজ্য চৰকাৰকে গ্ৰহণৰ কাৰণে পঠায়। অসম চৰকাৰে এই সীমা গ্ৰহণ কৰাৰ সিদ্ধান্ত সকলোকে জনায়। দুৰ্ভাগ্যবশতঃ এনে সিদ্ধান্তৰ লগত প্ৰত্যক্ষভাবে জড়িত থকা সত্বেও অৰুণাচল চৰকাৰে এই বিষয়ত সুস্থিৰ সিদ্ধান্ত নোলোৱাত এই কামত বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নহ'ল।

১৯৮৩ চনৰ মে মাহৰ ২২ তাৰিখে ইটানগৰত কেন্দ্ৰীয় গৃহদপ্তৰৰ ৰাজ্য-মন্ত্ৰীৰ লগত অসম আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰীদ্বয়ে হোৱা আলোচনাত আকৌ সিদ্ধান্ত গ্ৰহণ কৰা হয় যে

(১) কেন্দ্ৰীয় জৰীপ বিভাগে অসম আৰু অৰুণাচলৰ সীমাৰ বাকী থকা ৩০৮ কিঃ মিটাৰ অংশত অতি শীঘ্ৰে চিহ্নিত কৰাৰ কাম আৰম্ভ কৰিব আৰু ১৯৮৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত এই কাম বোৰ কৰিব।

(২) য'ত এনে ধৰণে চিহ্নিত কৰণৰ পথাৰত কোনো অসুবিধাৰ সন্মুখীন হোৱা যায়, তাত দুয়ো পক্ষই আপোচ আলোচনাৰ মাজৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(৩) দুয়ো পক্ষৰ বিষয়া আহি শান্তি-শৃংখলা ৰক্ষাৰ কাৰণে যতপৰোনাস্তি চেষ্টা কৰিব।

এই সিদ্ধান্তৰ ভিত্তিত ১৯৮৩ চনৰ অক্টোবৰ মাহৰ পৰা কেন্দ্ৰীয় জৰীপ বিভাগে জৰীপৰ কাম আৰম্ভ কৰে। অতিশয় দুখৰ বিষয় যে সকলো সময়তে অৰুণাচল প্ৰদেশ চৰকাৰৰ লগত আলোচনাক্ৰমে কৰা সিদ্ধান্ত সত্বেও এই জৰীপৰ কামত কেন্দ্ৰীয় জৰীপ বিভাগ পুনৰ বাধাগ্ৰস্ত হয় আৰু জৰীপৰ কাম আকৌ আধাৰুৱা হৈ ৰয়।

এইটো কথা নিশ্চয়কৈ দেখা যায়যে সাংবিধানিক দিশৰ ফালৰপৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ মধ্যস্থতাত বিভিন্ন আলাপ আলোচনাৰ সিদ্ধান্তৰ পৰা অসম আৰু অৰুণাচলৰ সীমা চিহ্নিত কৰাৰ কাম সুস্পষ্ট আৰু নিৰ্দিষ্টভাৱে নিৰ্দ্ধাৰিত হৈ আছে। এনে সিদ্ধান্তত ভাগ লোৱা সত্বেও অৰুণাচল প্ৰদেশ চৰকাৰে কোনো কোনো সময়ত সেই সিদ্ধান্তৰ বিপৰীতে সীমা চিহ্নিতকৰণৰ কামত বাধা দিয়াৰ

কাৰণ এই বিষয়টো এতিয়াও বিবাদমান হৈ আছে। অন্যহাতে অৰুণাচল প্ৰদেশ চৰকাৰে প্ৰায় ১০৩৩ বৰ্গ কিলোমিটাৰ অঞ্চলৰ ওপৰত দাবী তুলিছে আৰু ইতিমধ্যে প্ৰায় ৩০০ কিলোমিটাৰ অঞ্চল বেদখল কৰিছে। অসম চৰকাৰৰ ফালৰ পৰা বাৰে বাৰে মাত্ৰ এটাই অনুৰোধ কৰা হৈছে যে আগৰ সিদ্ধান্ত অনুসৰি সীমা চিহ্নিত কৰাৰ কাম শেষ কৰা হওক আৰু তাৰ পিছত কোনো অঞ্চলত বিবাদমান বিষয় থাকিলে দুয়ো পক্ষৰ মাজত আলাপ-আলোচনা আৰম্ভ কৰা হওক।

এই সদিচ্ছা আৰু শান্তিৰ মনোভাৱৰ ভিত্তিত মই যোৱা ফেব্ৰুৱাৰী মাহত ইটানগৰত অৰুণাচলৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰো আৰু তাত এই সিদ্ধান্ত লোৱা হয় যে সীমান্তৱৰ্তী জিলা কেইখনৰ সংশ্লিষ্ট উপায়ুক্ত কেইজনে তেখেত-সকলৰ অঞ্চলটো সীমা-সম্বন্ধীয় বিষয়সমূহ আলোচনা কৰি সিদ্ধান্ত কৰক আৰু যিবোৰ বিষয়ত তেওঁলোক একমতত উপনীত হ'ব নোৱাৰে সেই বিষয়সমূহ আয়ুক্তৰ ওচৰত উত্থাপন কৰক। সংমণ্ডল আয়ুক্তই অৰুণাচল প্ৰদেশ আয়ুক্তৰ লগত এই বিষয়সমূহৰ ওপৰত আলোচনা কৰিব আৰু তাৰ ভিত্তিটো যদি কিবা বিবাদমান বিষয় থাকে তেনেহ'লে দুয়োখন ৰাজ্যৰ মুখ্য সচিবে আলোচনাক্ৰমে সিদ্ধান্ত লোৱাৰ চেষ্টা কৰিব। ইয়াৰ পিছতো যদি দুয়ো পক্ষৰ মুখ্যমন্ত্ৰীৰ আলোচনাৰ আৱশ্যক হয় তেনেহ'লে তেনে আলোচনাৰ ব্যৱস্থা কৰা হ'ব।

এই সিদ্ধান্ত অনুসৰি সংশ্লিষ্ট উপায়ুক্ত সকলে এলানি আলোচনা কৰে আৰু সেই আলোচনাৰ পৰিপ্ৰেক্ষিতত দুয়োজন মুখ্য সচিবে গুৱাহাটীত যোৱা ৯-৯-৯৬ তাৰিখে মিলিত হয়। কিন্তু দুয়োৰে সৈতে লক্ষ্য কৰা যায় যে এই সকলোবোৰ আলোচনাতেই দুয়োপক্ষৰ সন্মতিক্ৰমে জৰীপ কৰি সীমাচিহ্নিত কৰিবৰ কাৰণে লোৱা সিদ্ধান্তৰ পিছত অৰুণাচল প্ৰদেশ চৰকাৰে সেই সিদ্ধান্ত মানি ল'বলৈ অস্বীকাৰ কৰে আৰু তাৰ ফলত এই বিষয়টোত চৰকাৰে বিশেষ অগ্ৰগতি লাভ কৰিব পৰা নাই। এই ক্ষেত্ৰত কেইবাটাও অঞ্চলত অৰুণাচল প্ৰদেশ চৰকাৰে আকোৰগোজ মনোভাবেৰে জৰীপৰ কাজ কৰিবলৈ অসন্মত হোৱাৰ প্ৰতিবেদন পোৱা হৈছে।

ইতিমধ্যে এই সীমামুৰীয়া অঞ্চলবোৰত অৰুণাচল প্ৰদেশৰ লোক আৰু কোনো কোনো ক্ষেত্ৰত অৰুণাচল প্ৰদেশ চৰকাৰৰ ফালৰ পৰাও বিভিন্ন ধৰণৰ বেদখল আৰু সীমামুৰীয়া ৰাজ্যৰ ওপৰত অত্যাচাৰ আদিৰ বাতৰিও পোৱা হৈছে। এনে ঘটনাসমূহ দুয়োপক্ষৰ মাজত হোৱা আলোচনা আৰু সিদ্ধান্তৰ

বিপৰীতে হোৱাৰ কাৰণে আমি অৰুণাচল প্ৰদেশ চৰকাৰৰ দৃষ্টিগোচৰ কৰিছো আৰু এনেকুৱা প্ৰৰোচনামূলক কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ অনুৰোধ কৰিছো। অলপতে এনে বেদখলকাৰীক উচ্ছেদ কৰিবলৈ যোৱা অসমৰ কেবাজনো বিষয়া কৰ্মচাৰীক অৰুণাচলৰ লোকে ঘেৰাও কৰাৰ লগতে নানা ধৰণৰ অত্যাচাৰ কৰি সীমান্ত অঞ্চলত শান্তি-ব্যাহত কৰিছে। আমি এতিয়াও শান্তি-সম্প্ৰীতি বজাই ৰখাত আৰু দুয়ো ৰাজ্যৰ সীমা-সমস্যাসমূহ সমাধান কৰাত অতি আগ্ৰহী, কিন্তু সকলো সময়তে অৰুণাচল প্ৰদেশ চৰকাৰে যদি আগৰ চুক্তিসমূহ ভঙ্গ কৰি বে-আইনীভাৱে বেদখল আদি কাৰ্যত লিপ্ত হৈ থাকে তেনেহ'লে আমাৰ ফালৰ পৰা আইন-শৃংখলা ৰক্ষাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা লবৰ কাৰণে আমি বাধ্য হম। আমাৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰ আৰু অৰুণাচল প্ৰদেশ চৰকাৰক বাৰে বাৰে অনুৰোধ কৰা হৈছে যে আগৰ সিদ্ধান্ত অনুসৰি সীমা চিহ্নিত কৰাৰ কাম শেষ কৰা হওক আৰু তাৰ পিচতো বিবাদমান বিষয় থাকিলে দুয়োপক্ষই আলোচনাত বহি সেই কামবোৰ কৰিবলৈ চেষ্টা কৰা হওক। আমি আশা ৰাখিছো বৰ্ত্তমানৰ দুই এটা অপ্ৰীতিকৰ ঘটনা ঘটা সত্বেও আমি প্ৰতিবেশী ৰাজ্যখনলৈ বন্ধুত্ব-পূৰ্ণ পৰিৱেশ বজাই ৰাখিম আৰু আমাৰ আহ্বানত সহাৰি জনাই জাতীয় স্বাৰ্থৰ খাতিৰত সীমাৰ এটা স্থায়ী সমাধান কৰাত আগবাঢ়ি আহিব। লগতে মাননীয় সদস্য আৰু অসমৰসমূহ ৰাইজক আমি এইটো আশ্বাস দিব বিচাৰো যে যদি আমাৰ এই বন্ধুত্বৰ আহ্বানৰ প্ৰতি সহাৰি পোৱা নেযায় আৰু যদি অনিয়মীয়া অবৈধ ঘটনাবোৰ প্ৰৰোচনামূলক ভাবে আমাৰ সীমান্তত হৈ থাকে, তেনেহলে ৰাজ্য চৰকাৰে ৰাইজৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰিবলৈ পিছ পৰি নেথাকিব।

শ্ৰীআব্দুল জব্বাৰ: মাননীয় অধ্যক্ষ মহোদয়, মালিগাও চাৰি আলির (পিয়লী ফুকন চক) হাস্পাতাল রোডের কাছে গতকাল একদল দুস্কৃতিকারী সংখ্যালঘুদের ১৪ টি দোকান জবরদখল করে তালা লাগিয়ে দিয়েছে বলে খবর পাওয়া গেছে। ক্ষতিগ্রস্থ ১৪ টি দোকানের মালিকরা এই ঘটনার সংগে সংগে স্থানীয় জালুকবাড়ী থানায় ঘটনার বিবরণ জানিয়ে কেস দায়ের করেন। কিন্তু আজ সন্ধ্যায় এই রিপোর্ট লেখা পর্যন্ত পুলিশ এই অন্যায়ের প্রতিকারে কোন ব্যবস্থা নয়ে নি বলে জানা গেছে। আক্রান্ত দোকান মালিকরা পরে স্থানীয় সংখ্যালঘু মোর্চার অফিস সম্পাদক বিজয় কৃষ্ণ ঘোষ ও কেন্দ্রীয় কমিটির সম্পাদক

হাফিজ রসিদ আহমেদ চৌধুরীর কাছে ঘটনার পূর্ণ বিবরণ জানান। আক্রান্ত দোকান মালিকরা অভিযোগ করেছেন যে এই দুস্কৃতিকারীদের নেতৃত্বে রয়েছেন দিলীপ মজুমদার, প্রসন্ন মজুমদার, প্রবীর মহন্ত, ইন্দ্র মজুমদার ও রণজিত মজুমদার। দোকান মালিকরা আরো অভিযোগ করেছেন গত ৮ ডিসেম্বর তারিখে ঐ দুস্কৃতকারীরা নাকি এই ১৪ জন দোকান মালিকের কাছ থেকে জোর করে সাদা কাগজে স্বাক্ষর নিয়ে চলে যান। সংখ্যালঘুদের এই ১৪ টি দোকান জবর-দখলের ঘটনায় সমগ্র পাণ্ডু-মালিগাওঁ অঞ্চলে ব্যাপক চাঞ্চল্য দেখা দিয়েছে। স্থানীয় সংযুক্ত সংখ্যালঘু মোর্চার নেতা বিজয় কৃষ্ণ ঘোষ জানিয়েছেন দুস্কৃতিকারীরা জোর করে যে ১৪টি দোকান জবরদখল করে নিয়েছে তাদের প্রত্যেকেরই রেল কর্তৃপক্ষের দেওয়া অনুজ্ঞাপত্র রয়েছে। তিনি আরো বলেন এ ধরণের গুরুতর ঘটনার পরও পুলিশের নিষ্প্রিয়তায় স্থানীয় জনগণ মনে করেছেন হয়তো ঘটনার আড়ালে শাসক দলের কোন বিশিষ্ট নেতার মৌন সম্মতি রয়েছে। তাই পুলিশের চোখের সামনে দুস্কৃতিকারীরা এখনো ঘুরে বেড়াচ্ছে। শ্রীঘোষ জানিয়েছেন আজ প্রধান মন্ত্রী রাজীব গান্ধী, স্বরাষ্ট্র মন্ত্রী বুটা সিং, রেল মন্ত্রী মাধব রাও সিন্ধিয়া, যোগাযোগ দপ্তরের রাষ্ট্র মন্ত্রী সন্তোষ মোহন দেব, রেলবোর্ডের চেয়ারম্যানের কাছে তারবার্তা পাঠিয়ে ঘটনার বিস্তারিত বিবরণ জানিয়ে এই অন্যায়ের প্রতিকারে অবিলম্বে উপযুক্ত ব্যবস্থা গ্রহণের দাবী জানানো হয়েছে। এই তারবার্তার অনুলিপি রাজ্যের মুখ্যমন্ত্রী প্রফুল্ল কুমার মহন্ত এবং স্থানীয় এন এফ রেলওয়ের জেনারেল মেনেজারের কাছেও দেওয়া হয়েছে।

এছাড়াও মুখ্যমন্ত্রী মহাশয়ের কাছে গত পরশুদিন তারা একটা মেমোরেণ্ডাম দিয়েছে। মাননীয় অধ্যক্ষ মহোদয়, এই ধরনের জবর দখল যদি এভাবে চলতে দেওয়া হয় ? ( সময় সংকেত )

শ্রীভৃগু কুমাৰ ফুকন ( গৃহ মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। প্ৰাথমিক পৰ্য্যায়ৰ তদন্তৰ পৰা দেখা যায় গোটেই ঘটনাটো এটা পৰিয়ালৰ কাজিয়াৰ লগত জৰিত। মুখ্যমন্ত্রী মহোদয়লৈ দিয়া স্মাৰকপত্ৰখন আমালৈ দিছে আৰু আমি অনুসন্ধান কৰিব দিছো অনুসন্ধান কৰিলেহে আচল কথাটো জনাব পৰা হব।

শ্রীপ্রদীপ হাজৰিকা : মাননীয় অধ্যক্ষ মহোদয়, মই ১৪ ডিচেম্বৰ তাৰিখৰ

অসম ট্ৰিবিউন কাকতৰ এটা বাতৰিৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছিলো আৰু তাৰ দ্বাৰা মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা ব্যাখ্যা বিচাৰিব খুজিছিলো কিন্তু দিন হ'ল কাৰণে আমিও কিছু খবৰ পাই গলো এতিয়া আৰু ব্যাখ্যাৰ প্ৰয়োজন নাই বুলি ভাবিছো।

শ্ৰীপদ্ম কৈৰী : মাননীয় অধ্যক্ষ মহোদয়, শোনিতপুৰ জিলাৰ বিশ্বনাথ সমষ্টিৰ চতিয়া থানাৰ নিচেই কাষতে বালিচাং গাওঁৰ জনজাতিয় যুৱক ললিত বসুমতাৰী, ২২ বছৰীয়া যুবক। যোৱা ১৫ অক্তোবৰ তাৰিখে বালিচাংৰ ওচৰত এখন জংঘলত খৰিলুৰী থাকোতে বন বিষয়াৰ দ্বাৰা গুলিবিদ্ধ হয়। গতিকে মই এই বিষয়টোৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই অঞ্চলৰ লোক-সকল সাধৰণতে চাহ বাগিছাৰ বনুৱা আৰু ভুখীয়া জনজাতিৰ লোক তেওঁলোকৰ আৰ্থিক অৱস্থা ভুখলগা। দৈনিক হাজিৰা বা খৰী লুৰাৰ বাহিৰে অন্যকাম নাথাকে। গতিকে এই ঘটণাৰ পাছত সেই অঞ্চলৰ ৰাইজ সন্ত্ৰাসিত হৈছে। এনেধৰণৰ ঘটনা যাতে ভৱিষ্যতে নহয় আৰু যাতে চৰকাৰে তৎপৰ ব্যৱস্থা লয় তাৰ কাৰণে চৰকাৰী পৰ্য্যায়ত তদন্ত কৰি জনাব বুলিয়ে বিষয়টো উত্থাপন কৰিলো।

শ্ৰীভৃগুকুমাৰ ফুকন ( গৃহমন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, চটিয়া পুলিচ থানা অন্তৰ্গত বালিজানৰ স্বৰ্গীয় ললিত চন্দ্ৰ বসুমতাৰীৰ পৰিবাৰ শ্ৰীমতী নিবা বসুমতাৰীয়ে ১৬-১০-৮৬ তাৰিখে পুৱা ৮ বজাত বাবুল বসুমতাৰী নামৰ এজন ব্যক্তিৰ লগত আহি আৰক্ষী থানাত লিখিত গোচৰ দিয়ে যে ১৫-১০-৮৬ তাৰিখে তেওঁৰ পুত্ৰ শ্ৰীললিত বসুমতাৰী হাবিত খৰি লুৰিবলৈ যায় আৰু হাবিৰ মাজত বন ৰক্ষীয়ে গুলিয়াই মাৰে। এই খবৰ পোৱাৰ লগে লগে এটা মকৰ্দমা ৰুজু কৰা হয় আৰু মকৰ্দমাটোৰ অনুসন্ধানৰ ভাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই নিজেই লয়। মহকুমা পুলিচ বিষয়া আৰু পূব বিশ্বনাথ চাৰ্কলৰ চাৰ্কল পৰিদৰ্শক দুজনো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগত ঘটনা স্থলিলৈ যায় আৰু নদোৱাৰ সংৰক্ষিত বনাঞ্চলত অৱস্থিত এই ঘটনা স্থলি পৰিদৰ্শন কৰে।

অনুসন্ধানৰ কালত এই কথা জনা গল যে ১৫-১০ ৮৬ তাৰিখে বালিজানৰ ললিত বসুমতাৰীয়ে লগত শ্ৰীকয়া বসুমতাৰী, শ্ৰীৰাজেন বসুমতাৰী, শ্ৰীৰামেশ্বৰ বসুমতাৰী আৰু শ্ৰীবেচা দৈমাৰীক লৈ ন-দোৱাৰ সংৰক্ষীত বনাঞ্চলৰ অন্তৰগত জয়সিদ্ধি হাবিত খৰি লুৰিবলৈ যায়। বন বিভাগৰ বন ৰক্ষীয়ে খৰি কাটি থাকোতে ৰাজেন বসুমতাৰি,

ৰামেশ্বৰ বসুমতাৰি, আৰু বেচা দৈমাৰী এই তিনিওঁ জনক হাতে-লুতে ধৰা পেলায় আৰু একে লগৰে শ্ৰীকয়া বসুমতাৰি কিবা প্ৰকাৰে পলাই সৰে আৰু এই গোটেই ঘটনটো গাওঁৰ মানুহক জনাইগৈ লগতে বনৰক্ষী সকলে তেওঁলোকৰ গালৈ গুলিওঁৱা বুলিও কয়।

অনুসন্ধানৰ কালত পোৱা যায় যে ১৫-১০-৮৬ তাৰিখে দিপলভীয়াৰ বন খণ্ডৰ ফৰেষ্টাৰ শ্ৰীবাপধন আলি আৰু ফৰেষ্ট গাৰ্ড শ্ৰীৰামেশ্বৰ দত্ত বালিজান কেম্পৰ গৃহৰক্ষী বাহিনী লেঞ্চ নায়ক শ্ৰীহবক বাহাদুৰ চেত্ৰী আৰু গৃহৰক্ষী প্ৰদীপ কলিতা, শুভন শইকীয়া আৰু দিপেন বৰুৱা হাতীপতি ন-জুৱাৰৰ চিপলভাৰ বনাঞ্চলত পহৰা দিবলৈ যায়। তেওঁলোকে গভীৰ হাবিৰ মাজত অবৈধ ভাৱে গছ কাটি থাকোতে ৰাজেন বসুমাতাৰী আৰু বেচা দৈমাৰীক হাতে-লুতে ধৰা পেলায় আৰু দিপলভা বন বিভাগৰ কাৰ্য্যালয়লৈ লৈ আহে আৰু পাচত ১৬/১০/৮৬ তাৰিখে কাছাৰিলৈ চালান দিয়ে।

তমুসন্ধান কাৰী বিষয়াই ললিত বসুমাতাৰীৰ মৃত দেহ মৰনোত্তৰ পৰীক্ষাৰ বাবে বিহালী জনস্বাস্থ্য কেন্দ্ৰলৈ পঠিয়ায়। মৰনোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত ইতিমধ্যে পোৱা হৈছে যে গুলি বৰ্ষণৰ ফলত ভয় আৰু ৰক্ত স্খলনৰ ফলত তেওঁৰ মৃত্যু হয়।

অনুসন্ধানৰ ফাইলত এইটো পৰিস্কাৰ ভাবে জনা গৈছে যে ওপৰত উল্লেখ কৰা গৃহৰক্ষী আৰু বন বিভাগৰ কৰ্ম্মী কেইজন যি কেইজেন ৰাজেন বসুমাতাৰী, ৰামেশ্বৰ বসুমাতাৰী আৰু বেছা দৈমাৰীক ধৰিছিল, তেওঁলোকেই ললিত বসুমাতাৰীৰ মৃত্যুৰ বাবে জগৰীয়া। গৃহৰক্ষী শ্ৰীদিপেন বৰুৱা, কমলা নাথ, শুভন শইকীয়া আৰু শ্ৰীপ্ৰদিপ কলিতাক গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁলোকৰ বন্দুক বাৰুদ বাজেয়াপ্ত কৰা হয়।

১১।১০।৮৬ তাৰিখে তেওঁলোকক হাজোতলৈ প্ৰেৰণ কৰা হয়। ১৩।১১।৮৬ তাৰিখে বাজেয়াপ্ত কৰা ৰাইফল আৰু খালি বাৰুদৰ খোলা আৰু গুলী বাৰুদ সমূহ গুৱাহাটীৰ 'ফৰেণচীক লেব্ৰেটৰী'লৈ বিশেষজ্ঞৰ মতামতৰ বাবে পঠোৱা হয়। ফৰেষ্টাৰ বাপধন আলি আৰু ফৰেষ্ট গাৰ্ড ৰামেশ্বৰ দত্তই গুৱাহাটী উচ্চন্যায়ালয়ৰ পৰা আগতীয়া জামিন লয়। গোচৰ টোৰ অনুসন্ধান প্ৰায় সমপ্ত, গোচৰটো এতিয়া 'ফৰেনচিক লেব্ৰেটৰীত আছে। লেঞ্চনায়ক হবক বাহাদুৰছেত্ৰীক সাক্ষী হিচাবে ন্যায়িক বিচাৰকৰ ওচৰত হাজিৰ কৰোৱাই জবান বন্দী লোৱা হয় আৰু তেওঁ তিনিজায় গুলী গৃহৰক্ষী বাহিনীয়ে চলোৱা বুলি কয়।

Shri Binai Khungur Basumatari : Mr Speaker, Sir, I wish to raise a very important issue relating to the leakage of the questipn papers of the Annual Examination this year under the Udalguri Board. Sir, Udalguri Board is a small Board in this important locality and all the provincialised Schools and private Schools under this Board get together to organise a common set of questions and accordingly it was done But, unfortunately, at the time of examination, these questions were leaked and were sold but in the market varying at a rate of Rs. 25/—to Rs. 100/- with the result that the examaintions had to be postponed. They detected this at the time of examination and organised immediately to set up a new set of questions. Therefore, sir, the examinations under this Board had to be cancelled. Now, I would like to have a statement from the Government particularly in regard to the conducting of the annual examirnations under this Board and how Government propose to set up a common-question at the district level under such condition ? This is my submission, sir.

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যজনে যিটো প্ৰশ্নৰ অৱতাৰনা কৰিছে সেইটোৰ প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে। বাৰ্ষিক পৰীক্ষা সমূহ বিদ্যালয়সমূহত অনুষ্ঠিত কৰাৰ কাৰণে মহকুমা ভিত্তিত কিছুমান শিক্ষাপৰিষদ আছে। সেইবিলাকৰ যোগেদিয়েই উমৈহতীয়া হিচাপে প্ৰশ্ন কাকতবোৰ কটাৰ ব্যৱস্থা কৰি লৈছে। গতিকেই ইয়াৰ ভিত্তিতেই পৰীক্ষা অনুষ্ঠিত কৰা হব। ওদালগুৰিৰ কথাটোৰ সম্পৰ্কত আমি অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিম।

শ্ৰীশ্বহিদুল ইছলাম : মাননীয় অধ্যক্ষ মহোদয়, মই মহাজাতি কাকতত ওলোৱা " প্ৰধান শিক্ষকৰ ভূমিকা" নামৰ বাতৰিটোৰ প্ৰতি শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো। মই বাতৰিটো পঢ়ি দিছোঁ। যোৱা" ২ নভেম্বৰ তাৰিখে হাতীপুখুৰী ৰাইজৰ অনুৰোধক্ৰমে ৰূপহী সমষ্টিৰ বিধায়ক ৰচিদুল হকে উক্ত অঞ্চল তথা সেই অঞ্চলৰ শিক্ষানুষ্ঠান পৰিদৰ্শন কৰে। উক্ত এম, ই,

স্কুলৰ পৰিদৰ্শন কালত স্কুলৰ প্ৰধান শিক্ষকৰ জলোঙাৰ মেকুৰী ওলাই পৰিল। বিধায়ক ৰচিত্ৰুল হকে জনোৱা মতে তেওঁৰ পৰিদৰ্শন কালত প্ৰধান শিক্ষকজন অনুপস্থিত আছিল। বিধায়ক গৰাকীয়ে অনুসন্ধান কৰি জানিব পাৰে যে প্ৰধান শিক্ষক গৰাকী ৮ অক্টোবৰ তাৰিখৰ পৰা কোনো ধৰণৰ ছুটী নোলোৱাকৈ অনুপস্থিত থাকে। এই সম্পৰ্কে উক্ত বিদ্যালয়ৰ এল, পি, এম, ই, হাইস্কুলৰ তিনিওটা শাখাৰ শিক্ষক সকলে স্বাক্ষৰ সম্বলিত এখন অভিযোগনামা দাখিল কৰে। উক্ত অভিযোগ নামা বিহিতব্যৱস্থাৰ বাবে বিধায়কে জিলা আই, এ, এচক দাখিল কৰে বুলি জানিব পৰা গৈছে। এই সম্পৰ্কত শিক্ষামন্ত্ৰী মহোদয়ৰ ওচৰত আবেদন জনাইছোঁ যে ইতিমধ্যে কিবা ব্যৱস্থা লোৱা হৈছে নেকি ? কাৰন এইদৰে শিক্ষক সকলৰ এই অৱস্থা যদি হয় সমগ্ৰ অসমতে শিক্ষাৰ মানদণ্ড আৰু তললৈ যাববুলি আমি ভয় কৰিছোঁ। ইতিমধ্যেই শিক্ষকৰ সকলো সা-সুবিধা আনকি মেডিকেল পৰ্য্যন্ত দিয়া স্বত্বেও তেখেতসকলে শিক্ষাৰ মেৰুদণ্ড ছাত্ৰ সকলক এনেকৈ অৱহেলা কৰিলে সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে জনাবনে ? এই মহাজাতি বাতৰি কাকতখন পোৱাৰ পিচত চৰকাৰে কি ব্যৱস্থা লৈছে আজি এইটো কথা সদনত স্পষ্টভাৱে জনাই দিব লাগে যাতে আমি শিক্ষামন্ত্ৰী মহোদয়ে কিদৰে তেখেতৰ কৰ্তব্য পালন কৰিছে সকলোৱে জানিব পাঁৰো।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই পূৰ্বৰ বিধানসভাতে এই বিষয়ে উল্লেখ কৰিছিলোঁ। মাননীয় সদস্যজনে যিটো বিষয় উত্থাপন কৰিছে সেইটোৰ প্ৰতি মনোযোগ দিম আৰু অনুসন্ধান কৰি চাম। মহাজাতি বাতৰি কাকতত প্ৰকাশিত হোৱা বাতৰিৰ সন্দৰ্ভত কওঁ এইটো পৰীক্ষা কৰি ব্যৱস্থা লৈ তাৰ ভিতৰত অবৈতনিক পৰিদৰ্শনৰ ব্যৱস্থাটোও অন্তৰ্ভুক্ত কৰা।

বিশেষকৈ প্ৰশাসনীয় সেৱাৰ কাৰ্যাৰ দায়িত্ব ইন্সপেক্টৰৰ ওপৰত দিয়াৰ কাৰণে সময়মতে পৰিদৰ্শন কৰিব পৰা নাই সেয়ে এই ক্ষেত্ৰত বহু অভিযোগ আহিছে। গতিকে এই ক্ষেত্ৰতো কিছুমান ব্যৱস্থা লোৱা হৈছে। অবৈতনিক পৰিদৰ্শনৰ ব্যৱস্থা কৰিছোঁ আৰু চলিত বছৰতে আৰম্ভ কৰাৰ কথাও ভবা হৈছে। অৱসৰপ্ৰাপ্ত শিক্ষকক এইবিলাকত নিযুক্তি দিব পৰা যাব।

Shri Altaf Hossain Mazumdar : Mr. Speaker, Sir, since 1977 in Assam, like other States of the country, there were Community Health Guides. Their numbers, I am told, are not less than 20,000. As a matter of fact, they were under con inuous service from 1977 to till July, 1986. From July,

1986, their services were discontinued as the funds which came from the Government of India were stopped. It is also reported that the matter was taken up with the Government of India by someother States for necessary clearance by the Central Government. But, sir, I do not know whether the Government of Assam has also taken up the matter with the Government of India or not for necessary clearauce as in the case of other States so that these Health Commnnity Guides, who have put in some years of service already, may be allowed to continue. This is my submission, sir. Therefore, I would like to know the position from the Honourable Health Minister.

Shri Chandra Mohan Patowary (Minister) : Honourable Mr. Speaker, Sir, I would like to clarify the position regarding this problem as raised by the Honourable Member Shri Mazumdar. Sir, we have no such scheme in our State. It is a scheme of the Government of India and the funds are made available by the Government of India. The entire scheme is at the disposal of the Government of India. So far as Community Health Guides are concerned, the State Government nothing to do. The Government of India has given one instruction that instead of male Health Guides, Female Health Guides should be appointed. But, sir, so far our State is concerned, we have not received any instruction from the Government of India as yet. The matter is pending with us at present. Of course, sir, I have personally taken up the matter with the Union Government and I have also discussed the matter during our State Health Ministers Conference. So, sir, we are in constant touch with the Government of India relating to this matter. Now, sir, I would like to mention a few

words about the Health Guides. They do not have any knowledge of Medical Science but in the villages they used to do all kinds of minor operations. They also used to prescribe medicines etc., without having any khowledge of medical science. They work in such a way as if they are learned Doctor and that is why to save the country from the quax, for the betterment of the common people this scheme has been abolished by the Government of India. But so far as other States are concerned, as mentioned by one Honourable Member, I want to say that kerala High Court has given a stay order and that is why that State is implementing the scheme as per the verdict of that High Court. Sir, so far as Assam is concerned we have not received any instruction from the Government of India to revive the scheme. We are taking up the matter with the Government of India because the scheme is centrally sponsored. If we get the instruction from the Government of India then we will consider as per the instruction of the Government of India. Thank you, Sir.

শ্ৰীগনেশ কুটুম : মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰয়োজনীয় সময়তকৈ সময় নাটনি কাৰণে মই চমুকৈ ডাঙি ধৰিব বিচাৰিছো। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। এই দায়িত্ব ৰাজ্য চৰকাৰে নিজৰ হাতলৈ আনিব লাগে। ব্ৰহ্মপুত্ৰ নদীৰ প্ৰলয়ংকৰী বানপানীয়ে আমাক জুৰুলা কৰিছে আৰু এই বিষয়ে মোৰ যথেষ্ট অভিজ্ঞতা আছে। এই অসমৰ নদী সমূহৰ উপদ্ৰপ এইবাৰ আমাৰ নতুন চৰকাৰে ভালকৈ দেখিলে এনে ধৰণৰ বানপানী অসমত আগতে কতো হোৱা নাছিল। এই বানপানীৰ মাজতে ১৯৪৫ চনতে জন্ম হোৱা এজন যুবক হিচাপে লালিত পালিত হোৱা বানপানী আৰু গড়া-খহনীয়া কথা ইতিহাসে ঢাকি ৰাখিব পৰা নাই। ভাৰত স্বাধীন হোৱাৰ পিচত ৰাজ্য চৰকাৰে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণ কৰি দুয়োপাৰে মথাউৰি দিয়াৰ আঁচনি লৈছে, কিন্তু এক বিৰাট বুজন ধন প্ৰয়োজন হোৱাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ

কাম নিজৰ হাতলৈ নিয়াত আমাক হাজাৰ হাজাৰ টকা দিব বুলি বিশ্বাস হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, মোক আৰু এক মিনিট সময় দিয়ক। এই অভিজ্ঞতাৰ পৰা আমি দেখিলো যে তেওঁলোকক যি দায়িত্ব দিয়া হৈছিল। তাৰ পৰা যেন আঁতৰি গৈছে মাননীয় অধ্যক্ষ মহোদয়, আৰু এক মিনিট সময় দিয়ক।

শ্ৰীছামছিং হান্সে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ১৯৭৩-৭৪ চনলৈকে অসমৰ বান নিয়ন্ত্ৰণলৈ ৰাজিক পৰিকল্পনাৰ পৰাই ধনৰ যোগাৰ দিয়া হৈছিল। ৰাজ্যচৰকাৰৰ অনুৰোধত ১৯৭৪-৭৫ চনৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ কাম নিয়ন্ত্ৰণৰ বাবে শতকৰা ১০০ ভাগ কেন্দ্ৰীয় ঋণ সাহায্যৰ পৰা ধনৰ যোগাৰ দিয়া হয়, অৱশ্য বৰাক উপত্যকা আৰু পাৰ্বত্য অঞ্চলৰ বাবে আগৰ দৰেই ৰাজ্যিক পৰিকল্পনাৰ পৰা ধনৰ যোগাৰ দিয়া হৈ আছে। ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ শেষলৈকে অসমৰ মুঠ ৩১.৫ লাখ হেক্টৰলৈ বন্যা প্ৰভাৱিত অঞ্চলৰ ভিতৰত ১৫.২১ লাখ হেক্টৰলৈ যুক্তি সংগত বান এতিয়া প্ৰতিৰক্ষা দিয়া চেষ্টা কৰা হয়।

## পৰিকল্পনাৰ কাম সমূহ :

(ক) ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণ কাম সমূহ :

ষষ্ঠ পৰিকল্পনাৰ শেষলৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুঠ ১৩.২৭ লাখ হেক্টৰলৈ যুক্তি সঙ্গত বান প্ৰতিৰক্ষা দিবলৈ তলত উল্লেখ কৰা কাম সমূহ সম্পূৰ্ণ কৰা হয়।

| | |
|---|---|
| ব্ৰহ্মপুত্ৰ মথাউৰি | ৯৩৪ কিলমিটাৰ |
| ব্ৰহ্মপুত্ৰৰ উপনৈত মথাউৰি | ২৪৯৯ কি. মি. |
| মথাউৰি আন আৰু শক্তিশালী কৰা | ১০৮৬.৪০ কি. মি, |
| জলনিষ্কাষণ খাল | ৪৯৩.৭০ কি. মি |
| খহনীয়া প্ৰতিৰোধ আচনি | ২৩৬ খন |
| মূখ্য পানী দুৱাৰ | ৫০ খন |

১৯৮৫-৮৬ চনত শেষ কৰা আৰু ১৯৮৬-৮৭ চনত কৰিবলৈ লোৱা কামসমূহ হল

| | ১৯৮৫-৮৬ | ১৯৮৬-৮৭ |
|---|---|---|
| ব্ৰহ্মপুত্ৰ মথাউৰি— — | ১ কিলমিটাৰ | ১ কিল মিটাৰ |
| উপনৈ মথাউৰি | ১৫ ” | ১০ ” |
| মথাউৰি সান আৰু | | |

| | | |
|---|---|---|
| শক্তিশালী কৰণ | ৭০ কিলমিটাৰ | ২৫ কিলমিটাৰ |
| জল নিষ্কাষন খাল | ১০ ” | ৩৫ ” |
| খহনীয়া প্ৰতিৰোধ আচনি | ৭০ খন | ৩৯ খন |
| মুখ্য পানীৰ দুৱাৰ | ৩ ” | |
| উপকৃত অঞ্চল | ১৫০০০ হেক্তৰ | ১৪০০০ হেক্তৰ |

গৰাখহনীয়া বৰ্তমানে অসমত আটাইতকৈ ডাঙৰ সমস্যা হৈ পৰিছে, ইয়াৰ ফলত অকল বান নিয়ন্ত্ৰণৰ কাম সমূহেই বিপদ গ্ৰস্ত হোৱা নাই, জন বসিত আৰু কৃষি অঞ্চলতো যথেষ্ট ক্ষতি হৈছে। বৰ্ত্তমানে প্ৰায় শেষ হোৱা পলাশবাৰী কোন অঞ্চলৰ বৃহৎ খহনীয়া প্ৰতিৰোধ আচনিৰ লেখীয়া কাম দেউৰীঘাট মাতমৰা সিৰা, মহাভৈৰৱ পথ মুকালমুৱা, হাউলীঘাট, সোনাৰী বালিকুছি দকিৰগঞ্জ দ: পালমৰা আদিতো দৰকাৰী হৈ পৰিছে। কিন্তু এনে ব্যয়বহুল আচনি কেন্দ্ৰীয় চৰকাৰৰ যথোচিত সাহায্য অবিহনে ৰাজ্য চৰকাৰে লোৱাটো সম্ভৱ নহয়।

তলত উল্লেখ কৰা আচনি কেইখন বৰ্ত্তমানে অনুমোদনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে

| | | আনুমানিক খৰচ |
|---|---|---|
| ১। | মুকাল মুৱা (হাউলী ঘাট) অঞ্চলৰ খহনীয়া প্ৰতিৰোধ- | ৬৮২.০০ লাখ টকা |
| ২। | বোকা খাট আৰু কাজিৰঙা অঞ্চলৰ খহনীয়া প্ৰতিৰোধ- | ১৪৬৯.০০ ” |
| ৩। | দিখৌ নদীৰ বান প্ৰতিৰক্ষা | ৩২৩.৮৬ ” |
| ৪। | নগাস্মুলি মাইজান অঞ্চলৰ প্ৰতিৰক্ষা | ৫২৩.৬২ ” |
| ৫। | মাতমৰা অঞ্চলত প্ৰতিৰক্ষা | ৪৪৩.৫৬ ” |
| ৬। | বালিকুছিৰ পৰা দাকিৰগঞ্জলৈ ব্ৰহ্মপুত্ৰৰ গতিৰ নিয়ন্ত্ৰণ | ২০৭০.৪০ ” |
| ৭। | ব্ৰহ্মপুত্ৰৰ বাওঁপাৰে গুমীৰ পৰা কলাতলীলৈ (৩১.৫০ কি; মি:ৰপৰা ৩৭.৫০ কি: মি:লৈ ৰিটায়ৰমেণ্ট বান্ধ) | ১৬৯.৫৪ ” |
| ৮। | শিলঘাটৰ পৰা চিধলৈ ব্ৰহ্মপুত্ৰ মথাউৰিত ৬১ কি মিটাৰৰ পৰা জটিয়াবাৰী ৰিটায়াৰমেণ্ট বান্ধ | ১৯৩.৭৯৫ ” |
| ৯। | ব্ৰহ্মপুত্ৰৰ বাওঁপাৰে পলাশবাৰী গুমী মথাউৰিত ১১.০০ কি; মিটাৰৰ পৰা ১৭.৩০ কি মি; লৈ ৰিটায়ৰমেণ্ট বান্ধ সংশোধিত প্ৰাক্কলন | ১৫৩.৬২ ” |
| | | ৬০২৯.৪৯৫ ” |

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাননিয়ন্ত্ৰণ জলসিঞ্চন বিদ্যুৎ উপাদন আদিলৈ লক্ষ্য ৰাখি কেন্দ্ৰীয় জল সম্পদ বিভাগৰ অধীনস্থ ব্ৰহ্মপুত্ৰ বৰ্ডে দিহং আৰু সোৱনশিৰী বান্ধ প্ৰকল্প প্ৰস্তুত কৰে আৰু এই দুয়োখন প্ৰকল্প বৰ্ত্তমানে কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন। এইদুখন প্ৰকল্পৰ বাবে মুঠ টকাৰ প্ৰয়োজন হব প্ৰায় ১১,৬৬৮ কৌটি টকা। উক্ত ব্ৰহ্মপুত্ৰ বৰ্ডে Master Plan ত অন্তৰ্ভুক্ত কৰা হিচাবমতে এই বহুমুখী প্ৰকল্প সমূহ বাদ দিও অকল ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত লবলগীয়া অন্যান্য বান নিমন্ত্ৰণ আচনিৰ বাবে অহা ১৫।২০ বছৰৰ ভিতৰত প্ৰয়োজন হ'ব প্ৰায় ৩০০ কোটি টকা। ইয়াৰ ভিতৰত উপনৈ সমূহত লবলগীয়া কামবোৰ ধৰা হোৱা নাই। তাৰ কাৰণে ব্ৰহ্মপুত্ৰ বৰ্ডে Master Plan কৰি আছে।

কেন্দ্ৰীয় ঋণ সাহায্যৰ পৰিমানলৈ চালেই এই ধন কিমান ভাকৰীয়া তাক অনুমান কৰিব পাৰি। ১৯৭৪-৭৫ চনৰ পৰা ষষ্ঠ পৰিকল্পনাৰ শেষলৈকে পোৱা হৈছে প্ৰায় ১১২ কোটি টকা। সপ্তম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ (১৯৮৫-৯০) কালছোৱাৰ বাবে অসমে বিচৰা নূন্যতম ১৫০·০০ কোটিৰ বিপৰীতে, কেন্দ্ৰীয় চৰকাৰে ধাৰ্য্য কৰিছে মাত্ৰ ৭০·০০ কোটি টকা। ইয়াৰে ১৯৮৫-৮৬ চনৰ বাবে মোকলাই দিছে ১৫ কোটি টকা আৰু বৰ্ত্তমান বছৰৰ বাবে ধাৰ্য্য কৰিছে ১৩·৫০ কোটি টকা। কেন্দ্ৰীয় চৰকাৰৰ Annual Plan Committee ৰ নিৰ্দেশমতে এই দুয়োবছৰতে ৫ কোটি কৈ মুঠ ১০ কোটি টকা ধাৰ্য্য কৰিব লগীয়া হৈছে অকল পলাশবাৰী গুমী খহনীয়া প্ৰতিৰোধ আচনিৰ বাবেই। বাকী থকা ধনখিনি অন্যান্য কামৰ বাবে নিচেই তাকৰীয়া।

এই ঋণ সাহায্য বৃদ্ধিৰ কাৰণে ৰাজ্য চৰকাৰে সকলো ধৰণৰ চেষ্টা কৰিছে। যোৱা ১০।৭।৮৬ তাৰিখে সৰ্বদলীয়া বিধান সভাৰ সদস্যৰ প্ৰতিনিধি দল এটাইও কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী মহোদয়ক এই সংক্ৰান্তত স্মাৰক পত্ৰ প্ৰদান কৰে। যোৱা ৫ আৰু ৬ নৱেম্বৰ তাৰিখে ৰাজ্যিক বাননিয়ন্ত্ৰন মন্ত্ৰীদ্বয়ে কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী আৰু পৰিকল্পনা আয়োগৰ উপসভাপতিকো এই সংক্ৰান্তত লগ ধৰি স্মাৰক পত্ৰ দিয়ে। কিন্তু এতিয়ালৈকে কোনো আশ্বাস পোৱা হোৱা নাই। যোৱা ১০ জুলাই তাৰিখে কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী মহোদয়ৰ লগত হোৱা আলোচনাৰ আগ ধৰি বান নিয়ন্ত্ৰণৰ বাবে ১১৭·৯৯ কোটি টকাৰ এখন জনজাতি উপ-আচনি (১৯৮৬-৯০)ও প্ৰেৰণ কৰা হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে কোনো ইতিবাচক সহাৰি পোৱা নাই।

আগতে উল্লেখ কৰা কথাখিনিৰ পৰা এইটো সহজেই অনুমেয় যে বাৰ্ষিক বিত্তীয় অনুদানৰ বাবেই এই বিভাগ কামকাজত যথেষ্ট বাধাৰ সন্মুখীন হৈছে। যিহেতু ব্ৰহ্মপুত্ৰ উপত্যকাত বাননিয়ন্ত্ৰণৰ ধন কেন্দ্ৰীয় বাজেটত ধাৰ্য্যকৰা হয়, গতিকে ৰাজ্য চৰকাৰৰ অনুৰোধ বা স্মাৰক পত্ৰ অৰন্যৰোদনৰ দৰেহে হয়গৈ। আনহাতে এইটো নকলেও হ'ব যে বান নিয়ন্ত্ৰণৰ সমস্যাটো বছৰে বছৰে জটিলতৰ হৈহে গৈ আছে। যোৱা অক্টোবৰ মাহত হোৱা বানপানীয়েই তাৰ জ্বলন্ত প্ৰমান। কেইবাখনো জিলাত ধৰা তাৰ ভয়াবহ ৰূপ ৰাইজে সহজে নাপাহৰে। এই আবতৰীয়া বানে অঞ্চলটোৰ গ্ৰাম্য অৰ্থনীতি আৰু কৃষি খণ্ডক প্ৰায় থানবান কৰিলে।

সদৌশেষত ইয়াকে কব খোজোযে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰন শতকৰা ১০০ ভাগ কেন্দ্ৰীয় ঋন সাহাৰ্য্যৰ পৰা কৰা নীতিটো সংশোধন কৰা হওঁক আৰু এটা নতুন নীতি গ্ৰহণ কৰা হওঁক যাতে ৰাজ্যিক পৰিকল্পনাৰ পৰাও পৰিপূৰক ধন এই খণ্ডৰ বাবে খৰচ কৰা হয়। ৰাজ্যিক পৰিকল্পনাৰ পৰা খৰচ কৰা ধনৰ এটা সুবিধা এই যে ইয়াৰ শতকৰা ৩০ ভাগ কেন্দ্ৰৰ পৰা মঞ্জুৰী পোৱা হয়। কিন্তু ঋণ সাহাযাৰ শতকৰা এভাগেই সুতে মূলে পৰিশোধ কৰিবলগীয়া হয়। তাৰোপৰি সম্পূৰ্ণ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত নিৰ্ভৰশীল নহৈ, ৰাজ্যচৰকাৰে পুজি আৰু জৰুৰীকালীন পৰিস্থিতি বুজি আৱশ্যক অনুযায়ী বিত্তৰ যোগান ধৰাৰ সুবিধা থাকিব।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীহেমেন দাসে যোৱা ১৫ তাৰিখে পল্টন বজাৰত কিছুমান দুৰ্ব্বৃত্তই মাৰধৰ কৰিছিল। এইটো ৰাজনৈতিক ঘটনা বুলি কোৱা হৈছে। এতিয়া শ্ৰীদেবেন ভট্টাচাৰ্য্যৰ বিষয়টোত কি ব্যৱস্থা লোৱা হৈছে তাক জানিব বিচাৰিছে।

শ্ৰীভৃগু কুমাৰ ফুকন (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, উক্ত ঘটনা সংক্ৰান্তত পল্টন বজাৰ আৰক্ষী থানাক তদন্ত কৰিব দিয়া হৈছে আৰু আৰক্ষী বিভাগে তদন্ত চলাইছে। উক্ত ঘটনাৰ সংক্ৰান্তত পল্টন বজাৰ থানাত ভাৰতীয় দণ্ডবিধিৰ ১৪৭/৩২৫ ধাৰাত ৫১৩/৮৬ নং গোচৰ পঞ্জীভূক্ত কৰা হয়। আৰক্ষী বিভাগক বিতং প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীকমলা কলিতাই কব।

শ্ৰীকমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই দৈনিক অসমৰ ১৭ ডিচেম্বৰ তাৰিখে প্ৰকাশিত "কেন্দ্ৰৰ আভ্যন্তৰীণ যি নিয়ম" শীৰ্ষক বাতৰিৰ প্ৰতি ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বাতৰিত প্ৰকাশ পাইছে যে কিছুমান সন্দেহ যুক্ত অভাৰতীয় লোকক নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছে। বাতৰিত এইটোও প্ৰকাশ পাইছে যে তেওঁলোকক প্ৰথমতে খালাচী হিচাবে নিয়োগ কৰি তাৰ পিচত তেওঁলোকক স্থায়ী হিচাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে। ইতিমধ্যে নিয়োগ কৰা ১৪ জনৰ ভিতৰত আমাৰ থলুৱা এজনো নাই।

অধ্যক্ষ মহোদয়, যি সময়ত অসমত সকলো ক্ষেত্ৰতে থলুৱা প্ৰাৰ্থীক সুবিধা দিয়াৰ কাৰণে চৰকাৰে চেষ্টা চলাইছে আৰু যি সময়ত চৰকাৰে বিদেশী নাগৰিক সকলক বহিষ্কাৰ কৰিবৰ কাৰণে চেষ্টা চলাই আছে সেই সময়তে এটা চক্ৰই অভাৰতীয় লোকক আমাৰ কাৰ্যালয়বিলাকত নিযুক্তি দিবৰ কাৰণে ব্যৱস্থা কৰিছে। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। মই আশা ৰাখিছো ৰাজ্য চৰকাৰে এই বিষয়ৰ ওপৰত গুৰুত্ব সহকাৰে ব্যবস্থা লব। সেই কাৰণে মই আজি এই বিষয়ৰ ওপৰত সদনত ৰাজ্য চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

শ্ৰীললিত চন্দ্ৰ ৰাজখোৱা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমলা কলিতাই যি বিষয় উৎথাপন কৰিছে তাক চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাটো মই ভালেই পাইছো। মই তেখেতক আশ্বাস দিব পাৰো যে কোনো অভাৰতীয় নাগৰিকক নিযুক্তি দিয়াব ব্যৱস্থা কেতিয়াও কৰা নহব। যদি কোনোবা বিদেশী নাগৰিক আছে তেতিয়া উলিয়াই দিয়াৰ ব্যৱস্থা কৰা হব। কিমানক নিযুক্তি দিয়া হৈছে তাক চৰকাৰে পৰীক্ষা কৰিব।

## ANNOUNCEMENT FROM THE CHAIR

Mr. Speaker : Honourable Member, Sri Durga Das Boro pointed out that the Starred Question No. 155 was already replied on 12th December 1986 and why the same question has been put in the List of Questions of to-day. I have come to know from records that on receipt of the question from Honourable Members Shri Dilip Kumar Saikia, the question was sent to the Minister In-charge of Cultural Affairs i. e. the Honourable Chief Minister and the reply put down in the List of Question of 12 December, 1986 was received from the Honourable Education Minister. Again

reply has also come in the name of Honourable Chief Minister. The contents of the reply of both the Answers being different, to-day's question is also put in the List of Question on this ground I read the answers of both the questions. The question answered raised on 12th December 1986 by the Education Minister as follows :

"কামাখ্যা মন্দিৰ পৰিচালনা সমিতিৰ সন্মতি সাপেক্ষে ৰক্ষণা-বেক্ষণ তথা মন্দিৰ পৰিচালনাৰ বাবে উপযুক্ত ব্যৱস্থা লোৱাৰ বিষয়টো চৰকাৰে পৰীক্ষা কৰিব ।"

and answer of to-day's question to be replied by the Honourable Chief Minister is as follows :

"তেনে ধৰণৰ কোনো প্ৰস্তাৱ চৰকাৰৰ ওচৰত নাই ।" This is for information of the House.

শ্ৰীদুৰ্গাদাস বড়ো : মাননীয় অধ্যক্ষ মহোদয়, কামাখ্যা মন্দিৰলৈ যোৱা পৰিবহন সম্পৰ্কে ৰক্ষণাবেক্ষণ দিয়া আৰু তাৰ যথোপযুক্ত ব্যৱস্থা চৰকাৰে লবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) : তেনেধৰণৰ কোনো প্ৰস্তাৱ পোৱা নাই।

Mr. Speaker : Now Item No. 2, Shri Ardhendu Kumar Dey.

Shri Ardhendu Kumar Dey : Mr. Speaker Sir, I beg to call the attention of the Honourable Chief Minister under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Asom Bani" dated 31st October 1986 under the caption "Kendralai Byay-bihin Bahu Dhan Punora Ghuri Jabo Pare"

মাননীয় অধ্যক্ষ : মাননীয় সদস্যসকলক অনুৰোধ কৰা হল যাতে ২ মিনিটত শেষ কৰে ।

শ্ৰীঅৰ্ধেন্দু কুমাৰ দে : মাননীয় অধ্যক্ষ মহোদয়, এই সদনত বিভিন্ন সময়ত বিভিন্ন মন্ত্ৰীয়ে আশ্বাস দিছিল যে কেন্দ্ৰৰপৰা চেওচন হোৱা বহুত ধৰণে টকা আহিব। সেইবিলাক আমাৰ ইয়াৰ পৰা ঘূৰি নেযায়। বিভিন্ন সময়ত বিভিন্ন মন্ত্ৰীয়ে সভা সমিতিত এনে ধৰণে কথা কৈছিল যে কেন্দ্ৰৰ পৰা টকা পইচা নহাৰ কাৰণে কোনো ধৰণৰ পৰিকল্পনা কৰিব পৰা নাই। ইয়াৰ দ্বাৰা জন-সাধাৰণক

যে চকুত ধূলি দি থকা হৈছে সেইটো নহয়নে ? মই "অসম বানী"ৰ ১৯৮৬ চনৰ ৩১ অক্টোবৰৰ বাতৰি পঢ়ি দিছো: ( বাতৰি পঢ়ে )। "১৯৮৬-৮৭ চনত অসমৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে নিৰ্ধাৰিত ৫০০ কোটি টকাৰ ভিতৰত যোৱা আগষ্ট মাহৰ শেষৰ পিনে মাত্ৰ ২৩ দশমিক ১৫ শতাংশ টকা বৰ্তমানৰ চৰকাৰে ব্যয় কৰাৰ ফলত পৰৱৰ্তী পাচটা মাহৰ পাছত কেন্দ্ৰক ব্যয়বিহীনভাৱে বহু পৰিমাণৰ ধন ঘূৰাই দিব লগাত পৰিব পাৰে বুলি এতিয়াই আশংকা সৃষ্টি হৈছে। আনহাতে আগষ্ট মাহৰ শেষলৈকে ব্যয় হোৱা বাৰ্ষিক পৰিকল্পনাৰ সমুদায় ধনৰ ভিতৰত অতি মন্থৰ গতিৰে মঞ্জুৰী হোৱা ১৮৬ কোটি ১৩ লাখ ৬৯ হেজাৰ টকাৰ ভিতৰত ১১৫ কোটি ৭৩ লাখ ৩৩ হাজাৰ টকা ব্যয়ৰ প্ৰতি লক্ষ্য কৰিলে দেখা যাব যে বছৰটোৰ শেষৰ পিনে পূৰ্বৰ চৰকাৰৰ দৰেই অসম গণ পৰিষদ চৰকাৰেও সময়ৰ মূৰকত জধেমধে ধনবোৰ ব্যয় কৰিব লাগিব আৰু প্ৰয়োজন হলে কেন্দ্ৰৰ ওচৰত হেয় হব লগাকৈ বুজন পাৰমাণৰ ধন ঘূৰাই দিব লাগিব।"

( বেল বজাৰ শব্দ হয় )

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। বৰ্তমান মাননীয় সদস্যসকলে এই বিষয়ে জানিবলৈ সুযোগ পাইছে। চৰকাৰৰ পৰিকল্পনাৰ ধন প্ৰতি মাহে কিমান খৰছ কৰা হৈছে সেই বিষয়ে আগতে সদস্যসকলে জানিব পৰা নাছিল। আগতে যি ব্যৱস্থা নাছিল এতিয়া তাৰ ব্যৱস্থা কৰা হৈছে। এইটো মাননীয় সদস্যসকলৰ কাৰণে ভাল সুযোগ। এই বিষয়ত তেখেতসকলে অংশ গ্ৰহণ কৰাৰ কাৰণে মই ধন্যবাদ জনাইছো।

চলিত বিত্তীয় বছৰৰ প্ৰথম তিনি মাহত চৰকাৰৰ বিভিন্ন বিভাগৰ পৰা দিয়া মঞ্জুৰী আৰু খৰছৰ পৰিমাণৰ গাততকৈ দ্বিতীয় তিনি মাহত খৰছৰ গতি দ্ৰুত হৈছে। উপৰ্যুপৰি হেঁচা আৰু সূক্ষ্মভাবে পৰ্যবেক্ষণৰ পাচত এই গতি কিছু তীব্ৰতৰ হোৱা দেখা গৈছে।

সদনৰ জ্ঞাতাৰ্থে মই জনাও যে যোৱা অক্টোবৰ মাহৰ শেষলৈকে পৰিকল্পনাৰ ধনৰ ৩৮·৩৫ ভাগ ইতিমধ্যে ব্যয় হৈছে। বাৰিষা বতৰৰ দুৰ্যোগে কিছু পৰিমাণে প্ৰশাসনক ব্যস্ত কৰি ৰখাৰ কাৰণে পৰিকল্পনা ৰূপায়ণত আম বাধাগ্ৰস্ত হৈছিলো। তথাপিও যোৱা বছৰৰ এইখিনি সময়ৰ তুলনাত ব্যয়ৰ পৰিমাণ অধিক হোৱাটো সন্তোষৰ কথা।

নৱগঠিত ৰাজ্যিক পৰিকল্পনা পৰিষদৰ সমান তদাৰকী আৰু আমাৰ চৰকাৰৰ দৃঢ় সংকল্পৰ পটভূমিকাত মই সদনক আশ্বাস দিব পাৰো যে উন্নয়ণৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন এতিয়া আশানুৰূপ সাফল্যৰ পথত আগ বাঢ়িছে। মোৰ গভীৰ প্ৰত্যয় আছে যে আমাৰ বাৰ্ষিক পৰিকল্পনাৰ লক্ষ্যত আমি এইবেলি উপনীত হব পাৰিম। প্ৰশাসনেও এই ক্ষেত্ৰত বিহিত ব্যৱস্থাৰে আগ বাঢ়িছে। এই প্ৰসংগত দল নিৰ্বিশেষে এই পবিত্ৰ সদনৰ সকলো মাননীয় সদস্যৰ অকুণ্ঠ সহযোগিতা পাবলৈ আমি আশা কৰিছো।

Mr. Speaker : Now item No. 3, Honourable member Shri Hemen Das.

শ্ৰীহেমেন দাস : অসম বিধান সভাৰ প্ৰক্ৰীয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ১৯ নভেম্বৰ তাৰিখৰ 'অগ্ৰদূত' কাকতত প্ৰকাশিত 'নোৱাপাৰা সূতা কলৰ' অনিশ্চিত ভৱিষ্যত শীৰ্ষক বাতৰিটোৰ হস্তভাঁত আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষন কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, ১০ কোটি টকাতকৈও অধিক টকা খৰচ কৰি সকলো কাম সম্পুৰ্ণ হৈছে বুলি কৈছে। অলপতে উদ্বোধনো কৰিব। মই যিহেতু তাৰেই কিছুমান খবৰ পাই আছো। ইয়াৰ নিৰ্মান কাৰ্য্য অতি নিম্নস্তৰৰ। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে সদনত দাখিল কৰা বিবৃতিৰ পৰাই এই কথা স্পষ্ট ভাৱে ওলাই পৰিছে। প্ৰোদাকশ্যন হলৰ বেৰ খহি পৰা নাছিল মাত্ৰ মজিয়াতহে যন্ত্ৰ-পাতি বহুৱাবলৈ অনুপযুক্ত আছিল বুলি বিবৃতিটোত উল্লেখ কৰা হৈছিল। মজিয়াখনেই আচল বস্তু যিহেতু মজিয়াখনতে গোটেই যন্ত্ৰ-পাতি থাকে। গতিকে গোটেই ঘৰটোৱেই নিম্নস্তৰৰ হৈছে। এই নিম্ন স্তৰৰ ঘৰটোত আকৌ বহু কোটি টকা নষ্ট কৰি কাম আৰম্ভ কৰিবলৈ নাযায় যেন।

শ্ৰীদীগেন চন্দ্ৰ বৰা (উদ্যোগ মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বিবৃতি মই সদনত সমূহ সদস্যৰ টেবুলত ৰাখিছো। আৰু অলপতে এইটো উদ্বোধনো কৰা হব। মই নিজে গলে এই বিষয়ে অনুসন্ধান কৰিম বুলি সদনক জনাইছো। (Copy of Statement placed at Annexure I)

Mr. Speaker : Now item No. 4, Honourable Shri Silvius Condpan.

Shri Silvius Condpan : Sir, I beg to the call the attention of the Honourable Minister Labour, under Rule 54 of the Rules of Procedure

and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'The Telegraph' dated 18th November, 1986 under the caption "Tea Estate resents Assam letter".

শ্ৰীবাৰ্কী প্ৰসাদ টেলেঙা ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ এটা প্ৰবিবৃতি মাননীয় সদস্য সকলৰ টেবুলত ৰখা হৈছে। তাতেই যদি আপোনালোক সন্তুষ্ট হৈছে তেতিয়াহলে মই পাঠ কৰি নিদিও।

( Copy of the Statement placed at Annexure II )

Mr. Speaker : Now item No. 5, Honourable member Shri Binai Khungur Basumatari.

Shri Binai Khungur Basumatari : Mr. Speaker Sir, I draw the attention of the Honourable Minister Revenue by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "Requisition Notice No. RED/14/83/911 dated Dispur the 27th May, 1986 signed by the Deputy Secretary to the Government of Assam, Revenue Department proposing to takeover 35 predominantly Tribal inhabited villages from Beltola to Jalukbari Mauzas in Kamrup District."

Sir, this notification has created panic in the area and since this was in the tribal balt, in South Guwahati tribal balt and block therefore, the land ownership is still in majority cases in the name of tribals and tribals do reside in this area. This has created a lot of problem for the citizens of this area and they have repeatedly come to the Government and soon approached Central Government. But we have failed to observe the categorical assurance from the State Government as to what they propose to do. Therefore Sir, I wish a categorical assurance from the Minister.

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্নৰ উত্থাপন কৰিছে সেইটো আমাৰো দৃষ্টিগোচৰ হৈছে। অৱশ্যে যদিও ৩৫ খন গাওঁ এটা নটিফিকেশ্যনত ৰখা হৈছে এইটো মেজৰিটি ট্ৰাইবেল এৰিয়া বুলি কব নোৱাৰি কাৰণ এটা ইনটেনচিতিৰ প্ৰশ্ন হে এইটো কৰা হৈছে। ইয়াৰ বিবৃতি সদনত ৰখা হৈছে। ৰেইলওৱেৰ কাৰণে ৩৫ খন গাওঁ প্ৰয়োজন নহ'লেও

পাৰে কথা হৈছে বহিৰাগত মানুহক মাটি বিক্ৰী কৰিব নোৱাৰা কথাটত হে অসুবিধা অনুভব কাৰ এই কথা খিনি কোৱা হৈছে।

( Copy of the Statement placed at Annexure III )

Shri Binai Khungur Basumatari : Sir, only one clarification.

Mr. Speaker : No.

Shri Zoii Nath Sarma : Sir, I draw the attention of the Minister Home by raising a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Lagislative Assembly relating to the news item appearing in the 'Dainik Asom' dated 27th November, 1986 under the caption, "বেদখল উচ্ছেদ, পুলিচ আক্ৰান্ত, গুলিবৰ্ষণ"

মাননীয় অধ্যক্ষ মহোদয়, এই বে-আইনীৰ ক্ষেত্ৰত আমি কঠোৰ ভাবে বে-আইনী কাম ৰোধ কৰিবৰ কাৰণে যাতে ব্যৱস্থা লব পাৰো তাৰ প্ৰতি দৃষ্টি গোচৰ কৰিলো।

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বাতৰিটোৰ প্ৰতি আমাৰ দৃষ্টিগোচৰ হৈছে আৰু এই সম্পৰ্কত এটা বিবৃতি সদনৰ প্ৰতিজন মাননীয় সদস্যৰ টেবুলত ৰখা হৈছে। আইন উলংঘা কৰা লোকসকলৰ বিৰুদ্ধে এটা গোচৰ জালুকবাৰী থানাত ৰুজু কৰা হৈছে। এতিয়ালৈকে ৭ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

( Copy of the Statement placed at Annexure IV )

Mr. Speaker : Now item No. 7, Honourable member Shri Binai Khungur Basumatari.

Shri Binai Khungur Basumatari : Sir, I draw the attention of the Minister, Hill Areas under Rule 301 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the "Amrit Bazar Patrika" dated 14th November, 1986 under the caption "Karbi Anglong get set for Poll amid curbs".

Sir, the reply is also with us but in regard to the reply para 2 it says that because of the recent flood this prohibitory order was issued. I wish to raise the question as to how flood can cause communal tension.

শ্ৰীছামচিং হান্সে ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৪ নৱেম্বৰ তাৰিখৰ "অমৃত বজাৰ" কাকতত প্ৰকাশিত বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত মই কব খোজো উক্ত বাতৰিটো সঁচা নহয়। বাতৰিটোত কোৱা ধৰণে তাত কোনো সমস্যা হোৱা নাই। তাত হৈ যোৱা বানপানীৰ সমহত পুনৰ সংস্থাপনৰ কামত কিছু খেলি-মেলি হোৱাৰ কাৰণে জিলা কৰ্তৃপক্ষই ১৫২ ধাৰা জাৰি কৰিছিল কিন্তু ইয়াৰ লগত নিৰ্বাচনৰ কোনো সম্পৰ্ক নাই। ৫ নৱেম্বৰ তাৰিখে এই ধাৰা উঠাই দিয়া হৈছে। তাত সম্পুৰ্ণ ৮ জন প্ৰাৰ্থীয় প্ৰতিদন্দ্বিতা কৰিছিল। শতকৰা ৪৩ ভাগ ভোট দাতাই ভোট দান কৰিবলৈ আহিছিল। নিৰ্ব্বাচন সুস্থ আৰু নিকা হৈছে বুলি মই সদনত জনাইছো।

( Copy of the Statement placed at Annexure V )

Mr. Speaker : Now item No. 8 Honourable member Shri Zoii Nath Sarma.

শ্ৰীজয়নাথ শৰ্মা : অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ২৭ নৱেম্বৰ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত 'অসম চৰকাৰেহে দৰমহা দি আছে' শীৰ্ষক বাতৰি সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষন কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ যিসকল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছে তেওঁলোকক যেনে তেনে ভাবে ব্যৱহাৰ কৰা হৈছে। মাননীয়া এম. পি বেগম আবিদা আহমদৰ লগত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এজন অকৰ্ত্তৃশীল ভাবে ঘৰুৱা কৰ্মী হিচাবে আছে। আমাৰ চৰকাৰে দৰমহা দি থাকে আৰু তেওঁৰ ব্যক্তিগত কামত খটুৱায়। থিক সেইধৰণে আগৰ মুখ্য সচিব ৰমেশ চন্দ্ৰৰ লগতো এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে তেওঁৰ ব্যক্তিগত কাম কৰি আছে। আমাৰ চৰকাৰৰ দিনত যাতে এই চতুৰ্থ শ্ৰেণীৰ চাকৰিয়ালসকলক যেনে তেনেকৈ ব্যৱহাৰ কৰিব নোৱাৰে তাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) : শ্ৰীদিন মহম্মদ মূলতে অসম সচিবালয়ৰ ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল। ফকৰুউদ্দিন আলী আহমেদ যেতিয়া অসমৰ মন্ত্ৰী আছিল তেতিয়াৰ পৰাই মন্ত্ৰী মহোদয়ৰ লগত ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী হিচাবে কাম কৰিবলৈ দিয়া হৈছিল. আহমেদ যেতিয়া দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সভাত যোগদান কৰে তেতিয়া শ্ৰীদিন মহম্মদকো কেন্দ্ৰীয় চৰকাৰৰ অধিনত প্ৰতি নিযুক্ত দিয়া হয় যাতে শ্ৰীদিন মহম্মদে আহমেদৰ লগত কাম কৰিব পাৰে।

এই প্ৰতি নিযুক্তিৰ ভিত্তিত শ্ৰীদিন মহম্মদে ইং ৯।২।৬৬ পৰা ৩১।৭ ৭৭ তাৰিখলৈ কেন্দ্ৰীয় চৰকাৰৰ অধিনত কাম কৰে। ইয়াৰ পাছত শ্ৰীদিন মহম্মদক ৰাষ্ট্ৰপতিৰ সচিবালয়ে ইং ১৮.৭৭ ৰ পৰা ২৮।১১।৭৭ তাৰিখলৈ Terminal Leave দিয়া হয়।

ফকৰুউদ্দিন আলী আহমেদৰ মৃত্যুৰ পাছত তেখেতৰ বিধবা পত্নী বেগম আবিদা আহমেদক লগুৱা হিচাবে শ্ৰীদিন মহম্মদক তেখেতৰ লগত কাম কৰি থাকিবলৈ অসম চৰকাৰৰ দিল্লীত থকা Special Commissioner এ চৰকাৰৰ ওচৰত অনুৰোধ জনায়।

এই প্ৰস্তাৱত সেই সময়ৰ মুখ্যমন্ত্ৰীয়ে ( শ্ৰীশৰৎ চন্দ্ৰ সিংহ ) অনুমোদন জনায় আৰু শ্ৰীদিন মহম্মদক ৩ ( তিনি ) বছৰৰ কাৰণে বেগম আহমেদৰ লগত কাম কৰিবলৈও অনুমোদন দিয়ে।

যিহেতু অসম চৰকাৰে পোন-পতিয়াকৈ কোনো ৰাজ্যিক কৰ্মচাৰীক বেগম আহমেদৰ লগত কাম কৰিবৰ বাবে অনুমতি দিব নোৱাৰে, সেয়েহে ইং ১৯৭৭ চনত অসম ভৱন, দিল্লীত এটা ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ পদৰ সৃষ্টি ( Create ) কৰা হয় আৰু শ্ৰীদিন মহম্মদক সেই পদত নিযুক্তি দিয়া হয়। তাৰ পাছত দিন মহম্মদক বেগম আবিদা আহমেদৰ লগত কাম কৰিবলৈ মুখ্য সচিবৰ অনুমতি অনুসৰি ইং ১৯।৭।৮০ চনৰ পৰা আৰু ৩ বছৰৰ বাবে দিয়া হয়।

ওপৰোক্ত ৩ (তিনি) বছৰ শেষ হোৱাৰ পাছত শ্ৰী দিন মহম্মদক আৰু ৩ (তিনি) বছৰ বেগম আবিদা আহমেদৰ লগত কাম কৰিবলৈ দিয়াৰ এটা প্ৰস্তাৱত তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে (শ্ৰীহিতেশ্বৰ শইকীয়া) অনুমোদন জনায়।

ইয়াৰ পাছত ওপৰোক্ত ৩ বছৰ শেষ হোৱাত আৰু এটা প্ৰস্তাৱ আহে যে শ্ৰীদিন মহম্মদক তেওঁৰ অৱসৰৰ সময়লৈ ( Retirement ) অৰ্থাৎ ৩।১২.৮৭ তাৰিখলৈকে বেগম আবিদা আহমেদৰ লগত কাম কৰি থাকিবলৈ অনুমতি দিব লাগে। এই প্ৰস্তাৱত বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে অনুমোদন জনায় আৰু শ্ৰীদিন মহম্মদক অৱসৰৰ দিনলৈকে ৩১।১২।৮৭ কাম কৰিব দিয়া হৈছে।

চৈয়দা আনোৱাৰা তাইমুৰ অসমৰ মুখ্যমন্ত্ৰী থকা কালছোৱাত অসম সচিবালয়ৰ এজন বিষয়াক দিল্লীৰ অসম ভৱনত Liaison officer (Shri B. N. Barooah) হিচাবে নিযুক্তি দিয়া হৈছিল। অৱশ্যে এই বিষয়াজন অশোক পেঁপাৰ মিলতো প্ৰতি-নিযুক্তিত ( Deputation ) আছিল। এই কথাটো সঁচা নহয় যে এই কালছোৱাতেই অসম ভৱনৰ এজন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক বেগম আবিদা

আহমেদক লগুৱা হিচাবে দিয়া হৈছিল। এই ৪র্থ শ্রেণীৰ কর্মচাৰীজন আচলতে ফকৰুউদ্দিন আলি আহমেদ ভাৰতৰ ৰাষ্ট্রপতি হৈ থকাৰ সময়ৰ পৰাই আহমেদৰ লগত কাম কৰি আছিল।

শ্রীৰমেশ চন্দ্র অসমৰ মুখ্য সচিব হৈ থকা কালছোৱাত তেওঁৰ গোটেই পৰিয়ালটোৰ সৈতে এটা দুর্ঘটনাৰ সন্মুখীন হয় আৰু All India Institute of Medical Science ৰ পৰা আহি গোটেই পৰিয়ালটো অসম ভৱনতে কিছুকালৰ কাৰণে থাকিব লগীয়া হয়। এই সময় ছোৱাত শ্রীৰমেশ চন্দ্রৰ পৰিয়ালক চোৱা-মেলাৰ কাৰণে অসম ভৱনৰ শ্রীপ্রভুৰায় নামৰ এজন ৪র্থ শ্রেণীৰ কর্মচাৰীৰ ওপৰত ভাৰ দিয়া হয়। শ্রীৰমেশ চন্দ্র অসমৰ মুখ্য সচিবৰ পৰা বিদায় লোৱাৰ পাছত শ্রীৰমেশ চন্দ্রৰ অনুৰোধ ক্রমে কিছুদিনৰ বাবে উক্ত ৪র্থ শ্রেণীৰ কর্মচাৰীজনক শ্রীৰমেশ চন্দ্রৰ লগত কাম কৰি থাকিবলৈ দিল্লীৰ Resident Commissioner এ অনুমতি দিয়ে।

Mr. Speaker : Now, item No. 9

শ্রীনীলমণি দাস ( মন্ত্রী ) : মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ অসম ওজন আৰু জোখ-মাফ্ সমূহৰ ( প্রৱর্তন ) ( সংশোধনী ) নিয়মাৱলীখন সদনত দাখিল কৰিলো।

Mr. Speaker : Now, item No. 10. Honourable Member Shri Abdul Muqtadir Choudhury.

Shri Abdul Muqtadir Choudhury : Sir, I beg to present the Thirty fifth report of the Public Accounts committee,

Mr, Speaker : Now, item No. 11. Honourable Member Shri Debeswar Bora.

Shri Debeswar Bora : Sir, I beg to present the Thirteenth Report of the committee on petitions.

Mr. Speaker : Now, item No. 12. Honourable Member Shri Akan Chandra Rabha.

Shri Akan Chandra Rabha : Sir, I beg to present a petition submitted by Sarvasree Ranjeet Barua, Diganta Phukan, Raju Agarwala, Lokeswar Tinikuria, Keshab Chandra Gogoi and Chandra Bora six students of Namrup College.

মাননীয় অধ্যক্ষ : এতিয়া চাৰে ১১টা বাজিছে আমি অলপ সময় বহিব পাৰো নেকি ?

এতিয়া মাননীয় গৃহ মন্ত্ৰী ডাঙৰীয়াই মাননীয় সদস্য অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই আগতে উংত্থাপন কৰা প্ৰস্তাৱৰ ওপৰত বিবৃতি দিব।

## STATEMENT BY MINISTER

শ্ৰীভৃগু কুমাৰ ফুকন ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, তিনিমাহৰ আগতে এই বছৰৰ সোতৰ চেপ্তেম্বৰৰ দিনা সন্ধিয়া অতৰ্কিতে, অতি ক্ষিপ্ৰতাৰে সংঘটিত হোৱা বিশিষ্ট আইনজীৱী আৰু সংযুক্ত সংখ্যালঘু মৰ্চাৰ সভাপতি স্বৰ্গীয় কালীপদ সেনৰ হত্যাৰ সম্পৰ্কত সদনত দাঙি ধৰা সভাস্থগিত প্ৰস্তাৱ সন্দৰ্ভত মই এটি বিবৃত্তি ইতিমধ্যে দিছো। সেই বিবৃত্তিত মই ঘটনাৰ আচল কথাকেইটা থুলমুলকৈ উল্লেখ কৰিছিলো।

বিশিষ্ট আইনজীৱী আৰু সংযুক্ত সংখ্যালঘু সন্থাৰ সভাপতি ৺কালীপদ সেনৰ অভাবনীয় মৃত্যুৰ বাতৰিয়ে আমাৰ সকলোকে চিন্তান্বিত কৰি তুলিছিল আৰু এনে হত্যাকাণ্ডক চৰকাৰে কঠোৰ ভাষাৰে গৰিহনা দিছে। পুলিচ বাহিনীয়ে ততালিকে গুৱাহাটীৰ ভিতৰে বাহিৰে আৰু সমগ্ৰ ৰাজ্যখনতে সতৰ্ক-সজাগ ব্যৱস্থা কৰি তৎপৰতাৰে তদন্ত আৰু তালাচী আৰম্ভ কৰে। আৰক্ষী মহানিৰ্দ্দেশক প্ৰমুখ্যে উচ্চপদস্থ পুলিচ কৰ্মচাৰী সকলে ঘটনাস্থলীলৈ তেতিয়াই গৈ এই কাৰ্য্যৰ পৰিচালনা কৰে। প্ৰকৃত অপৰাধী ধৰা পেলাবলৈ অবিৰাম ভাবে যৎপৰোনাস্তি চেষ্টা চলাই থকা হৈছে।

সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰোঁতে মাননীয় সদস্য গৰাকীয়ে এটা অতি মনকৰিবলগীয়া মতবাদ ব্যক্ত কৰিছে। তেখেতে জোৰ দি কৈছে যে এখন বাতৰি-কাকতে অপৰাধী কত আছে জানে আৰু প্ৰকাশ কৰিছে। সেই সম্পৰ্কে তেখেতে এখন বঙালী খবৰ কাগজৰ এটা উদ্ধৃতি দি তাক প্ৰস্তাৱৰ মাজত দাখিল কৰিছে। এই বিবৰণ অনুসৰি কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ সূত্ৰ উল্লেখ কৰি অপৰাধী তিনিজনৰ দুজন হত্যাকাণ্ডৰ দিনা হেনো দিচপুৰৰ এম, এল, এ হোষ্টেলতে ৰাতি কটাইছিল। ঘটনাৰ প্ৰকৃত তথ্যপাতি আৰু অনুসন্ধান নোহোৱাকৈ এইদৰে কোৱা কথাবোৰ বিশ্বাসযোগ্য হোৱা হলে আমাৰ প্ৰকৃত তদন্তকাৰী সংগঠনবিলাকৰ কাৰ্য্য নিশ্চয় বহুত লাঘব হলহেতেন। এইটোও অতি মন কৰিবলগীয়া কথা যে যদি ইমান সঠিক খবৰ মাননীয় সদস্যজনৰ আছিলেই সেইটো আমাক বা

পুলিচ কৰ্তৃপক্ষক তেখেতে কিয় নজনালে ? তদুপৰি বিভিন্ন দলৰ লোক থকা এম এল এ হোষ্টেলৰ নামলৈ অপৰাধী তাতে থকা বুলি ওপৰলৈ পানী চতিয়াই দিলে তাৰ চিটিকনি ক'ত ক'ত বা পৰেগৈ সেইটো অনুমান কৰা কঠিন।

সভাস্থগিত প্ৰস্তাৱ উত্থাপন প্ৰসংগত মাননীয় সদস্যগৰাকীয়ে আৰু কৈছিল যে বৰ্তমান চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পিছত অসমত কেইবাটাও ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত হৈছে আৰু এইবোৰ হত্যাৰ সন্দৰ্ভত এজনো অপৰাধী পুলিচে গ্ৰেপ্তাৰ কৰিব পৰা নাই বুলি অপবাদ দি এটা লাজৰ কথা হৈছে বুলি অভিহিত কৰিছে।

কিন্তু মাননীয় সদস্য গৰাকীৰ কাৰণে এইটো এটা দুখলগা কথা হৈছে যে তেখেতৰ এই অভিযোগ সম্পৰ্কে দিয়া খবৰবিলাকে সম্পূৰ্ণ সত্য নহয়। পুলিচে এইবোৰ ঘটনাৰ অবিৰাম তদন্ত কৰি আছে আৰু প্ৰত্যেক ঘটনাতে উপযুক্ত সন্দেহ-প্ৰমাণযুক্তভাবে একাধিক ব্যক্তি গ্ৰেপ্তাৰ কৰিছে। তাৰে এটা ঘটনাত কাছাৰীত গোচৰো ৰুজু কৰা হৈছে।

সভাস্থগিত প্ৰস্তাৱ সমৰ্থন কৰি দিয়া ভাষণত সদস্যসকলৰ দুই-এজনে কিছুমান অইন প্ৰশ্নৰো অৱতাৰণা কৰিছে আৰু এনে এটা ধাৰণাৰ সৃষ্টি কৰিছে যে গণ পৰিষদ চৰকাৰৰ দিনত আইন শৃংখলাৰ পৰিস্থিতি যথেষ্ট বেয়াৰ ফাললৈ গৈছে। এই ধাৰণা কোনো তথ্যভিত্তিক নহয়। অসম গণ পৰিষদে চৰকাৰ গঠন কৰাৰ পিছত যোৱা এবছৰত ৰাজ্যখনৰ আইন শৃংখলা পাৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰনাধীন হৈ আছে। মাজে সময়ে অ'ত ত'ত স্থানীয় দাবীৰ ভিত্তিত উত্তেজনাৰ সৃষ্টি হ'লেও স্থানীয় প্ৰশাসনে সেইবোৰ দ্ৰুতগতিত নিয়ন্ত্ৰনাধীনত ৰাখিব পাৰিছে। বৰঞ্চ এইটো ক'ব পাৰি যে আগৰ কেইবছৰৰ তুলনাত অসমত মুখ্য অপৰাধসমূহ বৃদ্ধি পোৱা নাই। উদাহৰণস্বৰূপে এই বছৰত ৰাজ্যত সংঘটিত হোৱা ডকাইটিৰ সংখ্যা ৩৭৪, ১৯৮৫ চনত এই সংখ্যা আছিল ৩৮৭, ১৯৮৪ চনত ৪৪৭ আৰু ১৯৮৩ চনত ৩৭৮। নৰহত্যাৰ গোচৰ এই বছৰৰ নবেম্বৰৰ শেষ তাৰিখলৈ সংঘটিত হৈছে ৬৩১ টা। ১৯৮৫ চনত আছিল ৫৯৩, ১৯৮৪ চনত ৬৫২ আৰু ১৯৮৩ চনত ১৩০৮। ৰাজনৈতিক হত্যাকাণ্ড বুলি পৰিগণিত হোৱা অপৰাধ এই বছৰত হৈছে ৬টা। ১৯৮৫ চনত ৫টা, ১৯৮৪ চনত ২২টা আৰু ১৯৮৩ চনত এনে হত্যাকাণ্ডৰ সংখ্যা ইমান বেছি যে তাৰ শুদ্ধ পৰিসংখ্যা নিৰ্ণয় কৰাই টান। এনে অৱস্থাত ৰাজ্যখনত শান্তি আৰু নিৰাপত্তাৰ অভাৱ হোৱা

বুলি কোৱা কথাৰ কোনো যুক্তি নাই। সৰ্বভাৰতীয় অপৰাধ পৰিসংখ্যাৰ লগত আমাৰ ৰাজ্যৰ পৰিসংখ্যা ৰিজাই চালেও আমাৰ ৰাজ্যৰ অপৰাধ পৰিস্থিতি অস্বাভাৱিক বুলি ক'ব নোৱাৰি। ১৯৮১ চনত সৰ্বভাৰতীয় ক্ষেত্ৰত প্ৰতি এক লাখ জনসংখ্যাত সংঘটিত হোৱা নৰহত্যাৰ সংখ্যা ৩.৩, ডকাইতি ২.০। সৰ্বভাৰতীয় ক্ষেত্ৰত ১৯৮১ চনৰ পিছত এনে পৰিসংখ্যা নিৰ্ণয় কৰা হোৱা নাই। সেই চনত অসমৰ পৰিসংখ্যা আছিল যথাক্ৰমে ৩.০ আৰু ১.৯। ১৯৮৬ চনত এনে অপৰাধৰ অনুপাত অসমত আৰু কম। আমাৰ ৰাজ্যত ১৯৮৬ চনত প্ৰতি এক লাখ জনসংখ্যাত সংঘটিত নৰহত্যা অপৰাধৰ সংখ্যা ২.৭ আৰু ডকাইতৰ সংখ্যা ১.৩। ১৯৮৬ চনত ভাৰতৰ কেবাখনো ৰাজ্যত হোৱা নৰহত্যা, ডকাইতি আদিৰ সংখ্যা আমাৰ ৰাজ্যৰ সংখ্যাতকৈ বহুত বেছি।

ভাষণ প্ৰসংগত মাননীয় সদস্যসকলে অৱতাৰণা কৰা কিছুমান কথা অপ্ৰাসংগিক আৰু শুদ্ধ নহ'লেও তেনে দুই এটা কথা তলত উল্লেখ কৰা হ'ল :—

অসম পুলিচৰ প্ৰাক্তন মহানিৰ্দেশক শ্ৰীশৰ্মা পাঠকৰ সংযুক্ত মুক্তি বাহিনীৰ (ULFA) লগত কোনো সম্পৰ্ক থকা বুলি চৰকাৰে নাজানে। উক্ত সংগঠনৰ যোগেদি কিছুমান বেনামি চিঠি লিখা অভিযোগতহে তেওঁৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

ৰাজনৈতিকভাৱে জড়িত থকা লোকক হত্যা কৰা ৬টা ঘটনা সম্পৰ্কত এইটো উল্লেখ কৰিব পাৰি যে প্ৰাক্তন মন্ত্ৰী শ্ৰীটঙ্কেশ্বৰ দিহিঙ্গীয়াৰ হত্যা গোচৰত পুলিচে ইতিমধ্যে অভিযোগনামা দাখিল কৰিছে। ৺কালীপদ সেনৰ হত্যা সংক্ৰান্ততো প্ৰকৃত অপৰাধীৰ শুংসূত্ৰ পোৱা হৈছে। বাকী চাৰিটা অপৰাধো পুলিচ বিভাগে নিষ্ঠা আৰু একাগ্ৰতাৰে তদন্ত চলাই আছে। ৰাজনৈতিক হত্যাৰ অপৰাধ তদন্তৰ নামত যথে-মধে নাগৰিকক গ্ৰেপ্তাৰ কৰি অঞ্চল বিশেষত ত্ৰাসৰ সঞ্চাৰ কৰা কাৰ্য্যৰপৰা চৰকাৰ বিৰত আছে।

সংযুক্ত মুক্তি বাহিনী নামৰ সংগঠন এটাৰ সমৰ্থক বুলি দাবী কৰা মুষ্টিমেয় কেইজনমান লোকে ৰাজ্যৰ কেইঠাইমানত হত্যা আৰু বেংক ডকাইতিৰ যোগেদি এটা আশংকাৰ বাতাবৰণৰ সৃষ্টি কৰা কথাটো সঁচা। কিন্তু চৰকাৰে এই সম্পৰ্কত স্পষ্টনীতি ঘোষণা কৰিছে যে অপৰাধত লিপ্ত থকা যিকোনো লোকক চৰকাৰে ক্ষমা নকৰে। তেনে লোকক উপযুক্ত তদন্তৰ যোগেদি বিচাৰি উলিওৱা হ'ব আৰু বিধি অনুসৰি শাস্তিৰ ব্যৱস্থাও কৰা হ'ব।

শ্ৰীভৰত নৰহ (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, বেদখলকাৰী আৰু বেদখল সম্পৰ্কে মাননীয় সদস্যসকলে অনা গুৰুত্বপূৰ্ণ বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে।

বেদখলকাৰীয়ে বনাঞ্চলৰ পূৰ্বৰ মাটি কালিৰ ১.৭৪ ৪৮৯ ৪৮ হেক্টৰ সংৰক্ষিত বনাঞ্চলৰ মাটি বেদখল কৰি আছে। সৰ্বমুঠ ১৫খন সংৰক্ষিত বনাঞ্চলৰ ১৬২ খন সংৰক্ষিত বনাঞ্চল হয় আংশিকভাবে নহয়, সম্পূৰ্ণভাৱে বেদখলকাৰীয়ে বেদখল কৰি আছে। বেদখলকাৰীৰ মুঠ সংখ্যা ৬৭,৫৭৫ জন। তাৰ ভিতৰত অনুসূচীত জনজাতিৰ সংখ্যা ৩২,১৫৩ অনুসূচীত জাতিৰ সংখ্যা ২০৪৩ জন, অন্যান্য পিছ পৰা শ্ৰেণী ২১৭৭ জন, নেপালীৰ সংখ্যা ৪২২০ জন, প্ৰাক্তন চাহ শ্ৰমিক ৪৮৯৭ জন আৰু অনান্য ২১,৯৮৩ জন।

তাৰোপৰি আন্তঃ ৰাজ্যিক আৰু আন্তঃ ৰাষ্ট্ৰীয় সীমাৰেখাৰ সঠিকভাৱে চিহ্নিত নোহোৱাৰ ফলত এক বিৰাট অঞ্চল বিবাদমান হৈ আছে। শান্তি সম্প্ৰীতিৰ কাৰণে কিছুমান চুক্তি কৰিছিল যাৰ ফলত আইন সংগত ব্যৱস্থা ল'ব পৰা নাই। অসম-অৰুণাচল সীমাত অৰুণাচলে, অসম-নগালেণ্ড সীমাত নগালোকে, অসম-মিজোৰামৰ সীমাত মিজোলোকে অসমৰ সংৰক্ষিত বনাঞ্চল বেদখল কৰি আছে।

১৯৫০ চন বা তাৰ পিছৰ দশকটোত অসমত পৰ্য্যাপ্ত পৰিমানে বনভূমি আছিল। ৰাষ্ট্ৰীয় বননীতি মতে আন ৰাজ্যত কমেও শতকৰা ৩৩⅓ ভাগ বনভূমি থাকিব লাগে। আমাৰ ৰাজ্যখনত এতিয়া ১৭,৪০৯ বৰ্গ কিঃ মিটাৰ সংৰক্ষিত বনাঞ্চল আছে। এই বনাঞ্চল আমাৰ ৰাজ্যখনৰ মাটি কালিৰ শতকৰা ১২ ভাগ। আমাৰ ৰাজ্যখনত তিনিভাগৰ এভাগৰ ঠাইত চাৰি ভাগৰ এভাগ বনাঞ্চলো নাই।

এনে পৰিস্থিতিৰ প্ৰতিক্ৰিয়া আৰু পৰিনামত অসমত অস্বাভাৱিক খৰাং বতৰ আৰম্ভ হৈছে। ৰাজ্যখনত অসময়ত অবতৰীয়া বানপানী হৈছে। জলবায়ুৰ আমুল পৰিবৰ্তন হৈছে। পৰিবেশ দূষিত হৈছে। ফলত ৰাজ্যখনৰ আৰ্থ সামাজিক, জনসাধাৰণৰ জীৱন ধাৰাৰ আৰু স্বাস্থ্যৰ ওপৰত নিৰাস আৰু দ্ৰুত গতিত এক প্ৰত্যাহ্বান নামি আহিছে।

এনে পৰিস্থিতিৰ বাবে ৰাজ্যখনক শাসন কৰা আগৰ কংগ্ৰেছ চৰকাৰ আৰু জনতা চৰকাৰেই সম্পূৰ্ণ দায়ী। কংগ্ৰেছ আৰু জনতা চৰকাৰৰ প্ৰাক্তন বন-মন্ত্ৰীসকল প্ৰত্যক্ষভাৱে দায়ী। প্ৰাক্তন বনমন্ত্ৰী ৰূপনাথ ব্ৰহ্ম, ৰাম নাথ দাস, সিদ্ধিনাথ শৰ্মা, হৰেশ্বৰ দাস, মহেন্দ্ৰমোহন চৌধুৰী, ৰূপেন্দ্ৰমোহন বসুমতাৰী,

পৰমা গগৈ, লুটফুৰ ৰহমান, গিৰীন্দ্ৰ নাথ চৌধুৰী, সমৰ ব্ৰহ্ম চৌধুৰী, ধনীৰাম ৰংপী, হিতেশ্বৰ শইকীয়া, প্ৰাক্তন ৰাজ্য বনমন্ত্ৰী সুৰেন্দ্ৰ নাথ দাস, দীননাথ ৰাজখোৱা আৰু উপ বনমন্ত্ৰী ললিত কুমাৰ দলে উচ্ছেদৰ নামত একো ব্যৱস্থা নল'লে। উচ্ছেদৰ সলনি বেদখলকাৰীক ভূমিহীনৰ নামত বেদখল কৰিবলৈ উচতনি দিয়ে। তেওঁলোকৰ শাসন কালৰ সময়ছোৱাত ৰাজ্যখনৰ বন বিভাগৰ ইতিহাসত এক কলংকিত অধ্যায় হিচাপে ৰৈ গ'ল। ৰাজনৈতিক ক্ষুদ্ৰ স্বাৰ্থত "ভোটবেংক" আদিৰ পৰিকল্পনাত বেদখলকাৰীক ভূমিহীনৰ নামত ৰাজ্যখনৰ সংৰক্ষিত বনাঞ্চলৰ দুৱাৰ মুকলি কৰি দিয়ে। বেদখলকাৰীৰ লগত ৰাজনৈতিক স্বাৰ্থত আপোচ কৰি বন বিভাগৰ বিষয়াসকলক উচ্ছেদ কৰাৰ পৰা আতৰাই ৰাখে। কংগ্ৰেছ আৰু জনতা চৰকাৰে এনেকুৱা এটা পৰিবেশ সৃষ্টি কৰিলে যাৰ ফলত বন বিভাগৰ বিষয়াসকলে উচ্ছেদৰ কথা ক'বলৈ ভয় কৰিছিল। আৰু উচ্ছেদৰ বিষয়ে আলোচনা কৰিবলৈ এৰি দিলে।

কিন্তু গণপৰিষদ চৰকাৰে বেদখলকাৰীৰ হাতত সংৰক্ষিত বনাঞ্চল এৰি নিদিয়ে। বেদখল কাৰীৰ লগত আপোচ নকৰে যোৱা ২৪।৯।৮৬ তাৰিখে আমাৰ চৰকাৰে বেদখলকাৰীক উচ্ছেদ কৰিবলৈ নিৰ্দেশ দিছে। এই নিৰ্দেশ কোনো কাৰণতে বাতিল কৰা নহ'ব।

বনাঞ্চলৰ স্বাৰ্থত আমি বনাঞ্চল ৰক্ষা কৰিব বিচৰা নাই। বনাঞ্চল গছ-গছনি আৰু বন্য প্ৰাণীৰ স্বাৰ্থ ৰক্ষা কৰিব বিচৰা নাই। গছ-গছনি আৰু বন্যপ্ৰাণী মানৱ সভ্যতাৰ অস্তিত্বৰ বাবেই অপৰিহাৰ্য্য। মনত ৰখা উচিত হ'ব যে মানুহে কাৰ্বন ডাই অক্সাইদ এৰি দিয়ে আৰু গছে তাক গ্ৰহণ কৰে। গছে অক্সিজেন এৰি দিয়ে মানুহে গ্ৰহণ কৰে। অসমৰ মানুহৰ স্বাৰ্থতহে গণপৰিষদ চৰকাৰে জঠৰতা অবলম্বন কৰিছে। গণ পৰিষদ চৰকাৰে অসমক মৰুভূমিলৈ ৰূপান্তৰ হ'বলৈ নিদিয়ে। সৰ্বশক্তি প্ৰয়োগ কৰি ৰাজ্যখনক মৰুভূমি হোৱাৰ পৰা ৰক্ষা কৰিব।

বেদখলকাৰী বেদখলকাৰীয়েই। ভাৰতীয় নাগৰিকেই হওক বা অভাৰতীয় নাগৰিকেই হওক। অসমীয়া হওক বা অনাঅসমীয়া হওক। জনজাতিয়ে হওক বা অজনজাতিয়েই হওক। সংৰক্ষিত বনাঞ্চলত বিনা অনুমতিত কোনোলোকে প্ৰবেশ কৰি মাটি বেদখল কৰিব নোৱাৰে।

ভূমিহীনতাৰ নামত সংৰক্ষিত বনাঞ্চলত কোনো লোকক সংস্থাপন কৰা নহ'ব। কিন্তু গণ পৰিষদ চৰকাৰে ভূমিহীন লোকক সংৰক্ষিত বনাঞ্চলৰ বাহিৰত চৰকাৰী মাটিত সংস্থাপন কৰিব। আমাৰ চৰকাৰে তেনে লোকৰ তালিকা প্ৰস্তুত কৰি আছে।

## ADJOURNMENT

মাননীয় অধ্যক্ষ : আজি আমাৰ ১৩ নম্বৰ আইটেম্‌টো আছিল কিন্তু পবিত্ৰ জুম্মাবাৰ কাৰণে সেই আইটেম্ আৰু ল'ব নোৱাৰি।

The House adjourned sine-die at 11-45 A. M.

Dispur
The 19th December, 1986.

P. N. Hazarika,
Secretary,
Assam Legislative Assembly

## ANNEXURE 1

শ্ৰীদীগেন চন্দ্ৰ বৰা ( উদ্যোগ মন্ত্ৰী ) : অগ্ৰদূত কাকতত ১৯৮৬ চনৰ ১৯ নবেম্বৰ তাৰিখে প্ৰকাশ পোৱা—"নোৱাপাৰা সূতা কলৰ অনিশ্চিত ভৱিষ্যত" শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় বিধায়ক শ্ৰীহেমেন দাসে মোৰ মনোযোগ আকৰ্ষণ কৰিছে ।

১৯৮০ চনৰ ফেব্ৰুৱাৰী মাহত কোম্পানী সমূহৰ পঞ্জীয়কে অসম টেক্সটাইল কৰ্পৰেচন লিমিটেডক সন্নিবিষ্ট ( ইন্‌কৰ্পৰেটেড ) কৰে আৰু একে চনৰ জুলাই মাহত অনুষ্ঠানটোৰ 'মেমোৰেন্‌ডাম', আৰ্টিকল-অৱ-এচ্‌চিয়েচনত অনুমোদন জনায় । ইয়াৰ প্ৰথম চিনথেটিক স্পিনিং প্ৰকল্পটো পি-আই-বি তথা পাব্লিক ইন্‌ভেষ্টমেণ্ট ব'ৰ্ডে ১৯৮২ চনৰ জানুৱাৰী মাহত অনুমোদন জনায় আৰু ৪৬০ লাখ টকাৰ টাৰ্ম ল'ন অল ইন্দিয়া ফাইনেন্‌চিয়েল ইন্‌ষ্টিটিউচনে ১৯৮২ চনৰ জুন মাহত মঞ্জুৰ কৰে প্ৰথম ৭২৫ লাখ টকাৰ ফিজিবিলিটি ৰিপৰ্টৰ ভিত্তিত। ১৯৮২ চনৰ চেপ্তেম্বৰ মাহত কন্‌চালটেণ্ট নিৰ্বাচনৰ কাম আৰম্ভ কৰা হয় আৰু কন্‌চালটেন্স এগ্ৰিমেণ্ট মেচাৰ্চ এন-টি-চি লিমিটেড, আৰু ( উভয়ে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান ) ১৯৮২ চনৰ ডিচেম্বৰ মাহত সম্পাদন কৰা হয় ।

১৯৮২ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৮৩ চনৰ মাৰ্চ মাহলৈকে গন্ডগোলৰ পৰিস্থিতিৰ বাবে ১৯৮৩ চনৰ এপ্ৰিল মাহত কন্‌চালটেণ্ট ইঞ্জিনীয়াৰ টিমে প্ৰথম বাৰৰ বাবে পৰিদৰ্শন কৰাতহে ৰূপায়ণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ।

চূড়ান্তভাৱে স্থান নিৰ্বাচন, বৰ্তমান কোকৰাঝাৰ জিলাৰ বিজনী অধীনস্থ ১ নং নোৱাপাৰা গাঁৱৰ গোচৰণীয়া পথাৰৰ ২৩৫ বিঘা মাটিৰ চাৰিসীমা পুনৰ নিৰ্ধাৰণ, মাটিৰ জৰিপ, মাটিৰ ( গুণাগুণ ) পৰীক্ষা উৎপাদন যন্ত্ৰপাতি যোগানৰ সিদ্ধান্ত আদি হোৱাৰ পিছত কনচালটেণ্টে ১৯৮৩ চনৰ আগষ্ট মাহৰ পৰাহে মাষ্টাৰ প্লেন, যন্ত্ৰ-পাতি লে-আউট আদিৰ কাম আৰম্ভ কৰে । ইতিমধ্যে মূল প্ৰডাকচন্ হলৰ বাবে ১৯৮৩ চনৰ চেপ্তেম্বৰ মাহত ৩ বাৰকৈ নিবিদা আহ্বান কৰিব লগা হৈছিল আৰু শেষত একে বছৰৰ নবেম্বৰ মাহতহে নিবিদা সমূহ পোৱা হৈছিল । কনচালটেণ্টে পৰীক্ষা আৰু মূল্যাংকণ কৰাৰ পিছত বৰ্ড-অব-ডিৰেক্টৰছে ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহৰ বৈঠকত বিবেচনা কৰাৰ অন্তত ১৯৮৪ চনৰ মাৰ্চ মাহত মূল প্ৰডাকচন্ বিলডিংটোৰ ৱৰ্কচ' অৰ্ডাৰ দিয়া হৈছিল । ইতিমধ্যে ১৯৮৩ চনৰ পৰাই কিছুমান

প্ৰাৰম্ভিক কাৰ্য্য যেনে—চৌহদৰ বেৰা, প্ৰকল্প স্থান কাৰ্য্যালয়, চিমেণ্টৰ গুডাম (যিটো পিছলৈ কেন্দ্ৰীয় কাৰখানালৈ ৰূপায়িত কৰা হৈছিল)। অতিথি শালা আৰু বেৰেক আহিঁৰ আবাস গৃহ নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰা হৈছিল।

১৯৮৪ চনৰ মাৰ্চ মাহৰ পৰা মূল প্ৰডাকচন্ হ'লটোৰ নিৰ্মাণৰ কাৰণে প্ৰাৰম্ভিক কাম কাজ আৰম্ভ হৈছিল। পাচলৈ ফাউন্দেশ্যন নিৰ্মাণ কাৰ্যত প্ৰথম ছোৱাত মাটিৰ গুণাগুণৰ কাৰণে অসুবিধাই দেখা দিয়াত ১৯৮৪ চনৰ জুন মাহত কন্‌চালটেণ্টে সংশোধিত পাচলৈ ফাউন্দেচনৰ খুটিনাটি তৈয়াৰ কৰিছিল।

১৯৮৪ চনত দীৰ্ঘ দিন ধৰি অতিপাত বৰষুণ, ১৯৮৪ চনৰ মে মাহৰ পৰা চেপ্তেম্বৰ মাহলৈকে প্ৰবল বানপানী বিশেষকৈ চেপ্তেম্বৰ মাহৰ মাজ ভাগত প্ৰবল ক্ষতিসাধন বানপানীয়ে বেলৱে বান্ধ আৰু ৩১ নং ৰাষ্ট্ৰীয় পথৰ কেইবাঠাইটো চিঙিছিল কাৰণে ১৯৮৪ চনৰ নবেম্বৰ মাহৰ পৰাহে পূৰ্ণ গতিত নিৰ্মাণ কাৰ্য্য আৰম্ভ কৰিব পৰা হৈছিল।

নিৰ্মাণ সামগ্ৰী যেনে—ৰি-ইন্‌ফৰচদ্ ষ্টীল, ষ্ট্ৰাকচাৰেল ষ্টীল আৰু চিমেণ্ট সংগ্ৰহ কৰাত বহুবৰণৰ অসুবিধাৰ কাৰণে বিভিন্ন সময়ত নিৰ্মাণ কাৰ্য ক্ষতিগ্ৰস্ত হৈছিল।

ইয়াৰোপৰি কনচালটেণ্ট সকলৰ দিল্লীত, বৃহৎ উৎপাদক যন্ত্ৰপাতি বিদ্যুৎ সা-সৰঞ্জাম আদি যোগান ধৰোতা সকল সুদূৰ কলিকতা, কুইম্বাটোৰ, আহমেদাবাদ আদিৰ অৱস্থান হোৱাত এই সকলো কনচালটেণ্ট এজেন্সীৰ লগত সমন্বয় ৰক্ষা কৰি বিভিন্ন ধৰণৰ আহিঁ (design), তথ্য পাতি, কাৰিকৰী খা-খবৰ সংগ্ৰহ কৰি কনচালটেণ্টৰ লগত আৰু ৰূপায়িত অঙ্কণচিত্ৰত (execution drawing) সংযোজন কৰিবৰ উদ্দেশ্যে সমন্বয় ৰাখিব লগা হৈছিল। সেই হেতুকে নিৰ্মাণ অঙ্কণ চিত্ৰ সমূহ সমগ্ৰ নিৰ্মাণ সময় ছোৱাৰ ভিতৰত পৰ্য্যায়ক্ৰমেহে পোৱা হৈছিল।

১৯৮৪ চনৰ চেপ্তেম্বৰ মাহত ১০০ কেভি ট্ৰেন্সফৰমাৰৰ জৰিয়তে ১০০ কিলোৱাত বিজুলি যোগান নিৰ্মাণ কাৰ্য্যৰ কাৰণে পোৱা হৈছিল যদিও সঘনে বিজুলি যোগান বন্ধ আৰু বিজুতি ঘটাৰ বাবে ১৯৮৫ চনৰ জানুৱাৰী মাহত ১০০ কেভি ট্ৰেন্সফৰমাৰটোৰ ৬৫ কেভি টেন্সফৰমাটোৰ সৈতে সলনি কৰা হৈছিল। কিন্তু এই কম পৰিমাণৰ বিজুলি যোগানে ৰুফট্ৰাচেছ ফেব্ৰিকেচন, মেচিনেৰী ইনষ্টলেচন আৰু ট্ৰায়েল আদিৰ কাৰণে যথেষ্ট নোহোৱাত ডিজেল জেনেৰেটিং ছেট ভাড়া কৰি বহুৱাব লগা হৈছিল। নিৰ্মাণ কাম কাজৰ অধিকাংশ ১৯৮৬ চনৰ জানুৱাৰী মাহত ১$\frac{1}{2}$ বছৰ ফলোৎপাদন সময়ত সম্পূৰ্ণ কৰা হৈছিল।

ইতিমধ্যে যন্ত্ৰপাতি যোগান ধৰোতা সকলে ১৯৮৫ চনৰ জুন মাহৰ পৰা যোগান ধৰিবলৈ লৈছিল আৰু ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ পৰা উৎপাদক যন্ত্ৰপাতি সমূহ, কাৰিকৰী সা সৰঞ্জামৰ উত্তোলন কাৰ্য্য ক্ৰমান্বয়ে আৰম্ভ হৈছিল। ভিচকচ্ ফাইবাৰে সৈতে পৰীক্ষামূলক উৎপাদন ১৯৮৬ চনৰ মে মাহৰ ৩০ তাৰিখৰ পৰা আৰু পলিষ্টাৰ, ভিচকচ ফাইবাৰেৰে সৈতে পৰীক্ষামূলক উৎপাদন ১৯৮৬ চনৰ চেপ্তেম্বৰ মাহৰ পৰা আৰম্ভ হৈছিল। বিজুলি যোগানৰ কাৰণে অসম ৰাজ্যিক বিদ্যুৎ ব'ৰ্ডে আৰম্ভ কৰা মানিকপুৰ চাব-ষ্টেচনৰ পৰা ৪ কিলোমিটাৰ দীৰ্ঘৰ লাইনেৰে বিজুলি যোগান ১৯৮৬ চনৰ জুলাই মাহৰ পৰা পোৱা হৈছিল। ১৯৮৪ চনৰ জুলাই মাহত প্ৰকল্পটোৰ আৰম্ভণিৰ সময় ছোৱাত ফাইনেনচিয়েল ইন্সটিটিউচন সমূহে উৎপাদন কাৰ্য্য ৰূপায়ণৰ লক্ষ্য ১৯৮৫ চনৰ ডিচেম্বৰ মাহত অৱগত কৰিছিল। পিচত অৱগত কৰোতে প্ৰকল্পটো সম্পূৰ্ণ সংশোধিত লক্ষ্য ১৯৮৬ চনৰ জানুৱাৰী মাহ স্থিৰ কৰা হৈছিল পষ্টস্পিনিং পৰ্য্যায়লৈকে সকলো বৃহৎ যন্ত্ৰপাতিৰ স্থাপন কাৰ্য্য ১৯৮৬ চনৰ জুলাই মাহত সম্পূৰ্ণ হৈছিল আৰু কিছুমান অতিৰিক্ত যন্ত্ৰপাতি যেনে—ৰিলিং মেচিন, বেইলিং প্ৰেছ, বান্দলিং মেচিন আদিও স্থাপন কৰি ১৯৮৬ চনৰ অক্টোবৰ মাহৰ ভিতৰত ট্ৰায়েল লোৱা হৈছিল। সকলো বৃহৎ কাৰিকৰী সা-সৰঞ্জাম স্থাপন কাৰ্য্য ১৯৮৬ চনৰ জুন মাহত সম্পূৰ্ণ হৈছিল আৰু একেবছৰৰ জুলাই মাহত ( মুখ্য কাৰিকৰী পৰামৰ্শদাতাই ) চিফ ইলেকট্ৰিকেল এডভাইজাৰে পৰিদৰ্শণ কৰি অনুমোদন জনাইছিল।

১ নং নপাৰা চিনথেটিক স্পিনিং মিল অসম ষ্টেট টেক্সষ্টাইল কৰ্প'ৰেচন লিমিটেডৰ অধীনত টিহুৰ ওচৰৰ নাথকুচিৰ অসম চিনটেক্স লিমিটেডৰ অধীনত আৰু জাগীৰোডৰ অসম পলিটেক্সৰ অধীনত গঠন কৰা হৈছিল বঙ্গাইগাৱঁৰ বি-আৰ-পি এল তথা বঙাইগাওঁ ও পেট্ৰোকেমিকেল লিমিটেডৰ উৎপাদন হোৱা পলিষ্টাৰ ষ্টেপল ফাইবাৰ ব্যৱহাৰৰ কাৰণে। আগৰ লক্ষ্য অনুসৰি বি-আৰ-পি এলে ১৯৮৫ চনৰ মাজভাগৰ পৰা পলিষ্টাৰ ষ্টেপল ফাইবাৰৰ উৎপাদন আৰম্ভ কৰিব লাগিছিল। এতিয়া তেওঁলোকৰ উৎপাদনৰ সংশোধিত লক্ষ ১৯৮৭ চনৰ মাজভাগৰ পৰা। ইতিমধ্যে অসম চিনটেক্স লিমিটেডৰ নাথকুচি স্পিনিং মিলে অসমৰ বাহিৰৰপৰা অনা পলিষ্টাৰ আৰু ভিচকচৰ উৎপাদন আৰম্ভ কৰিছে আৰু অসম ষ্টেট টেক্স-টাইল কৰ্প'ৰেচন লিমিটেডৰ নোৱাপাৰা স্পিনিং মিলেও ট্ৰায়েল প্ৰডাকচন আৰম্ভ কৰিছে। অসমৰ বাহিৰৰ আন উৎপাদনকাৰী যেনে মহাৰাষ্ট্ৰৰ থানেৰ মেচাৰ্চ ৰিলায়েন্স ইণ্ডাষ্ট্ৰি আৰু মধ্যপ্ৰদেশৰ নাগদাৰ মেচাৰ্চ গোৱালিয়ৰ ৰেয়নৰ পৰা কেচামাল আনে।

কর্পৰেচনৰ এটি উঠি অহা কাৰ্য্যক্ষম, উৎসাহী এক্‌জিকিউটিভ, ষ্টাফ অপাৰেটিভ আৰু স্কেল লেভেল ওৱাৰ্কাৰৰ মণ্ডলী আছে। যিকোনো প্ৰকল্প ৰূপায়ন যন্ত্ৰ পাতি স্থাপন, গঠন কাৰ্য্যত সক্ৰিয় ভাৱে জড়িত দেখি কনচালটেণ্ট চিনিয়ৰ ইঞ্জিনিয়াৰিং যন্ত্ৰ-পাতি উৎপাদকৰ ইৰেকচন ইঞ্জিনীয়াৰ আৰু আন আন মান্যৱন্ত ব্যক্তিসকলে তেওঁলোকৰ কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰিছে।

পি-আই-বিত অনুমোদন জনাবৰ কাৰণে আগৰ ৯.৪০ কোটি টকাৰ পৰিবৰ্তে ১০.৯০ কোটি টকাৰ সংশোধিত এটি কষ্ট এষ্টিমেট ( Cost estimate ) দাখিল কৰিছিল। এই টকাৰ ভিতৰত আছে আগেয়ে অন্তৰ্ভুক্ত নকৰা অথচ অতিশয় লাগতীয়াল কেইটামান বিষয় যেনে ২৫ লাখ টকাৰ মূল্যৰ ২টা ডিজেল জেনেৰেটিং চেট, প্ৰায় ১০ লাখ টকাৰ মূল্যৰ ফলচ চিলিং উইথ ইনচুলেচন ওৱৰ্কৰ সৈতে ষ্ট্ৰাকচাৰেল ষ্টিল ফ্ৰেম ওৱৰ্ক, প্ৰায় ২.৫ লাখ খৰচৰ অতিৰিক্ত আবাস গৃহৰ ব্যৱস্থা, প্ৰায় ২.৫ লাখ টকাৰ মূল্যৰ বেঙ্ক বিল্ডিং, বাইচাইকেল আৰু স্কুটাৰ ষ্টেণ্ড, প্ৰায় ২ লাখ টকাৰ খৰচৰ ওৱাটাৰ চাপ্লাই পাম্পসহ বৰ ওৱেলৰ কাৰণে সৰু পাম্প হাউচ এটা, আৰম্ভণিতে কমকৈ ধৰা পাম্প হাউচ সঁজুলিৰ খৰচ, অসম ৰাজ্যিক বিদ্যুৎ বৰ্ডক দিব লগা টকা, উৎপাদন সামগ্ৰী যেনে—চিমেণ্ট, ষ্ট্ৰাকচাৰেল ষ্টিল, ৰি ইনফৰ্চমেণ্ট ষ্টিল, জি-চি-আই ৰুফিং চিতচৰ বৰ্দ্ধিত মূল্য, এক্সাইজ-ডিউটি আৰু ষ্টিলৰ বৰ্দ্ধিত দামৰ কাৰণে যন্ত্ৰ পাতিৰ উৰ্দ্ধমুখী মূল্যৰ ব্যৱস্থা, চিভিল কনষ্ট্ৰাকচন ওৱৰ্কচৰ উৰ্দ্ধমুখী খৰছৰ ব্যৱস্থা, লেবৰেটৰীৰ সা-সঁজুলি, ওৱৰ্কছপ ইকুইপমেণ্ট, ষ্টৰচ এণ্ড স্পেয়াৰ্চ, অকজুলিয়েৰিজ, ফায়াৰ ফাইটিং ইকুইপমেণ্ট, কিছু আগতে এষ্টিমেটত নধৰা আৰু প্ৰকল্প প্ৰজেক্টত কিন্তু স্থান নোপোৱা ওৱাটাৰ চাপ্লাই ডিষ্ট্ৰিবিউচন চিষ্টেমৰ বৰ্দ্ধিত খৰচৰ ব্যৱস্থা। ইয়াৰ উপৰিও ১৯৮৪ চনৰ চেপ্তেম্বৰ মাহৰ অভূতপূৰ্ব বানপানীৰ অভিজ্ঞতাই চিভিল ষ্ট্ৰাকচাৰ, ফ্লাড ৰেকৰ্ডৰ উৰ্দ্ধত ৰাখিবৰ কাৰণে পৰ্য্যাপ্ত পৰিমানৰ ব্যৱস্থায়ো খৰচ বঢ়ালে। পূৰ্বৰ চিভিল কনষ্ট্ৰাকচনৰ এষ্টিমেট ( Estimate ) চি-পি-ডব্লিউৰ ১৯৮১ চনৰ ৰেট চিডিউল ভিত্তিৰ লগতে ১৯৮৩ চনৰ মাজভাগত চলিত কনষ্ট্ৰাকচন মেটেৰিয়েল আৰু লেবাৰৰ কষ্টইনদেক্সৰ ভিত্তিত শতকৰা ৫৫ ভাগ প্ৰিমিয়াম ব্যৱস্থাৰে কৰা হৈছিল। ১৯৮৪ চনত প্ৰকৃত নিৰ্মাণ কাৰ্য্যৰ খৰচ, অপেন টেণ্ডাৰৰ বিপৰীতে থকা সুবিধাই মূল্য হাৰৰ বৰ্দ্ধিত এষ্টিমেটতকৈ মূল্যৰ হাৰ অধিক আছিল।

বেঙ্কৰ পৰা লোৱা ওৱৰ্কিং কেপিটেলৰ পৰা ১৯৮৬ চনৰ ১০ ডিচেম্বৰ পৰ্য্যন্ত মুঠ খৰছ আছিল ১০.৫০ কোটি টকা আৰু তাৰ ভিতৰতে ২০ লাখ টকা খৰছ কেচামাল যেনে—পলিষ্টাৰ ভিচকচ ফাইবাৰ সংগ্ৰহত ২.৫ লাখ টকা খৰছ, যন্ত্ৰ-পাতি চলোৱাৰ কাৰণে ষ্টৰচ স্পেয়াৰ্চ কনজিউমেবলচ্ সংগ্ৰহত ২.৫ লাখ টকা খৰচ, এষ্টাব্লিচমেণ্টত আৰু প্ৰায় ৩০ লাখ টকা, প্ৰেচ্ছেদাইচ, উইভিং কমপ্লেক্সৰ ব্যৱহাৰৰ কাৰণে ষ্টিল মেটেৰিয়েল, চিমেণ্টত খৰছ হয় ওপৰত উল্লেখ কৰা অনুসাৰে সংশোধিত প্ৰকল্প এষ্টিমেট আছিল ১০.৯০ কোটি টকা।

প্ৰডাকচন হলৰ বেৰ খহি পৰাৰ কোনো ঘটনা ঘটা নাছিল মাত্ৰ মজিয়াহে যন্ত্ৰ-পাতি বহুৱাৰ কাৰণে অনুপযুক্ত আছিল। প্ৰকৃততে সকলো যন্ত্ৰ-পাতি বহুৱা হৈছিল আৰু ১৯৮৬ চনৰ মে' মাহৰ পৰা কোনো সমস্যাৰ সন্মুখীন নোহোৱাকৈ ট্ৰায়েল প্ৰডাকচন কৰা হৈছিল। সকলো নিৰ্মাণ কাম-কাজ কনচালটেণ্টে তৈয়াৰ কৰা ড্ৰইং, ডিজাইন, স্পেচিফিকেচন অনুসাৰে কনচালটেণ্টৰ চাইট ইঞ্জিনীয়াৰ চুপাৰভিচনৰ উপৰিও কৰ্পৰেচনৰ নিজস্ব বহু সংখ্যক চুপাৰ-ভাইজাৰি ষ্টাফৰ তদাৰকত সংলগ্ন কৰা হৈছিল। কনচালটেণ্টৰ চিনিয়ৰ একজি-কিউটিভ সকলেও উৎপাদন কাৰ্য্য চলি থকা সময়ত নিয়মিত ভাবে আহি পৰিদৰ্শণ কৰিছিল।

চৰকাৰ আৰু বৰ্ড অব দিৰেক্টৰৰ সিদ্ধান্ত অনুসাৰে কৰ্পৰেচনৰ নিজ আয়ৰ কিছু অংশ কৰ্মচাৰীবৃন্দৰ কল্যাণাৰ্থে যেনে—গৃহনিৰ্মাণ আগধন, স্কুটাৰ-বাইচাইকেল কিনা আগধন আদিত খৰচ কৰা হৈছিল আৰু এই সুবিধা ৪ৰ্থ বৰ্গ কৰ্মচাৰী-সহ সকলো নিয়মীয়া কৰ্মচাৰীক দিয়া হৈছিল।

প্ৰশিক্ষণৰ ম্যাদ, অৰ্হতা আৰু অন্যান্য আৱশ্যকতা সমূহ কনচালটেণ্টে নিৰ্ধাৰণ কৰিছিল যাৰভিত্তিত আই·টি-আই কোৱালিফাইড অপাৰেটিভচ্‌ক মেচেনেৰী মেনুফেকচাৰৰ প্ৰশিক্ষণৰ মুঠ সময় ৩ মাহ, ইনপ্লেণ্ট ট্ৰেইনিং ৯ মাহ আৰু ক্লাচ এইট ষ্টেণ্ডাৰ্ডৰ পৰা এইচ-এল-চি পাছ লেভেল ওৱাৰকাৰৰ কাৰণে মেচিনেৰী মেনুফেকচাৰৰ প্ৰশিক্ষণ কাল ৩ মাহ আৰু ইনপ্লেণ্ট প্ৰশিক্ষণ কাল ৯ মাহ আছিল। অপাৰেটিভ ট্ৰেইনিংৰ কাৰণে জলপানী ( বৃত্তি ) মাহে তিনিশ পঞ্চাশ টকা ( ৩৫০.০০ ) আৰু ফ্লোৰ লেভেল ওৱাৰ্কচৰ কাৰণে বৃত্তি মাহে ৩০০.০০ টকা আছিল। ইয়াৰ ওপৰি এই বৃত্তি ৬ মাহ কাল প্ৰশিক্ষণৰ অন্তত ( ক্ৰমে ) ৪৫০ টকা আৰু ৪০০ টকালৈ বৃদ্ধি কৰা হৈছিল। তেওঁলোকৰ দৰ্মহা

পাতি ( চেলাৰি এণ্ড ওৱেজেচ ) এবছৰ কাল প্ৰশিক্ষণৰ অন্তত যুটীয়াভাৱে পাবলিক এনটাৰপ্ৰাইজ আৰু পাবলিক ফাইনেন্চ বিভাগে ৩টা স্পিন মিলৰ কৰ্তৃপক্ষৰ লগত আলোচনা কৰি চৰকাৰৰ নিৰ্ধাৰিত নৰ্মচ অনুসাৰে ধাৰ্য্য কৰিছিল। সেই অনুসাৰে ১ বছৰ সম্পূৰ্ণ কৰা অপৰেটিভচৰ নিয়মীয়া দৰমহা দিয়া হৈছিল আৰু ফ্লৰ লেভেল ওৱৰকাৰ্চৰ ক্ষেত্ৰত ওৱেজেচ/চেলাৰী সহ অন্যান্য সা-সুবিধা-সমূহ নিৰ্ধাৰণ কৰিছিল। অসম চৰকাৰে স্থিৰ কৰা নিৰ্দেশনা অনুসাৰে যুটীয়া-ভাৱে ৩ টা মিল কৰ্তৃপক্ষই প্ৰশিক্ষাৰ্থীক কইম্বাটোৰ/বোম্বাইলৈ প্ৰশিক্ষণৰ কাৰণে পঠোৱা ভ্ৰমণ ভাট্টা, দৈনিক ভাট্টা উচিতভাৱে দিয়া হৈছিল।

টাইম কিপাৰ পদটো উচ্চ অভিজ্ঞতাসম্পন্ন প্ৰাৰ্থীৰ ক্ষেত্ৰত বয়স আৰু ( শিক্ষাৰ ) অৰ্হতা ৰেহাই দি গ্ৰেজুৱেট প্ৰাৰ্থীৰ কাৰণে বিজ্ঞাপন দিয়া হৈছিল। এমপ্লইমেণ্ট ডিৰেক্টৰেট এজন বিষয়া সহ নিয়মমতে গঠিত কমিটিয়ে নিৰ্বাচন কৰা টাইম কিপাৰজন এজন এইচ-এল-চি পাছ, ১১ বছৰ ৬ মাহ অসম গ্লাছ ইণ্ডাষ্ট্ৰিজ লিমিটেড আৰু ১ বছৰ ৬ মাহ ফাৰ্টিছম লিমিটেডত টাইম কিপাৰ হিচাবে কাম কৰা অভিজ্ঞ লোক। আনজনো টাইম কিপাৰ বিজ্ঞাপনৰ চৰ্ত অনুসাৰে অৰ্হতাসম্পন্ন আৰু শোণিতপুৰ জিলাৰ ব্যক্তিগত খণ্ডৰ অধীনত চাৰিদুৱাৰৰ এক স্পিনিং মিলত যথেষ্ট অভিজ্ঞ লোক আৰু উভয়েই থলুৱা প্ৰাৰ্থী।

সকলো খালী থকা ( চাকৰী ) পদৰ কাৰণে এমপ্লইমেণ্ট ডিৰেক্টৰেট আৰু সংশ্লিষ্ট এমপ্লইমেণ্ট এক্সচেঞ্জত জাননী দিয়া হৈছিল। ৩য় আৰু ৪ৰ্থ বৰ্গৰ প্ৰাৰ্থীসকলক এমপ্লইমেণ্ট এক্সচেঞ্জে আগবঢ়োৱা সকলৰ পৰা নিৰ্বাচিত হৈছিল। আন একজিকিউটিভ পদৰ কাৰণে বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছিল আৰু এমপ্লইমেণ্ট এক্সচেঞ্জলৈও পঠোৱা হৈছিল।

সকলো বিনিয়োগ প্ৰচলিত প্ৰথা অনুসাৰে কৰা হৈছিল আৰু সকলো নিৰ্বাচনতে এমপ্লইমেণ্ট ডিৰেক্টৰেটৰ প্ৰতিনিধি নিৰ্বাচন কমিটীৰ স্থায়ী সদস্য আছিল। চৰকাৰৰ পৰা তেনে পৰামৰ্শ অথবা নিৰ্দেশনা নথকাৰ কাৰণে গ্ৰামীন পৰ্য্যায়ত বেচৰকাৰী কমিটী গঠন কৰা হোৱা নাছিল।

ইতিমধ্যে নিৰ্মাণ কৰা আবাসিক গৃহৰ সংখ্যা প্ৰকল্প সিতং ৰিপৰ্টৰ প্ৰভিজন অনুসাৰে কৰা হৈছিল। অত্যাৱশ্যকীয় এক্জিকিউটিভ, ষ্টাফ আৰু অপাৰেটৰৰ কাৰণেহে বাসস্থানৰ ব্যৱস্থা কৰা হৈছিল। এই কথাটো প্ৰাৰ্থীসকলক ইন্টাৰভিউ লোৱাৰ সময়ৰ উপৰিও নিয়োগ-পত্ৰ দিবৰ সময়তো জানিবলৈ দিয়া হৈছিল।

কর্পৰেচনৰ পদোন্নতি নীতি, চাকৰীৰ ম্যাদ, ব্যক্তিজনৰ কাৰ্যদক্ষতা, জেষ্ঠতা আৰু সততাৰ ওপৰত প্ৰতিষ্ঠিত এই নীতি দৃঢ়ভাবে (ষ্ট্ৰিক্‌লি) পালন কৰা হয়।

কৰ্পৰেচনে চাকৰিয়াল সকলৰ কাৰণে ৰিক্ৰেচন ক্লাব প্ৰতিষ্ঠা কৰিছে আৰু এই ক্লাবত কনষ্ট্ৰাকচন এজেন্সিৰ চাইট ৰিপ্ৰেজেনটেটিভ, ইৰেকচন ইঞ্জিনীয়াৰ্চ অৱ মেচিন চাপ্লায়াৰ্চ আৰু কনচালটেণ্ট ইঞ্জিনীয়াৰ্চ সকলো সভা। কৰ্পৰেচনৰ প্ৰকল্প পৰিচালকে সময়ে সময়ে ইনফৰমেল গেট টুগেদাৰৰ বাবে খেলা-ধূলা ৰিক্ৰেচনেল একটিভিটিজৰ ব্যৱস্থা কৰে। এনে গেট টুগেদাৰত সকলো চাকৰিয়ালে সপৰিয়ালে ৰেংক, লেভেল, ষ্টেটাচ নিৰ্বিশেষে অংশ গ্ৰহণ কৰে আৰু বিশেষ উৎসৱ উপলক্ষে ৩/৪ মাহৰ অন্তত একোবাৰ গেষ্ট হাউচত এনে গেট টুগেদাৰৰ জৰিয়তে চাহমেল, দুপৰ ভোজন, ৰাতি ভোজনত গোট খায় আৰু এই অনুষ্ঠানত প্ৰত্যেকেই বৰঙণি দিয়ে। এইবিলাক প্ৰকল্প-জীৱনৰ স্বাভাৱিক কথা যিহেতু অন্যথায় এই জীৱন অতি কঠোৰ কাৰণ, প্ৰকল্পসমূহ সাধাৰণতে চহৰ-নগৰ জীৱনত লাভ কৰা ৰিক্ৰেচনেল সা-সুবিধা ঠাইৰপৰা অতি দূৰ-দূৰণিৰ স্থানত অৱস্থিত। ঠিকাদাৰৰ চাইট ইঞ্জিনীয়াৰ, যন্ত্ৰ-পাতি যোগানৰ ইৰেকচন ইঞ্জিনীয়াৰ, কনচালটেণ্টৰ ক্ষেত্ৰ প্ৰতিনিধি আৰু কৰ্পৰেচনৰ সকলো চাকৰিয়ালে তেওঁলোকৰ ৰেংক, লেভেল, ষ্টেটাচ নিৰ্বিশেষে এনেদৰে আয়োজিত সকলো খেলা-ধূলা অথবা ইনফৰমেল গেট টুগেদাৰত সক্ৰিয়ভাৱে আৰু সমভাৱে এনে উদ্দেশ্যত বৰঙণি দান কৰি সুস্থ সামাজিক জীৱন গঢ়াত অংশ গ্ৰহণ কৰে। আন ৰিক্ৰেচনেল সা-সুবিধা নথকা এনে ধৰণৰ প্ৰকল্পসমূহতো এনে ব্যৱস্থা প্ৰচলিত।

১৯৮৪ চনৰ এপ্ৰিল মাহত নিয়োজিত কনচালটেণ্টৰ প্ৰথম চাইট ইঞ্জিনীয়াৰজন তেওঁৰ প্ৰতিষ্ঠানে ১৯৮৫ চনত বদলি কৰে আৰু এই ৮ মাহ কাল অৱস্থানৰ ভিতৰত তেওঁক প্ৰকল্পত মাত্ৰ ৮০/৯০ দিন মানহে পোৱা হৈছিল যিহেতু, তেওঁ দিল্লীৰ পাৰিবাৰিক সা-সম্পত্তি সংক্ৰান্তত কিছু ব্যক্তিগত সমস্যা তদাৰকৰ কাৰণে পেৰেণ্ট প্ৰতিষ্ঠানক তেওঁক দিল্লীলৈ বদলি কৰিবলৈ কেইবাবাৰো খাটনি ধৰিছিল। শেষত ১৯৮৫ চনৰ জানুৱাৰী মাহত খড়্গপুৰৰ আই-আই-টিৰ পৰা পাছ কৰা ভাল অৰ্হতাসম্পন্ন (ওৱেল কোৱালিফাইদ) ইঞ্জিনীয়াৰ এজন চাব্‌ষ্টিটিউট দি তেওঁক বদলি কৰিছিল। কন্‌চালটেণ্টৰ প্ৰথম চাইট ইঞ্জিনিয়াৰ জনক প্ৰায় ৬ মাহ দিল্লীত পদস্থাপনৰ পিছত চণ্ডীগড়লৈ বদলি কৰাত তেওঁ সা-সম্পত্তি সংক্ৰান্তত ব্যক্তিগত পাৰিবাৰিক অসুবিধাৰ কাৰণে দিল্লীৰ পৰা আঁতৰি থাকিবলৈ অপৰাগ